www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক


ৰুটি আৰু মদ শেষ হৈ যায়, প্ৰিয়াৰ চকু ঘোলা হৈ পৰিব কিন্তু কিতাপ হ'ল অনন্ত যৌৱন ৰূপে থাকি যাব যদিহে এখন মহৎ কিতাপ হয়। - ওমৰ খায়াম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▢ সংখ্যা- ১১০ ▢ শনিবাৰ ▢ ২৪ জানুৱাৰী, ২০২৬ চন ▢ Volume/Year- I ▢ Issue- 110 ▢ Saturday ▢ 24th January, 2026 ▢ Asom Barta, Majuli ▢ PRGI Reg. No.- ASASS/25/A2361 ▢ Price- Rs. 10 ▢ Total Page- 8

■ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ, জানুৱাৰীৰ শেষত গৃহমন্ত্ৰীৰ উপস্থিতি ■

# নিদ্ৰাচ্ছন্ন ৰাহুল-খাৰ্গে; পুনৰ অসমলৈ মোদী-শ্বাহ




ICUত জীৱন-মৃত্যুৰে যুঁজিছে আহত অচ্যুত বৰুৱাই

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বীজাৰলেণ্ডৰ ডাভোছত বিশ্ব অৰ্থনৈতিক মঞ্চত অংশগ্ৰহণ কৰি থকা অৱস্থাত ফেচবুক লাইভৰ জৰিয়তে এক গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। তেওঁ জনাইছে যে চলিত মাহৰ শেষৰ ফালে আৰু আগন্তুক ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণসমূহে ৰাজ্যখনৰ আন্তঃগাঁথনি উন্নয়ন আৰু প্ৰশাসনিক শক্তিশালীকৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ বিশেষ মনোযোগক প্ৰতিফলিত কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই সংবাদ মাধ্যমক সম্বোধন কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৪ ফেব্ৰুৱাৰীত অসমলৈ আহিব। এই ভ্ৰমণৰ সময়ত তেওঁ গুৱাহাটীৰ দুটা অংশক সংযোগ কৰা ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নিৰ্মিত নতুন দলংখন উদ্বোধন কৰিব। ▸▸৫ পৃষ্ঠাত

## ◂ সমসাময়িক ▸

### সাংস্কৃতিক পৰ্যটনঃ অৰ্থনৈতিক উন্নয়নৰ মূল আধাৰ

✍ নলিনী ৰঞ্জন ভূঞা

একবিংশ শতিকাৰ বিশ্ব অৰ্থনীতিত আমাৰ দেশৰ পৰ্যটন উদ্যোগে এক শক্তিশালী স্তমভ হিচাপে থিয় দিছে। কেৱল আমোদ-প্ৰমোদ বা ভ্ৰমণৰ মাজতে আৱদ্ধ নাথাকি বৰ্তমান সময়ত পৰ্যটন হৈ পৰিছে এক ▸▸৫ পৃষ্ঠাত

অন্যথা নিজাববীয়াকৈ খেলিব '২৬ৰ বিধানসভা নিৰ্বাচন

## কংগ্ৰেছক ৩১ জানুৱাৰীৰ ডেডলাইন অখিল বাহিনীৰ

অহা ১৭-১৮ ফেব্ৰুৱাৰীত দুগৰাকী বিধায়কৰ যোগদানৰ ঘোষণা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ জানুৱাৰী ঃ** আসন্ন ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত বিজেপিক ক্ষমতাচ্যুত কৰিবলৈ বিৰোধী ঐক্য গঠনৰ প্ৰচেষ্টা চলি থকাৰ মাজতে মূল ▸▸৫ পৃষ্ঠাত

## জোনবিলৰ পাৰত প্ৰাণ পাই উঠিল শতাব্দী পুৰণি বিনিময় প্ৰথা

দেশী-বিদেশী পৰ্যটকৰ ভিৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ জানুৱাৰী ঃ** মৰিগাঁৱৰ জোনবিল পাৰত চলি আছে ঐতিহাসিক জোনবিল মেলা। জিলাখনৰ জাগিৰোডস্থিত জোনবিল পাৰত গোভা দেওৰজাৰ ▸▸৫ পৃষ্ঠাত

## গুৱাহাটীৰ কাহিলিপাৰাৰ পথ দুৰ্ঘটনাত মৃত্যু লুনা ভৰদ্বাজৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৩ জানুৱাৰী ঃ** শিক্ষাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজাৰ উলহ-মালহ আৰু উৎসাহৰ মাজতে গুৱাহাটী মহানগৰীৰ কালিলিপাৰা অঞ্চলত শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হৈছে। এই দুৰ্ঘটনাত এগৰাকী যুৱতী থিতাতে নিহত হোৱাৰ লগতে এজন যুৱক গুৰুতৰভাৱে আহত হৈছে। শুকুৰবাৰে সন্ধিয়া সংঘটিত এই দুৰ্ঘটনাত ১০৮ এম্বুলেঞ্চ আৰু এখন স্কুটিৰ ▸▸৫ পৃষ্ঠাত

গুৱাহাটীৰ ৰাজ্যিক বিজেপি কাৰ্যালয়ত বিশেষ যোগদান কাৰ্যসূচী

## জল্পনাৰ অন্ত ! আজি গেৰুৱা বসন পিন্ধিব শংকৰজ্যোতি বৰুৱা সহ ১০ গৰাকী নেতা-কৰ্মীয়ে




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৪ জানুৱাৰী ঃ** অৱশেষত জল্পনা-কল্পনাৰ অন্ত পৰিল। সদৌ অসম ছাত্ৰ সন্থাৰ (আছু) প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই আজি ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ত যোগদান কৰিব। নাৰীজনিত বিতৰ্ক আৰু অভিযোগৰ পাছত আছুৰ উচ্চ পদৰ পৰা অব্যাহতি ল'বলৈ বাধ্য হোৱা শংকৰজ্যোতিয়ে ▸▸৫ পৃষ্ঠাত

## অসমীয়াকে সামৰি ১১টা ধ্ৰুপদী ভাষাৰ গ্ৰন্থ-পাণ্ডুলিপিৰ বাবে ৰাষ্ট্ৰপতিয়ে উদ্বোধন কৰিলে 'গ্ৰন্থ কুটীৰ'

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ জানুৱাৰী ঃ** ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শুকুৰবাৰে ৰাষ্ট্ৰপতি ভৱনত এটা অভূতপূৰ্ব পদক্ষেপ গ্ৰহণ কৰি 'গ্ৰন্থ কুটীৰ' নামৰ বিশেষ স্থানৰ উদ্বোধন কৰিছে। এই স্থানত ভাৰতৰ ১১টা ধ্ৰুপদী ▸▸৩ পৃষ্ঠাত

## শংকৰজ্যোতিয়ে বিয়াৰ প্ৰলোভনেৰে জীৱন ধ্বংস কৰাৰ অভিযোগ

বিজেপিৰ শীৰ্ষ নেতৃত্বক অনুৰোধ জনাই যুৱতীৰ সামাজিক মাধ্যমত পোষ্ট

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ জানুৱাৰী ঃ** প্ৰাক্তন অসম ছাত্ৰ সংস্থা (আছু)ৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ সক্ৰিয় ৰাজনীতিলৈ ▸▸৫ পৃষ্ঠাত

■ ৰেজাউল কৰিমৰ প্ৰেৰণাত মিঞা অধ্যুষিত নতুন বৰ অসম প্ৰতিষ্ঠা কৰাৰ যাত্ৰা আৰম্ভ কৰিছে ■

## গৌৰৱ গগৈয়ে স্বৰ্গদেউ চাওলুং চ্যুকাফা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰা বৰ অসমক নস্যাৎ কৰিছে



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ জানুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ ৰাজনৈতিক দৃষ্টিভংগী আৰু "নতুন বৰ অসম" নামৰ ধাৰণাক কেন্দ্ৰ কৰি ৰাজ্যখনৰ ৰাজনৈতিক পৰিৱেশত তীব্ৰ ▸▸৫ পৃষ্ঠাত




ৰাজ্যপালৰ অধিৱেশন আহ্বান; ১৭ ফেব্ৰুৱাৰীত বাজেট দাখিলৰ সম্ভাৱনা

## ১৬ ফেব্ৰুৱাৰীৰ পৰা অসম বিধানসভাৰ বাজেট অধিৱেশন



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ জানুৱাৰী ঃ** অসম বিধানসভা সচিবালয়ে জাৰি কৰা এক অধিসূচনাৰ জৰিয়তে ২০২৬-২৭ বিত্তীয় বছৰৰ বাজেট অধিৱেশনৰ দিন নিৰ্ধাৰণ কৰা হৈছে। অধিসূচনা অনুসৰি অসম বিধানসভাৰ ▸▸৫ পৃষ্ঠাত

দ্বিতীয়খন মেচত ৭ উইকেটত জয়লাভ ভাৰতৰ; ঈশান কিষাণ আৰু সূৰ্যকুমাৰ যাদৱৰ বিস্ফোৰক বেটিং



## ভাৰত-নিউজীলেণ্ডৰ T20 শৃংখলাত ২-০ ব্যৱধানত টীম ইণ্ডিয়াৰ অগ্ৰগতি

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৩ জানুৱাৰী ঃ** ভাৰতীয় ক্ৰিকেট দলে ▸▸৫ পৃষ্ঠাত


নিহত চিকনা জৌহৌলাও বিস্মিতৰ পত্নী আৰু সুনীল মুৰ্মুৰ পিতৃৰ হাতত চেক হস্তান্তৰ

## বড়ো-আদিবাসী সংঘৰ্ষত নিহতৰ পৰিয়ালক ৫ লাখ টকাকৈ সাহায্য



আশ্ৰয় শিবিৰ পৰিদৰ্শন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ, ইণ্টাৰনেট সেৱা শীঘ্ৰে মুকলিৰ ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ২৩ জানুৱাৰী ঃ** সাম্প্ৰতিক বড়ো-আদিবাসী সংঘৰ্ষৰ পিছত কোকৰাঝাৰ জিলাত শান্তিৰ পৰিৱেশ পুনৰ ঘূৰি অহাৰ দিশে অগ্ৰসৰ হৈছে। ৰাজ্য চৰকাৰৰ মন্ত্ৰী জয়ন্ত ▸▸৫ পৃষ্ঠাত



# ডুমডুমা জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ আয়োজন


## পূৰ্ণগতিত চলিছে প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৩ জানুৱাৰী ঃ** ডুমডুমা অঞ্চলৰ কেইগৰাকীমান সমাজ হিতৈষী যুৱক আৰু ব্যক্তিৰ প্ৰচেষ্টাত ২০০১ চনৰ পহিলা জানুৱাৰীৰ দিনটোতে অসম জাতীয় বিদ্যালয়ৰ আৰ্হিত ডুমডুমাত প্ৰতিষ্ঠা কৰিছিল ডুমডুমা জাতীয় বিদ্যালয়। ইতিমধ্যে ২০২৫ চনৰ ১ জানুৱাৰীৰ দিনা গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰা এই বিদ্যালয়খনে ২০২৫ চনৰ পহিলা জানুৱাৰীৰ দিনাৰ পৰা বছৰজোৰা বিভিন্ন কাৰ্যসূচীৰে ৰূপালী জয়ন্তী উদ্‌যাপন কৰাৰ অন্তত অহা ২৯ আৰু ৩০ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে এই ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ লৈছে। এই উপলক্ষে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি অৰ্জুন বৰুৱাক সভাপতি, অনুজ কলিতাক কাৰ্যকৰী সভাপতি আৰু বিদ্যালয়খনৰ অধ্যক্ষা সুৰভী মৰাণক সম্পাদিকা হিচাপে লৈ গঠন কৰা উদ্‌যাপন সমিতিখনে এই সামৰণি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ পূৰ্ণ প্ৰস্তুতি চলাইছে। ডুমডুমাৰ বিছাজানস্থিত বিদ্যালয়খনৰ নিজা প্ৰাঙ্গণত অনুষ্ঠিত হ'বলগীয়া এই সামৰণি অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ২৯ জানুৱাৰীৰ পুৱা ৯-৩০ বজাত উদ্‌যাপন সমিতিৰ সভাপতি অৰ্জুন বৰুৱাই ৰূপালী জয়ন্তীৰ মূল পতাকা উত্তোলন কৰাৰ লগতে অন্য ২৫খন পতাকা উত্তোলন কৰিব বিদ্যালয়খনৰ শুভাকাংক্ষী আৰু অঞ্চলটোৰ বিশিষ্ট ব্যক্তি সকলে। পুৱা ১০ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী শুভাৰম্ভ কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি অনুজ কলিতা আৰু সম্পাদক সুৰভী মৰাণে। পুৱা ১০-৩০ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু প্ৰাণৰ শিল্পী হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰিব অসম বিজ্ঞান সমিতি, ডুমডুমা শাখাৰ সম্পাদক ধীৰেন ডেকা আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক জিতু ডেকাই। দিনৰ ১১ বজাৰ পৰা ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ সন্মিলন। ৩০ জানুৱাৰীৰ পুৱা অনুষ্ঠিত হ'বলগীয়া বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব ডুমডুমা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি দুলু আৰন্ধৰাই। দিনৰ ১২ বজাৰ পৰা অৰ্জুন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক, সাহিত্যিক, কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া উপস্থিত থকাৰ লগতে বিশিষ্ট অতিথি হিচাপে বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, ডুমডুমাৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া, সন্মানীয় অতিথি হিচাপে তিনিচুকীয়া জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি সোমেশ্বৰ মৰাণ, বিশিষ্ট সমাজকৰ্মী সুজিত কুমাৰ বৰুৱা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগ, তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি নয়ন জ্যোতি বৰশইকীয়া আৰু তিনিচুকীয়া জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি জগত নায়ক উপস্থিত থাকিব। আনহাতে এই সভাতেই এই উপলক্ষে পৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনি উন্মোচন কৰিব ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড°কমলেশ্বৰ কলিতাই। বিয়লি ৩-৩০ বজাৰপৰা অনুষ্ঠিত হ'বলগীয়া গীত-মাতৰ অনুষ্ঠানটি উদ্বোধন কৰিব বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকনে। উক্ত দুয়োটা দিনৰ সমূহ কাৰ্যসূচীত বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শুভাকাংক্ষী আৰু সমূহ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে বিদ্যালয়খনৰ অধ্যক্ষা তথা উদ্‌যাপন সমিতিৰ সম্পাদিকা সুৰভী মৰাণে।

# চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত মহাকুণ্ডমেলাৰ আয়োজন

## ২৪ আৰু ২৫ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচী

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ জানুৱাৰী ঃ** অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ নগাঁও জিলাৰ চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত অহা ২৪ আৰু ২৫ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব মহাকুণ্ডমেলা। নগাঁও চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগত অৱস্থিত চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত অনুষ্ঠিত হ'বলগা মহাকুণ্ডমেলাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। মহাকুণ্ডমেলা উদ্‌যাপন সমিতিয়ে জানিবলৈ দিয়া মতে, দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগা মহাকুণ্ডমেলাত ভক্তপ্ৰাণ ৰাইজ, পৰ্যটক বা বনভোজ দল সমূহে যাতে কোনোধৰণৰ অসুবিধা নাপাই তাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নগাঁও জিলাৰ পুৰণিগুদামৰ ৰাষ্ট্ৰীয় ঘাইপথ গড়মূৰ তিনিআলিৰ পৰা প্ৰায় পোন্ধৰ কিলোমিটাৰ পূব দিশত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ অঞ্চল চাপানালা। নগাঁও-কাৰ্বি-আংলং জিলাৰ সীমান্তৱৰ্তী চোৰাং বনাঞ্চলৰ লেমলেমী নামৰ পাহাৰখনৰ বুকুৰ পৰা শিলৰ ফাঁকেৰে নামি আহিছে উত্তৰ-পূব ভাৰতৰ অন্যতম সৰ্ববৃহৎ জলপ্ৰপাত "চম্পাৱতী জলপ্ৰপাত।" অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যত চহকী উত্তৰ-পূব ভাৰতৰ ভিতৰতে সৰ্ববৃহৎ জলপ্ৰপাত চম্পাৱতীয়ে ইতিমধ্যে দেশ-বিদেশৰ প্ৰকৃতি প্ৰেমীসকলক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কথিত আছে যে, মাঘ মাহৰ শুক্লা সপ্তমী তিথিত চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত স্নান কৰিলে পুণ্য অৰ্জন হয়। সেইবাবেই প্ৰতিবছৰে মাঘ মাহত সৰস্বতী পূজাৰ পিছদিনা চম্পাৱতী জলপ্ৰপাতত অসমৰ লগতে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন ভক্তৰ সমাবেশ ঘটে। মাঘী সপ্তমী তিথিত চম্পাৱতী কুণ্ডত স্নান কৰিলে ৰোগ-ব্যাধি দূৰ হোৱাৰ লগতে পুণ্য অৰ্জন হয় বুলি থকা জনবিশ্বাসৰ বাবেই এই জলপ্ৰপাতত মাঘী সপ্তমী তিথিত অৰ্থাৎ সৰস্বতী পূজাৰ পাছদিনা জনসমুদ্ৰত পৰিণত হয়। মাঘী সপ্তমী তিথিত সকলোৱে মনৰ কামনা পূৰণৰ বাবে চম্পাৱতী জলপ্ৰপাতস্থলীত চাকি-বন্তি জ্বলায়। মহাকুণ্ডমেলালৈ ঘৰৰ পৰা আহিব নোৱাৰা লোকৰ বাবে বটল বা তেনেধৰণৰ পাত্ৰত জলপ্ৰপাতৰ পানী নি দিয়াটোও পুণ্য অৰ্জনৰ কাম বুলি জনবিশ্বাস চলি আহিছে। কিংবদন্তী অনুসৰি, মহাভাৰতত বৰ্ণিত হংসধ্বজ ৰজাৰ কন্যা চম্পাৱতীয়ে প্ৰতিবছৰে মাঘ মাহৰ শুক্লা সপ্তমী তিথিত শিৱ আৰাধনা হেতু উক্ত জলপ্ৰপাতত স্নান কৰি শিৱৰ বৰ লাভ কৰি পুণ্য অৰ্জন কৰিছিল। সেইবাবেই এই জলপ্ৰপাতৰ নাম চম্পাৱতী হয় বুলি কিংবদন্তী প্ৰকাশ। মেঘালয়ৰ বিদন-বিছপ জলপ্ৰপাতকৈও বৃহৎ এই চম্পাৱতী জলপ্ৰপাতলৈ পৰ্যটকৰ আকৰ্ষণৰ বহুগুণে বৃদ্ধি পাইছে। চাপানালা চম্পাৱতী কুণ্ড নামেৰে জনাজাত এই জলপ্ৰপাতটো তিনিটা ভাগত বিভক্ত। তল কুণ্ড, মাজ কুণ্ড আৰু ওপৰ কুণ্ড নামেৰে তিনিটা ভাগত বিভক্ত। এই জলপ্ৰপাতটোলৈ উঠা-নমা কৰা চিৰি নথকাৰ বাবে প্ৰকৃত সৌন্দৰ্য উপভোগ কৰাৰ পৰা বঞ্চিত হয় জলপ্ৰপাতলৈ অহা অগণণ লোক। এনেক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগে জলপ্ৰপাতটোলৈ উঠা-নমা কৰাৰ বাবে চিৰি বা খটখটিৰ ব্যৱস্থা কৰিলে পৰ্যটক আৰু বনভোজ দল সমূহে প্ৰকৃত সৌন্দৰ্য উপভোগ কৰিব পাৰিব। বৰ্তমান চৰকাৰে চাপানালাৰ চম্পাৱতী জলপ্ৰপাতস্থলী পৰ্যটনক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে যদিও উপযুক্ত পৰ্যটনস্থলী হ'বলৈ বহু কৰণীয় আছে বুলি সচেতনমহলে মতপ্ৰকাশ কৰিছে।



# পথালিপাহাৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত বাহন সমূহত সন্ধিয়া বান্দৰদেৱা আৰক্ষীৰ তালাচী

**অসম বাৰ্তা, বান্দৰদেৱা, ২৩ জানুৱাৰী ঃ** গণৰাজ্য দিৱস উপলক্ষে লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অৰূপ বাহাদুৰ থাপা আৰু দুলমণি শইকীয়াৰ নেতৃত্বত আজি সন্ধিয়া পথালিপাহাৰ টোল গেটৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত তীব্ৰ তালাচী চলোৱা পৰিলক্ষিত হয়। আগন্তুক গণৰাজ্য দিৱসত যাতে কোনো দুস্কৃতিকাৰীয়ে কুটাঘাতমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিখন বাহন তন্ন তন্নকৈ তালাচী চলাইছে বান্দৰদেৱা আৰক্ষীয়ে।

# গেলেকীত লেকামহীন ঘোঁৰাৰ দৰে ভূ-মাফিয়াৰ দৌৰাত্ম্য

**অসম বাৰ্তা, গেলেকী, ২৩ জানুৱাৰী ঃ** গেলেকীত অবাধ হাৰত ভূ-মাফিয়াৰ দপ-দপনি চলাক লৈ সৰৱ হৈ পৰিছে আদিবাসী ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলাৰ উপ-সভাপতি বিতুল কৰ্মী। দিনে নিশাই গেলেকীৰ বিভিন্ন প্ৰান্তত অবৈধভাৱে ভূ-খনন কৰি চলাই গৈছে সন্ত্ৰাস একাংশ ভূ-মাফিয়াই। কৃষি পথাৰৰ মাটি খনন কৰি অন্য ঠাইত একাংশ ভূ-মাফিয়ই বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে দীৰ্ঘদিন ধৰি। একাংশ ঠাইত ডাম্পাৰে ৰাজপথত মাটি পেলাই থৈ যোৱাৰ বাবে পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। গেলেকীৰ অঞ্চলৰ বামগাঁও, দূলাকাষৰীয়াৰ ভিতৰুৱা গাঁৱত, ন-পাম বাৰুৱতী, মনাইটিং, মিছাজান, আদি ঠাইত অবাধ হাৰত চলিছে ভূ-খনন। সকলো দেখিও নেদেখাৰ কুলি ভাও ধৰাৰ অভিযোগ প্ৰশাসনৰ বিৰুদ্ধে। যাৰ বাবে সৰৱ হৈ উঠিছে আদিবাসী ছাত্ৰ সন্থা। অতি সোনকালে ভূ-মাফিয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী কৰিছে সংগঠনটো শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি বিতুল কুৰ্মীয়ে। এতিয়া লক্ষণীয় হ'ব নাজিৰা সম-জিলাৰ প্ৰশাসনে এই ভূ-মাফিয়াৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে।

# জাঁজীৰ বিভিন্ন প্ৰান্তত উলহ-মালহেৰে সৰস্বতী পূজা পালন

**অসম বাৰ্তা, জাঁজী, ২৩ জানুৱাৰী ঃ** বিদ্যাৰ অধীষ্ঠাত্ৰী বাগদেৱী সৰস্বতী বন্দনাৰে মুখৰিত হৈ পৰিল জাঁজীৰ বিভিন্ন শিক্ষানুঠান। আজি সৰস্বতী পূজা উপলক্ষে শিৱসাগৰ জিলাৰ জাঁজীৰ বিভিন্ন শিক্ষানুস্থান সমূহত ছাত্ৰ ছাত্ৰী তথা অভিভাৱক সকলে সৰস্বতী দেৱীক পূজা অৰ্চনা কৰা দেখিবলৈ পোৱা যায়। উল্লেখ্য যে জাঁজীৰ ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা চন্দ্ৰধৰ গগৈ শঙ্কৰদেৱ শিশু বিদ্যা নিকেতন, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়, নাজিৰ পুখুৰী প্ৰাথমিক বিদ্যালয়, জামুগুৰি সংস্কৃত টোল, জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়, জামুগুৰিৰ ব্ৰাহ্মণ গাঁৱৰ ইউৰো কিডছ, শিল্প বিদ্যালয়, তামুলিছিগা উচ্চতৰ মাধ্যমিক বিদ্যালয়, জাঁজী মৰাণ ছিগা মধ্য ইংৰাজী বিদ্যায়ৰ, আদিৰ শিক্ষানুষ্ঠান সমূহত ছাত্ৰ ছাত্ৰী সকলৰ সমাগম হোৱা দেখা যায়। আনহাতে পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি আজি দিনজোৰা কাৰ্য্যসূচীৰে মৰাণ ছিগা মধ্য ইংৰাজী বিদ্যালয়ত নাম কীৰ্তন কৰা হয় আৰু নিশা স্থানীয় ৰাইজৰ সহযোগত ভাওনা প্ৰদৰ্শন কৰা হয়।

# দুধনৈত নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৯ সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, দুধনৈ, ২৩ জানুৱাৰী ঃ** দুধনৈ আঞ্চলিক বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ উদ্যোগত আৰু দুধনৈ আঞ্চলিক বাঙালী মহিলা ফেডাকেচনৰ সহযোগত আজি নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৯ সংখ্যক জন্মজয়ন্তী ৰূপালী জয়ন্তী বৰ্ষ হিচাবে দুধনৈ জনমন্দিৰ প্ৰাংগণত দিনজোৰা বৰ্ণাধ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এইবেলি দুয়োটা সংগঠনে নেতাজীৰ জন্মদিনটো ৰূপালী জয়ন্তী বৰ্ষ হিচাবে উদ্‌যাপন কৰিছে। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা উৎযাপন সমিতিৰ সভাপতি জীবেশ দেই বাঙালী ফেডাৰেচনৰ পতাকা উত্তোলন কৰাৰ পাছতে অনুৰাধা সাহাৰ পৰিচালনাত স্থানীয় শিল্পী সকলৰ দ্বাৰা দেশপ্ৰেমমূলক গীত পৰিবেশন কৰা হয়। শ্বহীদ তৰ্পন কৰে দুধনৈ আঞ্চলিক বাঙালী ফেডাৰেচনৰ সভাপতি প্ৰসেনজিৎ দেই। আনহাতে স্বাধীনতা সংগ্ৰামী নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্জ্বলন ও মাল্যাৰ্পন কৰে দুধনৈ আঞ্চলিক বাঙালী মহিলা ফেডাৰেচনৰ সভানেত্ৰী বকুলী কৰ্মকাৰে। ইয়াৰ সমান্তৰালকৈ অসমীয়াৰ প্ৰাণৰ শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলন আৰু মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে দুধনৈ গাঁৱ পঞ্চায়তৰ সদস্যা পুষ্পা নন্দীয়ে। তাৰপিচত চিত্ৰাংকন প্ৰতিযোগিতা, প্ৰশ্নবান প্ৰতিযোগিতা, নেতাজীৰ সাজ-পাৰৰ ওপৰত প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া দুধনৈ গাওঁ পঞ্চায়তৰ সদস্যা ৰাখী গুণৰ দ্বাৰা বন্তি প্ৰজ্জ্বলন, শিল্পী অনুৰাধা সাহাৰ পৰিচালনাত ধামাইল নৃত্য আৰু নিশালৈ জী বাংলা খ্যাত আনন্ত্ৰিত শিল্পী সকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰয়াত অশোক ৰঞ্জন ভট্টাচাৰ্য সোঁৱৰণী সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে ৰাভা হাছং পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই।

# দুধনৈত চোৰাং গাঞ্জাসহ তিনি সৰবৰাহকাৰী আটক

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা দুধনৈ, ২৩ জানুৱাৰী ঃ** আজি দুধনৈ আৰক্ষীয়ে এক গোপন সূত্ৰৰ পমখেদি অভিযান চলাই দুধনৈ মাজ-জাখিলী ওপৰতোলা পথত ১.১৭ কেজী চোৰাং গাঞ্জা সহ তিনিগৰাকী সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ হাতত আটক হোৱা তিনিগৰাকী সৰবৰাহকাৰী ক্ৰমে প্ৰফুল্ল নাথ(টুকুৰা), পৰমেশ্বৰ ৰাভা (ভিমাজুলি) আৰু কৃষ্ণাই মাণিকপুৰ নামাপাৰাৰ ছাহিদুল ইছলামে কাৰিপাৰাৰ পৰা এখন বাহনেৰে চোৰাং গাঞ্জাখিনি কৃষ্ণাইলৈ বিক্ৰীৰ বাবে লৈ গৈ থকোতে আৰক্ষীৰ হাতত ধৰা পৰে। আটক তিনিও গৰাকী সৰবৰাহকাৰীক তদন্তৰ আওতালৈ আনি দুধনৈ আৰক্ষী থানাত এক গোচৰ পঞ্জীয়ন কৰি সোধপোচা আৰম্ভ কৰিছে। উল্লেখযোগ্য যে গোৱালপাৰাৰ কাৰিপাৰাৰ পৰা সঘনাই গাঞ্জা সৰবৰাহ হয়। কিছুদিন পূৰ্বেও কাৰিপাৰাৰ এগৰাকী ব্যক্তিৰ ঘৰৰ পৰাই বৃহৎ পৰিমাণৰ চোৰাং গাঞ্জা আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল।

# ৩য় আন্তৰ্জাতিক মুম্বাই কাৰ্নিভেলত অসমৰ কন্যা কৃষ্টিশিখা অধিকাৰীৰ সাফল্য

## ডুবাই কাৰ্নিভেললৈ অংশগ্ৰহণৰ বাবে নিৰ্বাচিত

**অসম বাৰ্তা, অভয়াপুৰী, ২৩ জানুৱাৰী ঃ** মুম্বাইৰ পশ্চিম আন্ধেৰীত যোৱা ১১ জানুৱাৰী, ২০২৬ তাৰিখে অনুষ্ঠিত তৃতীয় আন্তৰ্জাতিক মুম্বাই কাৰ্নিভেলত অভয়াপুৰীৰ উদীয়মান কণ্ঠশিল্পী কণমানি কৃষ্টিশিখা অধিকাৰীয়ে সাফল্য অৰ্জন কৰি সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ৰিদ'ম ইভেণ্টছ্ আৰু মেনেজমেণ্ট প্ৰাইভেট লিমিটেডৰ উদ্যোগত আয়োজিত সাংস্কৃতিক সংগমৰ এক বৰ্ণাঢ্য সমাৰোহত বলীউড ইণ্ডাষ্ট্ৰীৰ একাধিক তাৰকা, টেলিভিছন ধাৰাবাহিকৰ জনপ্ৰিয় শিল্পী, সংগীতশিল্পী আৰু চলচ্চিত্ৰ পৰিচালকৰ উপস্থিতিয়ে অনুষ্ঠানটোক এক শিল্প-উৎসৱত পৰিণত কৰে। অনুষ্ঠানত কণমানি কৃষ্টিশিখাই এককভাৱে হিন্দী গীত পৰিবেশন কৰি নিজৰ প্ৰতিভাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়। মঞ্চত তেওঁৰ আত্মবিশ্বাসী উপস্থিতি, সুৰ-তালৰ নিখুঁত নিয়ন্ত্ৰণ আৰু সুৰীয়া কণ্ঠই শ্ৰোতা-দৰ্শক আৰু বিচাৰকমণ্ডলীৰ হৃদয় স্পৰ্শ কৰে। অনুষ্ঠানৰ অন্তত বিচাৰকমণ্ডলীয়ে কৃষ্টিশিখা অধিকাৰীক বেষ্ট এৱাৰ্ডৰ পুৰস্কাৰ আগবঢ়ায়। এই সন্মান লাভৰ সৈতে তেওঁ এই বৰ্ষতে অনুষ্ঠিত হ'বলগীয়া ডুবাই কাৰ্নিভেললৈ অংশগ্ৰহণৰ সুযোগো লাভ কৰিছে। আন্তৰ্জাতিক পৰিসৰত নিজৰ সংগীত প্ৰতিভা প্ৰদৰ্শনৰ এই সুযোগে তেওঁৰ শিল্পীজীৱনৰ এক নতুন দিশ উন্মোচন কৰিছে। উল্লেখযোগ্য যে, কৃষ্টি শিখা অধিকাৰী শেহতীয়াকৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ লোকগীত আৰু ৰবীন্দ্ৰ সংগীত শাখাৰ অডিশনত সফলভাৱে নিৰ্বাচিত হৈছে। এই সাফল্যই তেওঁৰ সংগীত প্ৰতিভাক আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰিছে। অতি কম বয়সতে এনেকুৱা সাফল্য লাভ কৰাটো অসমৰ সাংস্কৃতিক ক্ষেত্ৰৰ বাবে এক অত্যন্ত আশাব্যঞ্জক বিষয়। যোৱা বছৰ গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত মুম্বাই কাৰ্নিভেলৰ গুৱাহাটী পৰ্বতো কৃষ্টিশিখাই নিজৰ সংগীতৰ দক্ষতা প্ৰদৰ্শন কৰিছিল। সেই অনুষ্ঠানত তেওঁৰ উৎকৃষ্ট প্ৰদৰ্শনৰ ফলতেই তেওঁ মুম্বাইৰ এই আন্তৰ্জাতিক মঞ্চলৈ উত্তৰণৰ সুযোগ লাভ কৰে। এই ধাৰাবাহিক অগ্ৰগতি কৃষ্টি শিখাৰ সংগীত সাধনাৰ এক স্পষ্ট প্ৰমাণ। সংগীতৰ প্ৰতি গভীৰ অনুৰাগ আৰু কঠোৰ সাধনাই কৃষ্টি শিখাক এক উদীয়মান কণ্ঠশিল্পী হিচাপে পৰিচিত কৰি তুলিছে। পৰিয়াল আৰু শিক্ষকসকলৰ উৎসাহৰ লগতে নিয়মিতভাৱে কৰা ৰিয়াজ আৰু সংগীত শিক্ষাৰ মাধ্যমেৰে নিজৰ কণ্ঠশৈলী অধিক সমৃদ্ধ কৰি তুলিবলৈ সক্ষম হৈছে। তেওঁৰ এই সাফল্যই ৰাজ্যখনৰ বহু কিশোৰ-কিশোৰীক সংগীত আৰু সংস্কৃতিৰ ক্ষেত্ৰত আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰিছে। বিভিন্ন সাংস্কৃতিক সংগঠন আৰু সমাজৰ বিশিষ্ট ব্যক্তিসকলে কৃষ্টিশিখাৰ এই কৃতিত্বৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। আন্তৰ্জাতিক মুম্বাই কাৰ্নিভেলত কৃষ্টিশিখা অধিকাৰীৰ এই সাফল্য অসমৰ সাংস্কৃতিক জগতত এক গৌৰৱময় মুহূৰ্ত হিচাপে চিহ্নিত হৈ থাকক আৰু আগন্তুক ডুবাই কাৰ্নিভেলত তেওঁৰ কণ্ঠই নিশ্চয়কৈ অসমৰ নাম আৰু অধিক উজ্জ্বল কৰি তুলিব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে।

## জাননী দিলে এজনৰ নামত, মটৰ উঠাই নিলে আন এজনৰ

# লাহৰীঘাট বিদ্যুত উপসংমণ্ডলৰ এছডিঅ'ৰ আজৱ কাণ্ড

**অসম বাৰ্তা, ভুৰাগাঁও, ২৩ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বিদ্যুত উপ-সংমণ্ডলৰ এছডিঅ' গৰাকীৰ টোঘলকী কাণ্ডৰ বাবে আজি মৈৰাবাৰীৰ এজন বিদ্যুত গ্ৰাহকে জলা-কলা খাব লগা হয়। ঘটনাৰ বিৱৰণী মতে লাহৰীঘাট উপ-সংমণ্ডলৰ অন্তৰ্গত মৈৰাবাৰী লেংৰিবড়ী গাঁৱৰ গ্ৰাহক কমৰুজ জামানে ২০১৮ চনৰ পৰা এজন নিয়মীয়া গ্ৰাহক হিচাবে বিদ্যুত সেৱা লাভ কৰি আহিছে। এজন নিয়মীয়া গ্ৰাহক হিচাপে তেওঁৰ পঞ্জীয়ন নম্বৰ ১২৫০০০০৪৪৯২০ হয়। আজি তেওঁ ঘৰত নথকা অৱস্থাত উপ- সংমণ্ডলটোৰ এছদিঅ' গৰাকীয়ে তেওঁৰ বৈদ্যুতিক মটৰটো বিচ্ছিন্ন কৰি খুলি লৈ যায় কাৰ্যালয়লৈ। ২০১৮ চনৰ পৰা বৰ্তমানলৈ কোনো বিল দিবলৈ বাকী নথকাৰ পাছতো তেওঁৰ মটৰটো খুলি লৈ যোৱাত কমৰোজ জামানে মৈৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীক লগ কৰি মৌখিক অভিযোগ দিয়ে। ভাৰপ্ৰাপ্ত বিষয়া গৰাকীয়ে গ্ৰাহকজন থকা অৱস্থাতে এছডিঅ' গৰাকীক ফোন কৰি শবিশেষ সোধাতহে ওলাই পৰে উৰহী গছৰ ওৰ। প্ৰকৃততে কমৰোজ জামানৰ জব্দকৃত মটৰ টোৰ বিপৰীতে বিভাগীয় ভাগে যিখন জাননী দি থৈ গৈছিল সেই জাননীখন লিখা হৈছে আলাউদ্দিন নামৰ এজন কৃষকৰ নামতহে। নটিছ এজনৰ নামত দি মটৰ জব্দ কৰে আন এজনৰ। পৰৱৰ্তী সময়ত এছডিঅ' গৰাকীয়ে বিভিন্ন উজুহাত দেখুৱাই কমৰোজ জামানক দোষীসাব্যস্ত কৰাৰ চেষ্টা কৰে যদিও অৱশেষত তেওঁৰ প্ৰকৃত স্বৰূপ ওলাই পৰে। শেষত গ্ৰাহক কমৰোজ জামান লাহৰীঘাট বিদ্যুত উপসংমণ্ডললৈ যোৱাত তেওঁক মটৰটো ওভতাই দিয়ে। কিন্তু বিনা কাৰণত এজন গ্ৰাহকক এনেদৰে হাৰাশাস্তি কৰা কাৰ্যই ৰহস্যৰ সৃষ্টি কৰিছে।

## বোৱাৰী জীয়ৰী, ডেকাৰ মাজত বিভিন্ন পৰম্পাৰগত খেল অনুষ্ঠিত

# দেউৰী বিহুত সত্ৰপীঠ মাজুলীত উখল-মাখল পৰিৱেশ

**অসম বাৰ্তা, উজনী মাজুলী, ২৩ জানুৱাৰী ঃ** অসমৰ অন্যতম খিলঞ্জীয়া ভূমিপুত্ৰ দেউৰী জনগোষ্ঠীয়ে পৰম্পৰা অনুসৰি মাঘ মাহৰ প্ৰথম বুধবাৰে পালন কৰে মাঘ বিহুৰ উৰুকা আৰু বৃহস্পতিবাৰে বিহু। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীতো দেউৰী জনগোষ্ঠীটোৰ লোক সকলে উলহমালহেৰে হেঁপাহৰ মাঘ বিহু বা বিচু উদ্‌যাপন কৰে। মাজুলীৰ দেউৰী গাওঁ কেইখনত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মাঘ বিহু পালন কৰে। ব্যতিক্ৰম নহয় মাজুলীৰ পূব চিৰাম দেউৰী গাৱঁৰ লোকসকলো। এই গাঁওখনৰ লোক সকলে শুকানসুতি নদীৰ পাৰত আয়ম্বৰপূৰ্ণ ভাৱে দুদিনীয়াকৈ মাঘ বিহু উদযাপন কৰে। উৰুকাৰ নিশা সকলো ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, কণকণ ল'ৰা-ছোৱালী সকলো মিলি আনন্দৰে সকলোৱে এসাঁজ ভোজ ভাত খায় ভেলাঘৰত। ইফালে আজি বিহুৰ দিনা পুৱাই সু-উচ্চ আকাৰৰ কাঠৰ মেজি জ্বলাই মাজুলীৰ দেউৰী সকলে আজি উদযাপন কৰে মাঘ বিহু। মাঘ মাহৰ শুক্ল পক্ষৰ প্ৰথমটো বুধবাৰে দেউৰী সকলে মাঘ উৰুকা উদ্‌যাপন কৰাৰ পিছত আজি পুৱা মেজি জ্বলোৱা পৰ্ব সম্পন্ন কৰে। মাজুলীৰ পূব চিৰাম দেউৰী গাঁৱত সমূহ গাঁওবাসী একত্ৰিত হৈ শুকান সুতিৰ পাৰত মেজিৰ উম লোৱাৰ লগতে পশ্চিম চিৰাম দেউৰী আৰু মাজৰ দেউৰী গাৱতো দুদিনিয়াকৈ বিহু উদ্‌যাপন কৰে। দেৱালয়ত পূজাৰম্ভৰ পৰা এসপ্তাহ ধৰি বিহু-উৎসৱ উদযাপন কৰে। অৱশ্যে পূজা কেৱল প্ৰথম আৰু শেষৰ দিনাহে অনুষ্ঠিত হয়। দেউৰীসকলৰ মাজত প্ৰবাদ আছে যে বিহু উৎসৱৰ আদি স্ৰষ্টা স্বয়ং গিৰি-গিৰাচি। সেয়েহে মেজিৰ কাষত গিৰি-গিৰাচিক সুঁৱৰি মেজি জ্বলাই গাঁৱৰ মুখিয়াল জনে। মেজিৰ কাষত পৰম্পৰাগত বিহু নৃত্য কৰি গাঁৱৰ ডেকা-বুঢ়া, জীয়ৰী-বোৱাৰী সকলে আনন্দ ফুৰ্তি কৰে। বিয়লি বেলা দেউৰী জনগোষ্ঠিৰ ডেকা গাভৰু, বোৱাৰী সকলো মিলি বিহুনাচি ৰং ৰহইছ কৰাৰ লগতে দেউৰী সকলে পৰম্পৰাগত পানীয় চুজে আৰু গাহৰি মাংসৰ উপৰি পৰম্পৰাগত খাদ্যৰ জুতি লোৱা পৰিলক্ষিত হয়। গাঁওখনৰ ডেকা, মহিলাৰ পৰা বৃদ্ধলৈকে সকলোৱে মিলি কালি বিয়লি পৰম্পৰাগত ৰচী টনা, টেকেলি ভঙা, কাবাদী আদি খেল-ধেমালিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি গাঁৱৰ সকলোৱে মাজত সম্পিতীৰ এনাজৰীৰে বন্ধাৰ চেষ্টা কৰে।

# নগাঁৱত উদ্যান শস্যৰ প্ৰদৰ্শনী

**অসম বাৰ্তা, নগাঁও, ২৩ জানুৱাৰী ঃ** অসম উদ্যান সমিতি নগাঁও জিলা শাখাৰ উদ্যোগত কৃষি বিভাগ, অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ মাণ্ডলিক কৃষি গবেষণা কেন্দ্ৰ, চিলঙনি কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱৰ সহযোগত নগাঁৱৰ শ্বহীদ ভৱনত আজিৰে পৰা তিনি দিনীয়াকৈ উদ্যান শস্যৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উক্ত প্ৰদৰ্শনীত জিলা খনৰ বিভিন্ন ঠাইৰ কৃষকে উৎপাদন কৰা কৃষিজাত শস্যৰ প্ৰদৰ্শনী কৰা হয়। এইউপলক্ষে শ্বহীদ ভৱনৰ পেক্ষাগৃহত এক গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হয়। উক্ত সভাত মুখ্য



অতিথি হিচাপে উপস্থিত থাকে নগাঁও জিলা আয়ুক্ত দেবাশীষ শৰ্মা আৰু বিশিষ্ট নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা। আজিৰ এই প্ৰদৰ্শনী মুকলি কৰে নগাঁও জিলা আয়ুক্ত দেবাশীষ শৰ্মাই। উক্ত প্ৰদৰ্শনীত জিলা খনৰ প্ৰায় শতাধিক আদৰ্শ কৃষক আৰু নাৰ্ছাৰীয়ে অংশ গ্ৰহণ কৰে।

## কামৰূপ জিলা আয়ুক্তৰ এজন ঘনিষ্ঠ কৰ্মচাৰী ইয়াত জড়িতৰ অভিযোগ

# কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত এছেম্বলী ষ্টিকাৰ থকা এখন গাড়ীৰে বিদেশী সুৰা সৰবৰাহৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৩ জানুৱাৰী ঃ** কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সমীপত এছেম্বলী ষ্টিকাৰ লগোৱা এখন বিলাসী গাড়ীত বৃহৎ পৰিমাণৰ বিদেশী সুৰা প্ৰত্যক্ষ কৰা হয়। জানিব পৰা অনুসৰি, জিলা আয়ুক্তৰ ঘনিষ্ঠ বুলি জহাই ফুৰা দত্ত উপাধিৰ এজন কৰ্মচাৰীৰ নাম এই ঘটনাৰ সৈতে জড়িত হৈ আছে, যাৰ বিৰুদ্ধে সুৰা সৰবৰাহৰ লগতে ভূমি ক্ৰয় আৰু বিক্ৰীৰ বাবে অনুমতি পত্ৰ জাৰি কৰাত দুৰ্নীতিৰ গুৰুতৰ অভিযোগ আছে। এটা গোপন খবৰৰ ভিত্তিত এই খবৰটো উদঘাটন হৈছিল। কেইজনমান সাংবাদিকৰ তৎপৰটাত এই ঘটনাটো পোহৰলৈ আহিছিল। ঘটনা অনুসৰি স্থানীয় সাংবাদিক কেইজনমানে অলপতে সূত্ৰৰ পৰা পোৱা খবৰৰ ভিত্তিত AS 12 P 3292 নম্বৰৰ এখন ৰঙা ৰঙৰ চাৰিচকীয়া মাৰুতি চুজুকি চুইফ্‌ট গাড়ীত কেইবাটাও কাৰ্টন বিদেশী সুৰাৰে ভৰ্তি হৈ থকা প্ৰত্যক্ষ কৰি ইয়াৰ বিষয়ে গাড়ীৰ গৰাকীক সোধা পোছা কৰিছিল, যেতিয়া গাড়ীৰ চালকে বা গৰাকীয়ে তাৰ উত্তৰ দিয়াৰ পৰিবৰ্তে একপ্ৰকাৰে পলায়ন কৰিছিল। যাৰবাবে সেই সুৰাবোৰৰ চোৰাং সৰবৰাহৰ কথাটো স্পষ্টভাৱে দেখুৱাইছিল। আটাইতকৈ আশ্চৰ্যকৰ কথাটো হ'ল যে গাড়ীখনত অসম বিধানসভাৰ প্ৰৱেশ ষ্টিকাৰ লগোৱা আছিল, যিয়ে ইংগিত দিয়ে যে চোৰাং ব্যৱসায়ীসকলৰ ওপৰ মহলৰ সৈতে ভাল সম্পৰ্ক আছে। সূত্ৰই জনোৱা মতে, এই সুৰা সৰবৰাহৰ ঘটনাত জিলা আয়ুক্তৰ ঘনিষ্ঠ সহযোগী দত্ত উপাধীধাৰী এজনৰ কৰ্মচাৰীৰ নাম পোহৰলৈ আহিছে। এইটোও অভিযোগ কৰা হৈছে যে এই কৰ্মচাৰীজনে আত্মীয়ৰ বিবাহৰ অজুহাতত কাৰ্যালয়ৰ চৌহদত সুৰা আনিছিল বুলি উল্লেখ কৰে। সাংবাদিকসকল ঘটনাস্থলীত উপস্থিত হোৱাৰ পিছত, কৰ্মচাৰীজনে ব্যাখ্যা দিবলৈ চেষ্টা কৰিছিল, কিন্তু প্ৰমাণে তেওঁৰ বিৰুদ্ধে কথা কৈছিল। ইয়াৰ উপৰিও, উক্ত কৰ্মচাৰীজনৰ বিৰুদ্ধে আন কেইবাটাও গুৰুতৰ অভিযোগ আছে। অভিযোগ অনুসৰি, সঠিক সত্যাসত্য নিৰূপণ অবিহনে ভূমি ক্ৰয়-বিক্ৰীৰ বাবে অনুমতি পত্ৰ জাৰি কৰি তেওঁ ইয়াৰ পৰা বৃহৎ পৰিমাণৰ ধন উপাৰ্জন কৰাৰো গুৰুতৰ অভিযোগ আছে এইজন কৰ্মচাৰীৰ বিৰুদ্ধে। স্থানীয় লোকসকলে কয় যে এই কৰ্মচাৰীজনে দীৰ্ঘদিন ধৰি প্ৰশাসনিক প্ৰক্ৰিয়াৰ অপব্যৱহাৰ কৰি আহিছে, যাৰ ফলত বহুতো অসামাজিক উপাদান লাভান্বিত হৈছে। আয়ুক্তৰ কাৰ্যালয়ত ঘটনাৰ সময়ত উপস্থিত থকা একাংশ লোকে লগতে কয় যে, "কাৰ্যালয় চৌহদত এনে অনিয়ম পোহৰলৈ অহা এয়াই প্ৰথম নহয়। যাৰ বাবে আয়ুক্তক ওপৰোক্ত বিষয়ত নিৰপেক্ষ তদন্ত কৰিবলৈ আহ্বান জনাই তেওঁলোকে। ইয়াৰ লগতে সচেতন ৰাইজেও বিষয়টো গুৰুত্বসহকাৰে লৈ কামৰূপ জিলাৰ আয়ুক্ত তথা প্ৰশাসনিক বিষয়াসকলক ইয়াৰ তদন্ত কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি দোষীক উপযুক্ত শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়।

ৰাডাৰত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ; জন্মকুণ্ডলী ওলাব নিৰ্বাচনত

# জন্মসূত্ৰে বিহালীৰ যুৱকে লাভ কৰিব লাগিব বিজেপিৰ প্ৰাৰ্থিত্ব; সাংসদ ৰঞ্জিত দত্তৰ হুংকাৰ

**অসম বাৰ্তা, জিনজিয়া, ২৩ জানুৱাৰী ঃ** সমাগত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান মাহ বাকী থকা সময়ছোৱাতে ৭০ নং বিশ্বনাথ আৰু ৭১ নং বিহালী বিধানসভা সমষ্টিত বলিছে ধুমুহা। বিশেষকৈ শাসকীয় বিজেপিৰ দুৰ্গত পৰিণত হোৱা বিশ্বনাথ জিলাত প্ৰাৰ্থিত্ব আদায়ক লৈ আৰম্ভ হৈছে অনেক জল্পনা-কল্পনা। নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে, সিমানেই ৰাজ্যৰ সন্মানীয় ৭০ নং বিশ্বনাথ বিধানসভা সমষ্টিৰ দুটা কাৰ্যকালৰ বিজেপি বিধায়ক প্ৰমোদ বৰঠাকুৰৰ ৰাজনৈতিক ভৱিষ্যত তথা প্ৰাৰ্থিত্ব লাভৰ অংক জটিল হৈ পৰিছে। একপ্ৰকাৰে বিগত এটা দশক ৰাজ্য চৰকাৰৰ আঁচনি ৰূপায়ণেৰে সমষ্টিটোত উন্নয়নৰ গংগা বোৱাই থকা বুলি প্ৰচাৰ চলাই অহা বিধায়ক প্ৰমোদ বৰঠাকুৰে দৰাচলতে যে উন্নয়ন, প্ৰগতি আৰু বিকাশৰ নামত আভুৱা ভাৰি আহিছিল, সেই বাস্তৱ ছবিখন উন্মোচন হোৱাৰ পিছত প্ৰাৰ্থিত্ব লাভৰ আশংকাত কঁপিছে বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ। এনে পৰিস্থিতিৰ মাজতে শোণিতপুৰৰ সাংসদ তথা ৰাজ্যিক বিজেপিৰ জ্যেষ্ঠ নেতা ৰঞ্জিত দত্তই বিশ্বনাথৰ এক দলীয় সভাত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰৰ নাম উল্লেখ কৰি প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱাৰ কেতবোৰ ইংগিতপূৰ্ণ মন্তব্য কৰাত বিশ্বনাথৰ ৰাজনীতিত প্ৰাৰ্থিত্বকেন্দ্ৰিক ৰণাঙ্গনত বলিছে ধুমুহা। বিশ্বনাথত বিজেপিৰ যুৱ মৰ্চাই আয়োজন কৰা যুৱ সন্মিলনত অংশগ্ৰহণ কৰি ৰাজ্যিক বিজেপিৰ প্ৰাক্তন সভাপতি তথা শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্তই স্পষ্ট ভাষাৰে ৰাজহুৱা কৰি কয় যে বিজেপি দলত কেৱল পুৰণি হোৱা বাবে কোনেও টিকটৰ দাবীদাৰ হ'ব নোৱাৰে। বৰ্তমানৰ বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰৰ নাম উল্লেখ কৰি সাংসদ দত্তই কয়, "নেতৃত্বই আমাক চোকা দৃষ্টিৰে চাই আছে। প্ৰমোদ বৰঠাকুৰে কি কাম কৰিছে, সমষ্টিত কিধৰণে মানুহৰ মাজত সোমাইছে- ৰাষ্ট্ৰীয় নেতৃবৃন্দই সকলো দূৰবীণেৰে চাই আছে। ইয়াৰ পৰীক্ষা হ'ব আগন্তুক নিৰ্বাচনৰ সময়ত।" তদুপৰি, বিজেপিৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰঞ্জিত দত্তই কয় যে সমাগত ২০২৬ চনত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰৰ 'জন্ম কুণ্ডলী' আৰু ৰাজনৈতিক ভৱিষ্যত আমি দেখিবলৈ পাম। শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্তই এই ৰাজনৈতিক মন্তব্যৰে বিশ্বনাথৰ দুবাৰৰ বিধায়ক প্ৰমোদ বৰঠাকুৰৰ কাম-কাজত যে- ৰাজ্যিক বিজেপি আৰু কেন্দ্ৰীয় বিজেপিৰ শীৰ্ষ নেতৃত্ব সন্তুষ্ট নহয়, তাৰেই ইংগিত প্ৰদান কৰিছে নেকি বুলি বিশ্বনাথত চৰ্চা চলিছে। সাংসদ ৰঞ্জিত দত্তই এই বুলি উল্লেখ কৰে যে- সমাগত বিধানসভা নিৰ্বাচনৰ বেলিকা দলীয় প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত কঠোৰ পৰ্যবেক্ষণ চলাব দলটোৰ নেতৃত্বই। বিজেপি বহুত বেলেগ দল। কোন কেতিয়া ক'ত যাব, কোন ক'ত উফৰি পৰিব, কোনেও নাজানে- সাংসদ ৰঞ্জিত দত্তৰ এই মন্তব্যত স্পষ্ট হৈছে যে সমাগত ২০২৬ বিধানসভা নিৰ্বাচনৰ বেলিকা বিশ্বনাথত যুৱ প্ৰজন্মৰ নতুন মুখে প্ৰাৰ্থিত্ব লাভ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। বিশ্বনাথত অনুষ্ঠিত জিলা যুৱ মৰ্চাৰ যুৱ সন্মিলনত অংশগ্ৰহণ কৰি সাংসদ ৰঞ্জিত দত্তৰ এই মন্তব্যৰ আঁৰত বিশ্বনাথ সমষ্টিত তলে তলে চলি থকা প্ৰাৰ্থিত্বকেন্দ্ৰিক যুঁজখন যে তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক হৈ পৰিছে, তাৰ ইংগিত প্ৰদান কৰাই নহয়, বৰ্তমানৰ বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰক পৰোক্ষভাৱে নৱ প্ৰজন্মৰ প্ৰতিনিধিক আসন এৰি দিবলৈ আহ্বান জনাইছে নেকি বুলি প্ৰশ্ন উঠিছে। এক সূত্ৰৰ মতে, বিশ্বনাথ সমষ্টিত এইবাৰ প্ৰাৰ্থিত্বৰ বাবে শক্তিশালী দাবীদাৰ হিচাপে আগুৱাই আহিছে বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক তথা প্ৰাক্তন মন্ত্ৰী পল্লৱ লোচন দাস। তেওঁৰ সাংসদ হিচাপে আৰু মন্ত্ৰী হিচাপে পূৰ্বৰ অভিজ্ঞতা আছে। তদুপৰি বিশ্বনাথ বিজেপিৰ যুৱনেতা ভাস্কৰ হাজৰিকা, বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল, জ্যোতি চিত্ৰবনৰ অধ্যক্ষ বিদ্যাসাগৰ আৰু যুৱনেতা অঞ্জন (সোণ্টি) বৰাৰ নামো চৰ্চাত আছে। তাৎপৰ্যপূৰ্ণ বিষয়টো হ'ল- বিশ্বনাথত বিজেপিৰ মিত্ৰজোঁটৰ দল অসম গণ পৰিষদ হ'ব পাৰে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। ইতিমধ্যে বিজেপিৰ মিত্ৰদল অসম গণ পৰিষদৰ জ্যেষ্ঠ নেতা, প্ৰাক্তন মন্ত্ৰী তথা বিশ্বনাথৰ প্ৰাক্তন বিধায়ক প্ৰবীন হাজৰিকাই এইবাৰ সমষ্টিটো মিত্ৰজোঁটৰ ধৰ্ম ৰক্ষা কৰি অগপক এৰি দিবলৈ দাবী জনাইছে আৰু নিজৰ ৰণহুংকাৰ স্পষ্ট কৰিছে। অগপ নেতা তথা প্ৰাক্তন বিধায়ক প্ৰবীন হাজৰিকাই মিত্ৰধৰ্ম ৰক্ষা কৰি দুবাৰকৈ সমষ্টিটো বিজেপি দলক গতোৱাৰ পিছত এইবাৰ মিত্ৰধৰ্ম নীতি অনুসৰি অসম গণ পৰিষদক এৰি দিবলৈ দাবী কৰাই নহয়, সমষ্টিত ব্যাপক গণ সম্পৰ্ক অভিযান আৰম্ভ কৰিছে। আনহাতে, জ্যেষ্ঠ বিজেপি নেতা তথা সাংসদ ৰঞ্জিত দত্তই ৭১ নং বিহালী বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থিত্ব সন্দৰ্ভত কয় যে- বিজেপি দলেই ৪৫ বছৰীয়া নীতিন নবীনক ৰাষ্ট্ৰীয় সভাপতি দৰে গুৰু দায়িত্ব অৰ্পণ কৰিছে। একেদৰে ৩০ বছৰীয়া ৰাকেশ দাসক ৰাজ্যিক যুৱ মৰ্চাৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হৈছে। অনুৰূপ ধৰণে সমাগত ২০২৬ত অসম বিজেপি দলে অসমতো নতুন আৰু যুৱ মুখক অগ্ৰাধিকাৰ দিব। সাংসদ ৰঞ্জিত দত্তই নিজৰ সমষ্টি বিহালীৰ ক্ষেত্ৰত এক ডাঙৰ ঘোষণা কৰে। সাংসদ ৰঞ্জিত দত্তই কয় যে ২৫ বছৰ ধৰি তেওঁ প্ৰতিনিধিত্ব কৰা বিহালীত এইবাৰ নতুন মুখে টিকট পাব, কিন্তু চৰ্ত একটাই- প্ৰাৰ্থীগৰাকী বিহালীতে জন্মগ্ৰহণ কৰা আৰু স্থানীয়ভাৱে কাম কৰা ব্যক্তি হ'ব লাগিব। সাংসদ ৰঞ্জিত দত্তই সদৰি কৰিছে যে সমাগত ২০২৬ বিধানসভা নিৰ্বাচনত বিজেপি দলে বিহালীৰ বতাহ-পানী সেৱন কৰি ডাঙৰ-দীঘল হোৱা যুৱ প্ৰজন্মৰ প্ৰতিনিধিক প্ৰাৰ্থিত্ব প্ৰদান কৰিব লাগিব বুলি ৰাজ্যিক আৰু কেন্দ্ৰীয় নেতৃত্বক জনাই দিছোঁ। একপ্ৰকাৰে সাংসদ ৰঞ্জিত দত্তৰ গৃহ সমষ্টি বিহালীত নিজৰ পছন্দৰ স্থানীয় প্ৰাৰ্থীক প্ৰাৰ্থিত্ব প্ৰক্ষেপৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্যিক নেতৃত্বক হেঁচা প্ৰদান কৰিছে, সেয়া স্পষ্ট হৈছে। মন কৰিবলগীয়া বিষয়টো হ'ল- সমাগত ২০২৬ নিৰ্বাচনত প্ৰাৰ্থিত্বক লৈ বিজেপি দলৰ ভিতৰচ'ৰাত এক টনা-আঁজোৰা তীব্ৰ যুঁজ চলিব, সেয়া সাংসদ ৰঞ্জিত দত্তৰ ৰাজনৈতিক খৰধৰণিত স্পষ্ট হৈ পৰিছে। বিহালীৰ চাৰিবাৰৰ বিজেপি বিধায়ক তথা বৰ্তমানৰ সাংসদ ৰঞ্জিত দত্তই গৃহ সমষ্টি বিহালীৰ ৰাজনীতি নিজৰ হাতৰ মুঠিত ৰখাৰ প্ৰচেষ্টাৰে সমাগত ২০২৬ নিৰ্বাচনত তেওঁৰ নিজৰ পছন্দৰ প্ৰাৰ্থীক প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত এক অন্তৰ্শংকাত পৰিছে, যাৰ বাবে ৰাজ্যিক বিজেপি আৰু কেন্দ্ৰীয় বিজেপিৰ শীৰ্ষ নেতাক বিহালীৰ থলুৱা প্ৰাৰ্থী প্ৰদানৰ হেঁচা প্ৰয়োগ কৰিছে। হয়তো আগন্তুক বিধানসভা নিৰ্বাচনত বিহালী সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থী হিচাপে বহিংবিহালী সমষ্টিৰ যুৱ প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব লাভৰ সম্ভাৱনা আহি পৰিছে নেকি বুলিও ৰাজনৈতিক বিশে-যক মহলে প্ৰশ্ন উত্থাপন কৰিছে। ইপিনে সাংসদ ৰঞ্জিত দত্তই বিশ্বনাথ বিধানসভা সমষ্টিৰ বৰ্তমানৰ বিধায়ক প্ৰমোদ বৰঠাকুৰৰ ৰাজনৈতিক কাম-কাজ দলৰ শীৰ্ষ নেতৃত্বই লক্ষ্য কৰি আছে বুলি কৰা বিস্ফোৰক মন্তব্যৰ পিছত বিশ্বনাথৰ ৰাজনৈতিক মহলত চৰ্চা হৈছে যে- এইবেলি সঁচাকৈয়ে "উফৰি পৰিব" নেকি বৰ্তমানৰ বিধায়ক প্ৰমোদ বৰঠাকুৰৰ দলীয় টিকট? যদি বিশ্বনাথত বৰ্তমানৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে প্ৰাৰ্থিত্ব লাভ নকৰে, তেন্তে কোনে লাভ কৰিব বিজেপি দলৰ প্ৰাৰ্থিত্ব সেইয়া সময়ত স্পষ্ট হ'ব।

# দেশক গ্ৰাম্য অৰ্থনীতিক শক্তিশালী কৰাৰ বাবে ভি.বি.জি. ৰামজি ২০২৫ নতুন আঁচনি

## পূৰ্বৰ এশ দিনৰ ঠাইত ১২৫ দিন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ জানুৱাৰী ঃ** মহাত্মা গান্ধীৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (চমুকৈ এম জি এনৰেগাৰ নতুন নাম "বিকশিত ভাৰত-নিশ্চিত ৰোজগাৰ আৰু আজীবিকা মিছন (গ্ৰামীণ)", চমুকৈ ভি বি-জি ৰাম জি, ২০২৫ গঠন কৰা হৈছে। এই উদ্দেশ্যে দেশৰ গ্ৰাম্য অৰ্থনীতিক গতিশীল কৰা আৰু গ্ৰাম্য পৰিয়ালসমূহক স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে গঠন কৰা হৈছে ভি বি-জি ৰাম জি ২০২৫। সংসদৰ শেহতীয়া শীতকালীন অধিৱেশনত সদনত গৃহীত হোৱাৰ পাছত ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ প্ৰদানেৰে বিধেয়কখন ইতিমধ্যে আইনত পৰিণত হৈছে। এই আইনখনে নিৰন্তৰ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰি গ্ৰাম্য জীৱনশৈলীলৈ এক আমূল পৰিৱৰ্তন কঢ়িয়াই আনিব। নতুন আঁচনিখনৰ মুখ্য উদ্দেশ্য হৈছে ২০৪৭ চনত "বিকশিত ভাৰত"ৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গ্ৰাম্য ক্ষেত্ৰৰ সৰ্বাঙ্গীণ বিকাশ সাধন কৰা লগতে দক্ষতাৰ প্ৰয়োজন নোহোৱা কামৰ বাবে নিশ্চিত নিয়োগ প্ৰদান, স্থানীয় পৰিকল্পনাৰ অন্তৰ্ভুক্তি, কৃষি উৎপাদনশীলতা আৰু শ্ৰমিকৰ সুৰক্ষাৰ মাজত ভাৰসাম্য ৰক্ষা কৰি গ্ৰাম্য উন্নয়ন, নিয়োগ সৃষ্টি আৰু গ্ৰাম্য বাসিন্দাৰ জীৱিকাৰ মান উন্নত কৰাই ইয়াৰ প্ৰধান লক্ষ্য। পূৰ্বৰ এম জি এনৰেগাত বছৰি ১০০ দিনৰ নিশ্চিত নিয়োগৰ ব্যৱস্থা আছিল যদিও নতুন ভি বি-জি ৰাম জিত এই সময়সীমা ২৫ শতাংশ বৃদ্ধি কৰি ১২৫ দিন কৰা হৈছে। যদি কোনো যোগ্য ব্যক্তিক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কাম দিয়া নহয়, তেন্তে বাধ্যতামূলক নিবনুৱা ভাট্টা প্ৰদানৰ বিধিগত ব্যৱস্থা আছে। এইটো এটা গুৰুত্বপূৰ্ণ সামাজিক সুৰক্ষা ব্যৱস্থা যিয়ে গ্ৰামীণ পৰিয়ালৰ জীৱিকা সুৰক্ষিত কৰাত সহায় কৰিব। একেদৰে মজুৰি আদায়ত পলম হ'লে বিলম্বতাৰ ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলত ধনাদায় প্ৰক্ৰিয়া সময়োপযোগী আৰু স্বচ্ছ হ'ব আৰু তৃণমূল পৰ্যায়ত শ্ৰমিকৰ স্বাৰ্থৰ সুৰক্ষা নিশ্চিত কৰা হ'ব। সামগ্ৰিকভাৱে, নতুনকৈ সংশোধিত ভি বি-জি ৰাম জিৰ জৰিয়তে নিয়োগৰ নিশ্চয়তা বৃদ্ধি, স্থানীয় পৰিকল্পনাৰ সংযোজন, কৃষি উৎপাদনশীলতাৰ লগতে শ্ৰমিকৰ সুৰক্ষাৰ মাজত ভাৰসাম্য ৰক্ষা কৰা, আঁচনিসমূহৰ অভিসৰণ আৰু শাসন ব্যৱস্থাৰ আধুনিকীকৰণৰ জৰিয়তে বিকশিত ভাৰতৰ গ্ৰাম্য আন্তঃগাঁথনি শক্তিশালী হোৱা লগতে গ্ৰাম্য বাসিন্দাৰ জীৱন আৰু জীৱিকাৰ মান উন্নত হ'ববুলি-সকলোৰে কামনা কৰা হৈছে বুলি আঁচনি খনত উল্লেখ কৰি আজি সংবাদমেল সম্বোধন কৰি ডিব্ৰুগড় জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া ৰঞ্জিত কোঁৱৰে আঁচনিখনৰ বিষয়ে বিতংকৈ অৱগত কৰে।

কেইবাগৰাকীও জ্যেষ্ঠ চিকিৎসক উপস্থিত

# ডিব্ৰুগড়ত চৰকাৰী পেঞ্চনাৰ সন্থাৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ জানুৱাৰী ঃ** ডিব্ৰুগড়ত চৰকাৰী পেঞ্চনাৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা পষেকীয়া কাৰ্য্যসূচীৰ মতে আজি বিনামুলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ, দিনৰ ১১ বজাৰ পৰা, ডিব্ৰুগড় লায়ন্স ক্লাবৰ সৌজন্যত অনুষ্ঠিত কৰা হয়। এই স্বাস্থ্য শিবিৰৰ শুভ উদ্বোধন কৰে, অসম চিকিৎসা মহাবিদ্যালয়ৰ অস্থিৰোগ বিভাগৰ সহযোগী অৱসৰপ্ৰাপ্ত অধ্যাপক ডাঃ গৌৰী শঙ্কৰ বৰগোহাঁইয়ে। স্বাস্থ্য শিবিৰ পৰিচালনা কৰে ডাঃ ভিক্তৰ তপ্ন, ডাঃ গৌতম বৰুৱা, ডিব্ৰুগড় লায়ন্স ক্লাবৰ মাণ্ডলিক সভাপতি ৰক্তিম গগৈ, ডিব্ৰুগড় লায়ন্স ক্লাবৰ সভাপতি মলয় চক্ৰৱতী চক্ৰৱৰ্তী, ডিব্ৰুগড় লায়ন্স ক্লাবৰ গ্ৰেটাৰ উপ সভানেত্ৰী গীতা বৰুৱা আৰু ডিব্ৰুগড় লায়ন্স ক্লাবৰ সম্পাদক সঞ্জীৱ চেটাৰ্জী। ডিব্ৰুগড় পেঞ্চনাৰ সন্থাৰ সম্পাদক মৃদুল শৰ্মাই আঁতধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে ডিব্ৰুগড় চৰকাৰী পেঞ্চনাৰ শাখাৰ সভাপতি দিলীপ কুমাৰ দাসে। সহযোগিতা আগবঢ়ায় কোষাধ্যক্ষ দীপক কুমাৰ নেওঁগ আৰু বৃকোদৰ দাসে। প্ৰায় পঞ্চাছ জনৰো অধিক লোকক ব্লাড চুগাৰ, প্ৰেছাৰ, ইউৰিক এচিদ আদিকে ধৰি বিভিন্ন পৰীক্ষা কৰাৰ লগতে বিনামুলীয়া ঔষধ বিতৰণ কৰা হয়।

# ৰূপহীহাটৰ আমবাগানত গাঞ্জাসহ গ্ৰেপ্তাৰ ১



**অসম বাৰ্তা, ৰূপহীহাট, ২৩ জানুৱাৰী ঃ** আমবাগান আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি আজি দুপৰীয়া আমবাগানৰ দক্ষিণ ভোমোৰাগুৰিত গাঞ্জাৰ বিৰুদ্ধে চলাই অভিযান। আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জাসহ এটা সৰবৰাহকাৰীৰ গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ধৃত সৰবৰাহকাৰীটোৰ পৰা উদ্ধাৰ কৰে ১ কেজি ৪৮০ গ্ৰাম ওজনৰ গাঞ্জা। ধৃত গাঞ্জা সৰবৰাহকাৰীটো হ'ল ৰূপহীহাটৰ ভুৰবন্ধাৰ পঞ্চু চৌধুৰী। উক্ত সৰবৰাহকাৰীটোয়ে কেইবাবাৰও গাঞ্জাসহ গ্ৰেপ্তাৰ হৈছিল। আমবাগান আৰক্ষীয়ে ধৃত গাঞ্জা সৰবৰাহকাৰীটোক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

# নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৯তম্ জন্মজয়ন্তীত ঠেলামৰাত বিশাল সাংস্কৃতিক শোভাযাত্ৰা



**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৩ জানুৱাৰী ঃ** নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৯ তম জন্মজয়ন্তীৰ সৈতে সংগতি ৰাখি বাঙালী পৰিষদ অসম, শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত আৰু ঠেলামৰা কালিবাড়ীৰ সহযোগত আজি শোণিতপুৰ জিলাৰ অন্তৰ্গত ঠেলামৰাত এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাখনে সমগ্ৰ ঠেলামৰা অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। উক্ত সাংস্কৃতিক শোভাযাত্ৰাৰ আজি শুভ উদ্বোধন কৰে ৬৬নং বৰছলা বিধানসভা সমষ্টিৰ মাননিয় বিধায়ক গণেশ কুমাৰ লিম্বুৱে। উদ্বোধনী ভাষণত বিধায়ক লিম্বুৱে দেশমাতৃৰ স্বাধীনতাৰ বাবে নেতাজী সুভাষ চন্দ্ৰ বসুৰ ত্যাগ, আদৰ্শ আৰু দেশপ্ৰেমক স্মৰণ কৰি নতুন প্ৰজন্মক তেওঁৰ আদৰ্শ অনুসৰণ কৰিবলৈ আহ্বান জনায়। শোভাযাত্ৰাত নেতাজীৰ জীৱন আৰু কৰ্মক প্ৰতিফলিত কৰা বিভিন্ন সাংস্কৃতিক দল, দেশাত্মবোধক গান, নৃত্য আৰু বৰ্ণাঢ্য পৰম্পৰাগত সাজ-পোছাকেৰে অংশগ্ৰহণ কৰা শিল্পীসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক আকৰ্ষণীয় কৰি তোলে। শোভাযাত্ৰাখনত অঞ্চলটোৰ বিপুল সংখ্যক ৰাইজে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। আজিৰ এই অনুষ্ঠানত বাঙালী পৰিষদ অসমৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বনতোষ মিত্ৰ, কেন্দ্ৰীয় সম্পাদক ৰজত কান্তি ৰায়, শোণিতপুৰ জিলা সভাপতি শতদল চৌধুৰীৰ লগতে সংগঠনৰ অন্যান্য বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। তেওঁলোকে সকলোৰে নেতাজীৰ আদৰ্শক সমাজ জীৱনত বাস্তৱায়িত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এইদৰে নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্মজয়ন্তী উপলক্ষে আয়োজিত সাংস্কৃতিক শোভাযাত্ৰাই ঠেলামৰাত দেশপ্ৰেম আৰু ঐক্যৰ এক অনন্য নিদৰ্শন দাঙি ধৰে।

ৰাইজৰ দান-বৰঙণি আৰু বিধায়ক পুঁজিৰ সহায়ত হ'ব মন্দিৰৰ পুনৰ নিৰ্মাণ

# ঢেকীয়াজুলিৰ শ্ৰীশ্ৰী মহাশ্মশান কালী মন্দিৰৰ পুনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কেবিনেট মন্ত্ৰী অশোক সিংহলৰ



**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৩ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি পৌৰসভাৰ ২নং ৱাৰ্ডত অৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰী মহাশ্মশান কালী মন্দিৰৰ পুনৰ নিৰ্মাণৰ উদ্দেশ্যে আজি এক গুৰুত্বপূৰ্ণ আধাৰশিলা স্থাপন অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংহলে আনুষ্ঠানিকভাৱে মন্দিৰ পুনৰ নিৰ্মাণ কাৰ্য্যৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে ১৯৩১ চনত ঢেকীয়াজুলি পৌৰসভাৰ ২ নং ৱাৰ্ডত স্থাপন কৰা এই শ্ৰীশ্ৰী মহাশ্মশান কালী মন্দিৰখন অঞ্চলবাসীৰ আস্থা, ভক্তি আৰু ধৰ্মীয় বিশ্বাসৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে পৰিচিত। বহু দশকৰ ইতিহাস বহন কৰা এই মন্দিৰখন সময়ৰ লগে লগে জৰাজীৰ্ণ অৱস্থালৈ গতি কৰাত ৰাইজৰ বহুদিনীয়া দাবীৰ পৰিপ্ৰেক্ষিততে পুনৰ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এইবেলি ৰাইজৰ দান-বৰঙনিৰ লগতে বিধায়ক পুঁজিৰ আৰ্থিক সহায়ত মন্দিৰখন আটকধুনীয়া আৰু আধুনিক ৰূপত পুনৰ নিৰ্মাণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰী অশোক সিংহলে কয় যে ধৰ্মীয় তথা সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাটো বৰ্তমানৰ চৰকাৰৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব আৰু এনে ঐতিহাসিক মন্দিৰ পুনৰ নিৰ্মাণে সামাজিক ঐক্য সুদৃঢ় কৰিব। আজিৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি দেৱজিৎ ডেকা, যুটীয়া সম্পাদক দ্বয় ক্ৰমে দীপক শ্বা আৰু জয়ন্ত পাঠক, ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক ধনু তপ্ন, ভাৰতীয় জনতা পাৰ্টিৰ ঢেকীয়াজুলি আঞ্চলিক সমিতিৰ সভাপতি কাজু দীপ, সমাজকৰ্মী অমিত বনিকক ধৰি বহুতো বিশিষ্ট ব্যক্তি, স্থানীয় গণ্যমান্য নাগৰিক আৰু ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে। অনুষ্ঠানটো ভক্তিমূলক পৰিৱেশত অনুষ্ঠিত হোৱাৰ লগতে সমগ্ৰ অঞ্চলত আনন্দ আৰু উৎসাহৰ পৰিৱেশ দেখা যায়।

একলাখ আশী হাজাৰ কুইণ্টেল ধান কিনাৰ লক্ষ্য কৃষি বিভাগৰ

# ঢেকিয়াজুলি আৰু বৰছলা ধান ক্ৰয় কেন্দ্ৰত কৃষক ৰাইজৰ ভিৰ

## কৃষকসকলক প্ৰতি কুইণ্টলত ২৫৬৯ টকা দৰত চৰকাৰী সংস্থাকহে ধান বিক্ৰীৰ আহ্বান

**ষ্টাফ ৰিপৰ্টাৰ, ঢেকীয়াজুলি, ২৩ জানুৱাৰী ঃ** খাদ্য আৰু অসামৰিক যোগান নিগমৰ জৰিয়তে অসম চৰকাৰে বিগত বৰ্ষ সমূহত ধানক্ৰয় কৰাৰ সামন্তৰালভাৱে এইবছৰো শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি আৰু বৰছলা ধানক্ৰয় কেন্দ্ৰত বিগত ২০২৫ বৰ্ষৰ ৩ ডিচেম্বৰৰ পৰা কৃষকৰ ধানক্ৰয় প্ৰক্ৰিয়া আৰম্ভ কৰিছে। উল্লেখ্য যে বিগত বৰ্ষৰ ৩ ডিচেম্বৰত শোণিতপুৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে এই ধানক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন কৰিছিল। য'ত উপস্থিত আছিল ঢেকীয়াজুলি সম-জিলাৰ আয়ুক্ত দুতিভা বৰা, জিলা কৃষি বিভাগৰ সহ-সঞ্চালক মনোজ নাৰ্জাৰীৰ, মহকুমা কৃষি বিষয়া ড° জাকিৰ হুছেইন, অসম খাদ্য আৰু অসামৰিক যোগান নিগম পৰিসীমিতৰ জিলা প্ৰবন্ধক কালিচৰন কলিতা, জেষ্ঠ্য কৃষি উন্নয়ন বিষয়া তথা আচঁনিখনৰ জিলা নডেল বিষয়া অজিৎ পাঠক, জেষ্ঠ্য কৃষি উন্নয়ন বিষয়া ইন্দু প্ৰাঞ্জল বৰা, কৃষি উন্নয়ন বিষয়া পংকজ বৰ্মন, জিলা মিডিয়া বিশেষজ্ঞ বিতোপন শইকীয়া, খাদ্য আৰু অসামৰিক যোগান নিগম পৰিসীমিতৰ বিষয়া মৃদুল ডেকা, এপাৰ্টৰ দেৱশ্ৰী বিশ্বাস আৰু সংশ্লিষ্ট বিষয়ববীয়াসকলৰ লগতে কৃষি বিভাগৰ বিষয়া সকল। এইবেলি ঢেকীয়াজুলি ধানক্ৰয় কেন্দ্ৰৰ জৰিয়তে ৮০ হাজাৰ কুইণ্টল আৰু বৰছলা ধানক্ৰয় কেন্দ্ৰৰ জৰিয়তে একলাখ কুইণ্টল ধান ক্ৰয় কৰাৰ লক্ষ্যৰে ইতিমধ্যে ঢেকীয়াজুলি আৰু বৰছলা ধানক্ৰয় কেন্দ্ৰই ধান ক্ৰয় কৰি আছে। উৎপাদিত ধান প্ৰতিকুইণ্টলত ২৫৬৯টকা দামত চৰকাৰে নিৰ্ধাৰণ কৰাত এই উচিত মূল্য লাভ কৰি উৎফুল্ল হৈ পৰিছে ঢেকীয়াজুলি আৰু বৰছলাৰ কৃষক সমাজ আৰু অসম চৰকাৰৰ এনে পদক্ষেপক শলাগ লৈছে কৃষক সমাজে। চাৰি-পাঁচ বছৰ পূৰ্বে গাৰ ঘাম মাটিত পেলাই উৎপাদন কৰা ধানৰ উচিত মূল্য নাপাই হাহাকাৰ কৰিবলগীয়া হৈছিল কৃষক সমাজে কিন্তু বিগত ২০২০-২১ বৰ্ষৰে পৰা খাদ্য আৰু অসামৰিক যোগান নিগমৰ জৰিয়তে অসম চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপত আৰ্থিক ভাৱে সঁকাহ লাভ কৰিছে বুলি জানিব দিয়ে ঢেকীয়াজুলি আৰু বৰছলা ধানক্ৰয় কেন্দ্ৰত ধান বিক্ৰী কৰাবলৈ অহা কৃষক ৰাইজে। অসম চৰকাৰৰ এই ব্যতিক্ৰমী পদক্ষেপক শলাগ লয় কৃষক ৰাইজে। শোণিতপুৰ জিলাৰ পাঁচটাকৈ ধানক্ৰয় কেন্দ্ৰত চলিত বৰ্ষৰ জুন মাহলৈকে কৃষকৰ উৎপাদিত ধান ক্ৰয় কৰি থকা হ'ব বুলি জানিব দিয়ে ঢেকীয়াজুলি আৰু বৰছলা ধানক্ৰয় কেন্দ্ৰৰ পৰিচালক মৃদুল ডেকাই আৰু কৃষকসকলক প্ৰতি কুইণ্টলত ২৫৬৯ টকা দৰত চৰকাৰী সংস্থাকহে ধান বিক্ৰীৰ আহ্বান জনায়। দালাল চক্ৰৰ কবলত নপৰি চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া ধানৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২৫৬৯ টকা দৰত চৰকাৰী সংস্থাকহে ধান বিক্ৰী কৰিবলৈ আহ্বান জনাই। উল্লেখ্যযে ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনিৰ অধীনত বিগত বৰ্ষ সমূহৰ দৰে এইবছৰো কৃষকসকলৰ উৎপাদিত ধান উচিত মূল্যত ক্ৰয়ৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই মাৰ্গদৰ্শনেৰে অসমৰ বিভিন্ন ধান ক্ৰয় কেন্দ্ৰৰ লগতে শোণিতপুৰ জিলাতো কৃষকৰ ধান ক্ৰয়ৰ ব্যৱস্থা গ্ৰহণ কৰিছে। শোণিতপুৰ জিলা কৃষি বিভাগ, জিলা প্ৰশাসনৰ সহযোগত ভাৰতীয় খাদ্য নিগম (FCI), অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ জৰিয়তে বিভিন্ন ঠাইত ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰি প্ৰতি কুইণ্টলত ২৫৬৯ টকা দৰত কৃষকৰ পৰা ইতিমধ্যেই ধান ক্ৰয় আৰম্ভ কৰিছে। উল্লেখ্য যে- এই বৰ্ষত শোণিতপুৰ জিলাৰ পাঁচটা ধান ক্ৰয় কেন্দ্ৰৰ ঢেকীয়াজুলি ধানক্ৰয় কেন্দ্ৰ, বৰছলা ধানক্ৰয় কেন্দ্ৰত, মিছামাৰী ধানক্ৰয় কেন্দ্ৰ আৰু জামুগুৰি ধানক্ৰয় কেন্দ্ৰৰ লগতে ভাৰতীয় খাদ্য নিগমৰ বিন্দুগুৰি ধানক্ৰয় কেন্দ্ৰতো ধান ক্ৰয়ৰ লক্ষ্য বান্ধি লৈছে বুলি জানিব দিয়ে ধানক্ৰয় কেন্দ্ৰৰ পৰিচালক মৃদুল ডেকাই। চৰকাৰে কৃষকৰ ধান উচিত মূল্যত ক্ৰয় কৰাত উপকৃত হৈছে শ শ কৃষক। চৰকাৰৰ এই পদক্ষেপক একাংশ কৃষকে প্ৰশংসা কৰিছে। কিয়নো বিগত সময়ত কৃষক সকলে ধান উচিত মূল্য নাপাই লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত উচিত মূল্যত ধান বিক্ৰী কৰিব পাৰি কৃষকৰ মুখত হাঁহি বিৰিঙিছে।

# নগাঁৱত ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন



**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ জানুৱাৰী ঃ** নগাঁও চহৰৰ হয়বৰগাঁও লাওখোৱাপথস্থিত বিষ্ণুজ্যোতি উপপথত "এ কে ক্ৰিকেট কচিং চেণ্টাৰ"নামৰ এটা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰ যোৱা ২২ জানুৱাৰীৰ সন্ধিয়া আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। নৱাগত ক্ৰিকেট খেলুৱৈ আৰু ক্ৰিকেট অনুৰাগীকে ধৰি অৰ্দ্ধ শতাধিক লোকৰ উপস্থিতিত ফিতা কাটি কেন্দ্ৰটি শুভ উদ্বোধন কৰে ৰঞ্জি ট্ৰফীৰ প্ৰাক্তন খেলুৱৈ বিচিত্ৰ বৰুৱাই। উল্লেখ্য যে, এইখনেই হ'ব নগাঁৱৰ প্ৰথম দিবা-নৈশ প্ৰশিক্ষণ কেন্দ্ৰ। ক্ৰিকেটাৰ, প্ৰশিক্ষক অৰ্পণ কুমাৰ কাশ্যপে তেওঁৰ নিজ গৃহতে স্থাপন কৰা এই প্ৰশিক্ষণ কেন্দ্ৰটিত ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলে ৮৪০২০৯৬৫০৯ ফোন নম্বৰত যোগাযোগ কৰি প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰিব বুলি জানিবলৈ দিছে। পৰৱৰ্তী সময়ত প্ৰশিক্ষণ কেন্দ্ৰটোত বলিং মেচিনৰ সহায়ত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি জানিব পৰা গৈছে।

# পথালিপাহাৰত অসম প্ৰদেশ কংগ্ৰেছ কমিটি বিহপুৰীয়া আৰু নাৰায়ণপুৰ ব্লক কংগ্ৰেছৰ উদ্যোগত মাণ্ডলিক কৰ্মী সন্মিলন

**অসম বাৰ্তা, বান্দৰদেৱা, ২৩ জানুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ (APCC) উদ্যোগত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ২০ জানুৱাৰী, ২০২৬-ৰ পৰা ২৮ জানুৱাৰী, ২০২৬ লৈ ৰাজ্যৰ বিভিন্ন স্থানত মাণ্ডলিক কৰ্মী সন্মিলনৰ আয়োজন কৰি আহিছে। আগন্তুক নিৰ্বাচনৰ বাবে তৃণমূল পৰ্যায়ত দলীয় সংগঠন শক্তিশালী কৰা আৰু ভোটাৰৰ সৈতে পোনপটীয়া সংযোগ স্থাপন কৰা এই সন্মিলনৰ মুখ্য উদ্দেশ্য আছিল। আজি লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰস্থিত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অনুষ্ঠিত হোৱা মাণ্ডলিক কৰ্মী সন্মিলন খনত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ লগতে জেষ্ঠ নেতাসকলে অংশগ্ৰহণ কৰি কৰ্মীসকলক সম্বোধন কৰে। সভাত নিবনুৱা সমস্যা, মূল্যবৃদ্ধি আৰু ভূমি অধিকাৰৰ দৰে স্থানীয় তথা ৰাজ্যিক ওপৰত আলোকপাত কৰে। উক্ত সভাত লখিমপুৰ, ধেমাজি, মাজুলী আৰু বিশ্বনাথ জিলাৰ প্ৰায় ১০ হেজাৰ কংগ্ৰেছ কৰ্মী সমবেত হোৱা পৰিলক্ষিত হয়।

# অসমীয়াকে সামৰি ১১টা ধ্ৰুপদী

ভাষাৰ প্ৰায় ২, ৩০০খন গ্ৰন্থ আৰু পাণ্ডুলিপি সংৰক্ষণ কৰা হৈছে। অসমীয়া ভাষাকো এই সন্মানজনক সংগ্ৰহত অন্তৰ্ভুক্ত কৰা হৈছে। ৰাষ্ট্ৰপতি ভৱনৰ এক বিবৃতিত জনোৱা হৈছে যে এই সংকলনত তামিল, সংস্কৃত, কানাড়া, তেলুগু, মালয়ালম, ওড়িয়া, মাৰাঠী, পালি, প্ৰাকৃত, অসমীয়া আৰু বাংলা ভাষাৰ গ্ৰন্থসমূহ স্থান পাইছে। এই গ্ৰন্থ আৰু পাণ্ডুলিপিবোৰে ভাৰতৰ চহকী সাংস্কৃতিক, দাৰ্শনিক, সাহিত্যিক আৰু বৌদ্ধিক ঐতিহ্যক প্ৰতিফলিত কৰে। 'গ্ৰন্থ কুটীৰ' (শাস্ত্ৰ পুথিভঁৰাল)ত ধ্ৰুপদী ভাষাসমূহত ৰচিত ভাৰতৰ সংবিধানৰ লগতে মহাকাব্য, দৰ্শন, ভাষাবিজ্ঞান, ইতিহাস, শাসনব্যৱস্থা, বিজ্ঞান আৰু ভক্তিমূলক সাহিত্যৰ দৰে বিভিন্ন বিষয়ৰ ৰচনা সন্নিবিষ্ট কৰা হৈছে। প্ৰায় ৫০খন হাতেৰে লিখা পাণ্ডুলিপিৰ লগতে কলপাত, কাগজ, বাকলি আৰু কাপোৰৰ দৰে পৰম্পৰাগত সামগ্ৰীত ৰচিত গ্ৰন্থসমূহো এই সংগ্ৰহৰ অংশ।

সম্পাদকীয়

# ব্ৰহ্মপুত্ৰৰ বুকুত অসমীয়া যুৱশক্তিৰ বিজয়স্তম্ভ

বহুদিন ধৰি অসমৰ সমাজ জীৱনত এটা কথা পুনৰাবৃত্তি হৈ আহিছে- বৃহৎ নিৰ্মাণকাৰ্যত আমাৰ যুৱকসকল অপাৰগ, শাৰীৰিক শ্ৰমত তেওঁলোকৰ অনীহা, গতিকে বাহিৰৰ শ্ৰমিকৰ ওপৰত নিৰ্ভৰ কৰাটো বাধ্যতামূলক। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ নিৰ্মাণক্ষেত্ৰই আজি এই কলংকিত আৰু ভ্ৰান্ত ধাৰণাক আমাৰ মগজুৰ পৰা খেদি পঠিয়াইছে। ব্ৰহ্মপুত্ৰৰ বুকুত সজা এই সংযোগসূত্ৰটো কেৱল ইটা-বালিৰে গঠিত দলঙেই নহয়; ই হৈছে অসমীয়া যুৱকৰ অদম্য মনোবল, কঠোৰ পৰিশ্ৰম আৰু অভূতপূৰ্ব দক্ষতাৰ নিদৰ্শন।

উজনিৰ শদিয়া, ডিব্ৰুগড়ৰ পৰা নামনিৰ ধুবুৰী, নলবাৰীলৈকে, ৰাজ্যৰ বিভিন্ন কোণৰ পৰা অহা শত শত স্থানীয় যুৱকে এই প্ৰকল্পৰ কেন্দ্ৰস্থলত নিজৰ শ্ৰম বিলাই আছে। তেওঁলোকৰ মূৰৰ ঘাম, হাতৰ বল আৰু চকুৰ সপোন এই দলংখনৰ প্ৰতিটো স্তম্ভ ৰ লগত জড়িত হৈ পৰিছে। প্ৰকল্পত জড়িত যুৱকসকলৰ মাতত থকা গৌৰৱে তেওঁলোকে প্ৰমাণ কৰি দেখুৱাইছে যে 'অসমীয়া যুৱকে কঠিন কাম কৰিব নোৱাৰে' বুলি কোৱা কথাটোৱেই আটাইতকৈ ডাঙৰ মিছা কথা। ইয়াৰোপৰি, ৰাজ্যৰ ভিতৰতে এনে গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিত কাম কৰাটোৱে তেওঁলোকক আত্মসন্মান আৰু স্থায়ী উন্নতিৰ পথো দেখুৱাইছে। আনহাতে, সাধাৰণ মানুহৰ মনত এটা প্ৰশ্ন উঠিব পাৰে- এই যুৱশক্তিৰ সফলতাক ৰাজ্যজুৰি অন্যান্য কামতো একে ধৰণে ব্যৱহাৰ কৰিব পৰা নাযাব নেকি? বিত্ত, উদ্যোগ আদি অন্য ক্ষেত্ৰতো নেকি এই আত্মবিশ্বাসেৰে আগবাঢ়িব পৰা নহ'ব নেকি? নিশ্চয় পাৰিব। কাৰণ, এই দলং নিৰ্মাণৰ সপোন আছিল দীৰ্ঘদিনীয়া। আজি সেই সপোন বাস্তৱ ৰূপ লোৱাটো কেৱল চৰকাৰৰ দূৰদৰ্শিতাৰেই নহয়, স্থানীয় জনশক্তিৰ সক্ষমতাৰো এক উজ্জ্বল পৰিচয়। ৮.৪ কিলোমিটাৰ দৈৰ্ঘৰ এই মহাপ্ৰকল্প যেতিয়া ৰাইজৰ সেৱাত উচৰ্গা হ'ব তেতিয়া কেৱল যাতায়াতৰ সময় আৰু দূৰত্বই পৰিৱৰ্তন নহ'ব, অসমীয়াৰ 'কৰি দেখুৱাওঁ' বুলি কোৱা মনোভাৱৰ শক্তিকো বিশ্বাসৰ ভেটিত গঢ়ি তুলিব।

গতিকে, ব্ৰহ্মপুত্ৰৰ বুকুত ওলমি থকা এই দলংখন হ'ব এটা প্ৰেৰণাৰ উৎস। ইয়াৰ প্ৰতিটো কেবল, প্ৰতিটো তাৰে আমাৰ যুৱকসকলৰ অক্লান্ত পৰিশ্ৰমৰ গান গাই থাকিব। এই প্ৰকল্পই সোঁৱৰাই দিয়াক যে, অসমৰ উন্নয়নৰ ভেটি মজবুত কৰিব পৰাকৈ সক্ষম যুৱশক্তি আমাৰ নিজৰ মাটিৰ ভেটিতেই আছে। আমাৰ আত্মবিশ্বাস আৰু শ্ৰমেই হ'ব আমাৰ ভৱিষ্যত গঢ়াৰ সবাতোকৈ শক্তিশালী স্তম্ভ।

## ৰাষ্ট্ৰীয় কন্যা শিশু দিৱসৰ তাৎপৰ্য আৰু গুৰুত্ব

সম্পাদকলৈ চিঠি

কন্যা শিশু সকল হৈছে আমাৰ বংশৰ গৌৰৱ। কন্যা সন্তানৰ অবিহনে ঘৰখন শূন্য যেন অনুভৱ হয়। বংশ ৰক্ষা হয় সেই কন্যা সন্তানৰ দ্বাৰাই। কন্যা শিশু এখন মহান আৰু প্ৰগতিশীল সমাজৰ ভৱিষ্যত। অথচ কন্যা সন্তানৰ প্ৰতি আজিৰ সময়তো দূৰ হোৱা নাই বিভেদ, দূৰ হোৱা নাই নেতিবাচক চিন্তাধাৰা। যিয়ে সমাজৰ প্ৰগতিত বাধাৰ সৃষ্টি কৰিছে। কিয়নো, কন্যা সন্তানৰ প্ৰতি অবিচাৰ বা বিদ্বেষ ভাব প্ৰদৰ্শন কৰি সমাজ এখন সঠিক দিশত কেতিয়াও আগবাঢ়িব নোৱাৰে। কন্যা সন্তানৰ প্ৰতি কৰি অহা অন্যায়, অবিচাৰ আদি অন্ত পেলাই পুত্ৰ সন্তানৰ সমানে দেশৰ কন্যা শিশু সকলৰ অধিকাৰ, শিক্ষা সন্তানৰ মৰ্যাদা, ন্যায্যপ্ৰাপ্তি তথা সুৰক্ষা আদি দিশ সমূহৰ প্ৰতি সজাগতা আনিবৰ উদ্দেশ্যে ২০০৮ চনত মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে (Ministry Of Women And Child Development)এই দিৱস পালনৰ পোষকতা কৰে আৰু ২০০৮ চনৰ পৰা প্ৰতি বছৰে ২৪ জানুৱাৰী দিনটোত 'ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস' উদ্‌যাপন কৰি আহিছে। ভাৰতত প্ৰতি বছৰে ২৪ জানুৱাৰী দিনটোত পালন কৰি অহা এই দিৱসে মহিলা সৱলীকৰণ তথা তেওঁলোকৰ অধিকাৰৰ বিষয়ে সজাগতা বিয়পোৱাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে। উল্লেখ্য যে, ১৯৬৬ চনৰ ২৪ জানুৱাৰীত ইন্দিৰা গান্ধীয়ে দেশৰ প্ৰথম গৰাকী মহিলা প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। এগৰাকী কন্যা সন্তানে দেশৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হোৱাৰ দিনটো দেশৰ কন্যা সকলৰ নামত উৎসৰ্গিত কৰি প্ৰতি বছৰে ২৪ জানুৱাৰী দিনটোত 'ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস' পালন কৰা হয়। কন্যা শিশু সকলৰ অধিকাৰ আৰু বিকাশৰ বাবে উৎসৰ্গিত ই এটা বিশেষ গৌৰৱৰ দিন, ভাৰতত ৰাষ্ট্ৰীয় ভাৱে ছোৱালীৰ বাবে উৎসৰ্গিত এটা দিন।

কন্যা সন্তান সকলক পূৰ্ণ মানৱ সত্ত্বা ৰূপে প্ৰতিষ্ঠিত কৰিবলৈ হ'লে এনে ধৰণৰ সজাগতামূলক দিৱসৰ লগতে বৰ্তমানৰ প্ৰজন্মই কন্যা সন্তানৰ অধিকাৰ, সুৰক্ষা, গুৰুত্ব তথা দায়িত্ব সম্পৰ্কে সজাগ হোৱাটো অতিশয় প্ৰয়োজনীয় বিষয় হৈ পৰিছে। উপযুক্ত শিক্ষা প্ৰদানেৰে প্ৰতিগৰাকী কন্যা শিশুক একো -একো গৰাকী সু-নাগৰিক ৰূপে গঢ় দিয়াৰ ক্ষেত্ৰত আমি প্ৰত্যেকেই দায়বদ্ধ হোৱাটো সময়ৰ এক আহ্বান। কন্যা শিশুক সমাজৰ মূল সুঁতিলৈ অনা আৰু তেওঁলোকৰ বাবে এক সুৰক্ষিত পৰিৱেশ নিশ্চিত কৰাটো এই দিৱস পালনৰ আন এটা উদ্দেশ্য। এই দিনটোত সমগ্ৰ দেশতে লিংগ সজাগতা শিবিৰ আৰু আলোচনা চক্ৰৰ আয়োজন কৰা হয়, য'ত কন্যা শিশুৰ বাবে এক সুস্থ আৰু সুৰক্ষিত পৰিৱেশ প্ৰদানৰ ওপৰত গুৰুত্বৰ আলোকপাত কৰা হয় তথা চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সমূহ উপস্থাপন কৰা হয়। ২০২৫ বৰ্ষৰ কন্যা শিশু দিৱসৰ বিষয় বস্তু হৈছে এক উজ্জ্বল ভৱিষ্যতৰ বাবে কন্যা শিশুক (সন্তানক) শক্তিশালী কৰি তোলা। চৰকাৰে ৰাজ্যত বিভিন্ন পদক্ষেপৰ মাজেৰে কন্যা শিশু সকলৰ সপোন বাস্তৱায়িত কৰাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে। চৰকাৰ কন্যা শিশু সকলৰ উজ্জ্বল ভৱিষ্যত প্ৰদানৰ ব্যৱস্থা শক্তিশালী কৰি তুলিবলৈ বদ্ধ পৰিকৰ।

কন্যা শিশু সকলৰ আছে ভৱিষ্যতৰ ভাৰতবৰ্ষক আগুৱাই লৈ যোৱাৰ সক্ষমতা। সেয়ে তেওঁলোকক মানৱীয় প্ৰমূল্যবোধেৰে ভৰা এখন পক্ষপাতমুক্ত পৰিৱেশৰ মাজেৰে আগুৱাই লৈ যোৱাটো আমাৰ সকলোৰে নৈতিক দায়িত্ব হোৱা উচিত। উল্লেখ্য যে, এই একেটা দিনতে ৰাষ্ট্ৰীয় কন্যা দিৱস আৰু ৰাষ্ট্ৰীয় শিক্ষা দিৱস সমান্তৰালকৈ উদ্‌যাপিত হয়, যিটো দেশৰ শিক্ষা আৰু মহিলা সৱলীকৰণৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ। কেৱল দিৱস পালনেই সকলো নহয়। কন্যা সন্তানৰ সুৰক্ষা, সুবিধা-অসুবিধা, সুৰক্ষা আদি সকলো দিশত চকু দিয়া প্ৰয়োজন। ৰাষ্ট্ৰীয় কন্যা শিশু দিৱসত প্ৰতি গৰাকী কন্যা শিশুক শুভেচ্ছা জ্ঞাপনৰ লগতে তেওঁলোকৰ সৱলীকৰণ আৰু সু-শিক্ষাৰ পণ লওঁ আহক।

*নিবেদিতা হাজৰিকা*
*ঠিকনা : লখিমপুৰ*

শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰতো সংকট গভীৰ। বিদ্যালয় বন্ধ, শিক্ষানুষ্ঠান ব্যক্তিগতকৰণ, মাচুল বৃদ্ধি, মাদ্ৰাছা বন্ধ, এইবোৰে দুখীয়া আৰু প্ৰান্তীয় সমাজক শিক্ষাৰ পৰা বঞ্চিত কৰিছে। আদৰ্শ বিদ্যালয়ৰ নামত শিক্ষা ব্যৱস্থাক বাণিজ্যিক পণ্যলৈ ৰূপান্তৰ কৰা হৈছে। শিক্ষাৰ এই বাণিজ্যিকীকৰণে ভৱিষ্যৎ প্ৰজন্মৰ চিন্তাশক্তি আৰু সমালোচনামূলক মনোভাৱ ধ্বংস কৰে। সংস্কৃতিৰ ক্ষেত্ৰতো একধৰণৰ একমাত্ৰবাদী দৃষ্টিভংগী আৰোপ কৰা হৈছে। প্ৰান্তীয় ভাষা, লোকসংস্কৃতি আৰু ভিন্ন মতাদৰ্শক দমন কৰি একেটা আদৰ্শ জাপি দিয়াৰ চেষ্টা চলিছে। ই ভাৰতীয় বহুত্ববাদী সংস্কৃতিৰ বাবে ভয়ংকৰ সংকেত।

# সাম্প্ৰদায়িকতা, কৰ্পোৰেটৰ আগ্ৰাসন আৰু বিপন্ন নাগৰিক অধিকাৰ

আফতাদ বাঁহমূৰীয়া

বিশ্বখ্যাত ভাৰতীয় চিন্তাবিদ অমৰ্ত্য সেনৰ এষাৰ কথা আজিৰ ভাৰতবৰ্ষৰ বাবে কেৱল উদ্ধৃতি নহয়, ই এক গভীৰ ৰাজনৈতিক সত্য। তেখেতে কৈছিল- "যি সমাজত মানুহে কথা ক'বলৈ ভয় কৰে, তাত গণতন্ত্ৰ নাই।" স্বাধীনতাৰ ৮৯ বছৰৰ পাছত আৰু ৭৭ সংখ্যক গণতন্ত্ৰ দিৱসৰ মুহূৰ্তত ভাৰত আজি ঠিক সেইখিনিতে থিয় হৈ আছে, য'ত মানুহে কথা ক'বলৈ ভয় কৰে, প্ৰশ্ন সুধিবলৈ সংকোচবোধ কৰে আৰু অন্যায় সহ্য কৰাকেই স্বাভাৱিক বুলি মানি ল'বলৈ বাধ্য হৈছে। আনুষ্ঠানিকভাৱে ভাৰত এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ যদিও বাস্তৱ ক্ষেত্ৰত গণতন্ত্ৰৰ মৌলিক স্তম্ভসমূহ একে একে ভাঙি পৰিছে। নিৰ্বাচন অনুষ্ঠিত হোৱাই গণতন্ত্ৰৰ প্ৰমাণ নহয়। গণতন্ত্ৰৰ প্ৰমাণ হৈছে নাগৰিকৰ বাকস্বাধীনতা, সমালোচনাৰ অধিকাৰ, সংবিধানিক সুৰক্ষা আৰু সামাজিক ন্যায়।



বৰ্তমান ভাৰতত গণতন্ত্ৰৰ সংকট কেৱল ৰাজনৈতিক নহয়, ই গভীৰভাৱে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক। অৰ্থনৈতিক ক্ষেত্ৰত দেশত বৈষম্যই ভয়ংকৰ ৰূপ লৈছে। World Inequality Report-এ দেখুৱাইছে যে দেশৰ শীৰ্ষ এক শতাংশ লোকৰ হাততেই মুঠ সম্পদৰ বৃহৎ অংশ অৰ্থাৎ ৪০.১ শতাংশ কেন্দ্ৰীভূত হৈছে, আনফালে কৃষক, শ্ৰমিক আৰু মধ্যবিত্ত শ্ৰেণী ঋণৰ বোজাত ডুব গৈছে। থমাছ পিকেটীকে ধৰি অৰ্থনীতিবিদসকলৰ গৱেষণাৰ পৰা দেখা গৈছে যে ভাৰতৰ শীৰ্ষ ১ শতাংশ লোকৰ হাতত কৰ পূৰ্বৰ আয়ৰ ২২.৬ শতাংশ আৰু মুঠ সম্পদৰ ৪০.১ শতাংশ (২০২২-২৩) আছে, যিটো বিশ্বজুৰি সৰ্বাধিক ঘনত্বৰ ভিতৰত অন্যতম। আটাইতকৈ আকৰ্ষণীয় কথাটো হ'ল এই যে আটাইতকৈ ধনী ০.০০১ শতাংশ (১০, ০০০তকৈ কম লোক) ভাৰতৰ তলৰ আধা (প্ৰায় ৪৬ কোটি লোক)ৰ প্ৰায় তিনিগুণ ধন নিয়ন্ত্ৰণ কৰে। এই একাগ্ৰতাৰ বাবে গৱেষকসকলে ভাৰতৰ বৰ্তমানৰ অৰ্থনৈতিক গাঁথনিক "কোটিপতি ৰাজ (পুঁজিপতিৰ শাসন)" বুলি বৰ্ণনা কৰিছে, য'ত চৰম ধন-সম্পত্তিৰ সৈতে ব্যাপক দৰিদ্ৰতাৰ সহাৱস্থান। Concern Worldwide আৰু Welt Hunger Hilfe সংস্থাৰ মতে Global Hunger Index 2025ত ভাৰতৰ ১২৩খন দেশৰ মাজত ১০২ নম্বৰত। কৃষি খণ্ডত ঋণগ্ৰস্ততাৰ বাবে প্ৰতিবছৰে হাজাৰ হাজাৰ কৃষকে আত্মহত্যা কৰিব লগা হৈছে, অথচ চৰকাৰে কৃষি ঋণ মাফ কৰাৰ ক্ষেত্ৰত সদিচ্ছা দেখুৱা নাই। তাৰ বিপৰীতে আম্বাণী-আদানীৰ দৰে বৃহৎ কৰ্পোৰেট গোষ্ঠীৰ হাজাৰ হাজাৰ কোটি টকাৰ বেংক ঋণ ৰেহাই দিয়া হৈছে। এইনীতি স্পষ্টভাৱে দেখুৱায় যে শাসন ব্যৱস্থা জনমুখী নহয়, ই কৰ্পোৰেটমুখী।

এই কৰ্পোৰেট তোষামোদৰ অংশ হিচাপে বিমানবন্দৰ, বন্দৰ, ৰেল, কয়লা খনি, বিদ্যুৎ খণ্ডৰ দৰে ৰাজহুৱা সম্পত্তি ব্যক্তিগতকৰণ কৰি কেইজনমান পুঁজিপতিক বিক্ৰী কৰা হৈছে। হাজাৰ হাজাৰ বিঘা মাটি এটকা বিঘাত বিক্ৰী কৰি আছে। যি সম্পত্তি ৰাইজৰ আছিল সেয়া আজিৰ তাৰিখত ৰাইজৰ হাতৰ পৰা আঁতৰি গৈছে। এই প্ৰক্ৰিয়াক উন্নয়ন বুলি প্ৰচাৰ কৰা হয় যদিও বাস্তৱত ই ৰাইজৰ সম্পদৰ সংগঠিত লুণ্ঠন। অৰ্থনৈতিক শোষণৰ এই ৰূপে গণতন্ত্ৰৰ ভিতৰখন খালি কৰি পেলাইছে। কিয়নো অৰ্থনৈতিক ন্যায় অবিহনে ৰাজনৈতিক গণতন্ত্ৰ অৰ্থহীন।

এই অৰ্থনৈতিক সংকটৰ সমান্তৰালভাৱে বাকস্বাধীনতা আৰু লেখা-মেলাৰ স্বাধীনতাও ভয়ংকৰভাৱে সংকুচিত হৈছে। ভাৰতীয় সংবিধানৰ ১৯(১)(ক) অনুচ্ছেদে নাগৰিকক বাকস্বাধীনতাৰ অধিকাৰ নিশ্চিত কৰিছে যদিও বাস্তৱ ক্ষেত্ৰত এই অধিকাৰ দিনক দিনে সংকুচিত হৈ আহিছে। কবিতা লিখা, প্ৰবন্ধ লিখা, সামাজিক মাধ্যমত মত প্ৰকাশ কৰা বা চৰকাৰী নীতিৰ সমালোচনা কৰাৰ বাবেই মানুহক জেললৈ প্ৰেৰণ কৰা হৈছে। বহু লেখক, শিল্পী আৰু বুদ্ধিজীৱী আজিৰ ভাৰতত আত্ম-নিয়ন্ত্ৰণ অৱলম্বন কৰিবলৈ বাধ্য হৈছে। এই আত্ম-নিয়ন্ত্ৰণ ফেচিবাদী শাসনৰ অন্যতম লক্ষণ।

সংবাদ মাধ্যম, যাক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়, সেয়াও আজি ভাঙি পৰিছে। Reporters Without Borders-ৰ World Press Freedom Index 2025 অনুসৰি সংবাদ মাধ্যমৰ স্বাধীনতাৰ ক্ষেত্ৰত ভাৰতৰ স্থান ১৮০খন দেশৰ ভিতৰত ১৫১ নম্বৰত। সংস্থাটোৱে ভাৰতক "অতি গম্ভীৰ পৰিস্থিতি" শ্ৰেণীত অন্তৰ্ভুক্ত কৰিছে। Free Speech Collectiveৰ প্ৰতিবেদন অনুসৰি ২০২৫ চনত ভাৰতত চৈধ্য হাজাৰতকৈ অধিক বাকস্বাধীনতা লংঘনৰ ঘটনা নথিভুক্ত হৈছে। এইবোৰৰ ভিতৰত সাংবাদিকৰ ওপৰত আক্ৰমণ, সংবাদ সেন্সৰশ্বিপ, কণ্টেণ্ট ব্লক আৰু প্ৰশাসনিক হেঁচা অন্তৰ্ভুক্ত হৈছে। পেগাছাছ চোৰাংচোৱা কাণ্ডই দেখুৱাই দিলে যে শাসকীয় শক্তিয়ে সাংবাদিক, বিজ্ঞানী আৰু বিৰোধী নেতাৰ ওপৰত নীতি বহিৰ্ভূতভাৱে চোৰাংচোৱাগিৰী চলাইছে। সংবাদ মাধ্যম আজি জনতাৰ কণ্ঠস্বৰ হোৱাৰ পৰিৱৰ্তে শাসকীয় প্ৰচাৰ যন্ত্ৰলৈ ৰূপান্তৰিত হৈছে।

এই সকলোবোৰৰ মাজতে বিজেপি-আৰএছএছৰ সাম্প্ৰদায়িক ৰাজনীতি এক মুখ্য অস্ত্ৰ হৈ উঠিছে। ধৰ্মক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি জনসাধাৰণক বিভাজিত কৰা হৈছে। মুছলমান সমাজক সচেতনভাৱে পাকিস্তানী, জেহাদী, দেশবিৰোধী বুলি আখ্যা দি হাৰাশাস্তি কৰা হৈছে। এনকাউণ্টাৰ, ঘৰ ভাঙি উচ্ছেদ, এনআৰচি আৰু কাৰ নামত আতংকৰ পৰিৱেশ সৃষ্টি কৰা হৈছে। এই নীতিসমূহে মুছলমান সমাজক দ্বিতীয় শ্ৰেণীৰ নাগৰিকলৈ ৰূপান্তৰ কৰিছে। খ্ৰীষ্টান সমাজৰ ওপৰত ধৰ্মান্তৰকৰণৰ মিছা অভিযোগত আক্ৰমণ বৃদ্ধি পাইছে। দলিত শ্ৰেণী আজিও সামাজিক বৈষম্য, অত্যাচাৰ আৰু অসমতাৰ সন্মুখীন হয়। Human Rights Watch আৰু Amnesty Internationalৰ প্ৰতিবেদনসমূহে স্পষ্ট কৰি দিছে যে ভাৰতত সংখ্যালঘু আৰু প্ৰান্তীয় সমাজৰ ওপৰত মানৱ অধিকাৰ লংঘনৰ ঘটনা বৃদ্ধি পাইছে। উন্নয়নৰ নামত চলোৱা উচ্ছেদ অভিযানসমূহ এই মানৱ অধিকাৰ লংঘনৰ নগ্ন উদাহৰণ। অসমসহ দেশৰ বিভিন্ন প্ৰান্তত চৰ-চাপৰি, বনাঞ্চল আৰু গৰীব বসতিত উচ্ছেদ চলাই মানুহক গৃহহীন কৰা হৈছে। এই উচ্ছেদসমূহত পুনৰ্বাসনৰ কোনো সুস্পষ্ট ব্যৱস্থা নাথাকে। গৰীব মানুহৰ ঘৰ ভাঙি উন্নয়নৰ ঢোল বজোৱা এই শাসন ব্যৱস্থাই গণতন্ত্ৰৰ মৌলিক নীতিকেই অস্বীকাৰ কৰিছে।

শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰতো সংকট গভীৰ। বিদ্যালয় বন্ধ, শিক্ষানুষ্ঠান ব্যক্তিগতকৰণ, মাচুল বৃদ্ধি, মাদ্ৰাছা বন্ধ, এইবোৰে দুখীয়া আৰু প্ৰান্তীয় সমাজক শিক্ষাৰ পৰা বঞ্চিত কৰিছে। আদৰ্শ বিদ্যালয়ৰ নামত শিক্ষা ব্যৱস্থাক বাণিজ্যিক পণ্যলৈ ৰূপান্তৰ কৰা হৈছে। শিক্ষাৰ এই বাণিজ্যিকীকৰণে ভৱিষ্যৎ প্ৰজন্মৰ চিন্তাশক্তি আৰু সমালোচনামূলক মনোভাৱ ধ্বংস কৰে। সংস্কৃতিৰ ক্ষেত্ৰতো একধৰণৰ একমাত্ৰবাদী দৃষ্টিভংগী আৰোপ কৰা হৈছে। প্ৰান্তীয় ভাষা, লোকসংস্কৃতি আৰু ভিন্ন মতাদৰ্শক দমন কৰি একেটা আদৰ্শ জাপি দিয়াৰ চেষ্টা চলিছে। ই ভাৰতীয় বহুত্ববাদী সংস্কৃতিৰ বাবে ভয়ংকৰ সংকেত।

ইতিহাস পুনৰ্লিখনৰ প্ৰচেষ্টাও এই একমাত্ৰবাদী ৰাজনীতিৰ অংশ। পাঠ্যপুথিৰ পৰা গান্ধীৰ হত্যাকাৰী নাথুৰাম গডছেৰ কঠোৰ সমালোচনা আঁতৰোৱা, মোগল যুগক একপাক্ষিকভাৱে বিকৃত কৰা এইবোৰে ইতিহাসক সাম্প্ৰদায়িক দৃষ্টিভংগীৰ অধীনত ৰাখিবলৈ চেষ্টা কৰা হৈছে। সংবিধান সলনি কৰাৰ কথা খোলাখুলিকৈ কোৱা হৈছে। সংৰক্ষণ ব্যৱস্থা, সংখ্যালঘুৰ অধিকাৰ আৰু ফেডাৰেল কাঠামো দুৰ্বল কৰাৰ প্ৰচেষ্টা চলিছে। সংবিধান সলনি মানে কেৱল আইনী সংশোধন নহয়, ইয়াত গণতন্ত্ৰৰ আত্মাকেই সলনি কৰা হ'ব।

এই সকলোবোৰ পৰিস্থিতিয়ে স্পষ্ট কৰি দিছে যে ভাৰতৰ গণতন্ত্ৰ গভীৰ সংকটত। বিজেপি-আৰএছএছৰ সাম্প্ৰদায়িক ৰাজনীতি আৰু কৰ্পোৰেট তোষণে দেশৰ গণতান্ত্ৰিক কাঠামো ক্ষয় কৰিছে। এই সময়ত নীৰৱতা মানে সহযোগিতা। সংবিধান, নাগৰিক অধিকাৰ, সামাজিক ন্যায় আৰু বহুত্ববাদ ৰক্ষাৰ বাবে সংগঠিত আৰু সচেতন যুঁজেই একমাত্ৰ পথ। ইতিহাসে নিশ্চয় সুধিব- এই সময়ত আমি কি কৰিলোঁ? প্ৰশ্ন এতিয়াও একেই ৰৈ যায়- ভাৰতত প্ৰকৃতাৰ্থত গণতন্ত্ৰ আছেনে?

## নেতাজীৰ দূৰদৰ্শিতাপূৰ্ণ দৃষ্টি

# এক ঐক্যবদ্ধ, শক্তিশালী ভাৰত

সত্যব্ৰত বৰা

নেতাজী সুভাষ চন্দ্ৰ বসুৰ স্বাধীন ভাৰতৰ প্ৰতি আছিল এক বিশাল, বহুমুখী আৰু গভীৰ দূৰদৰ্শিতাপূৰ্ণ দৃষ্টিভংগী। কেৱল ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ পৰাই মুক্তিৰ কথা ভবা নাছিল তেওঁ। তেওঁ এনে এটা জাতিৰ কল্পনা কৰিছিল য'ত ৰাজনৈতিক স্বাধীনতাৰ লগতে অৰ্থনৈতিক ন্যায়, সামাজিক সমতা, ধৰ্মনিৰপেক্ষতা, শক্তিশালী শাসন ব্যৱস্থা, আধুনিক শিক্ষা আৰু যুৱ-নাৰীৰ সবলীকৰণ সকলো একেলগে থাকিব। তেওঁৰ চিন্তাধাৰা আছিল জাতীয়তাবাদ আৰু সমাজবাদৰ এক অনন্য সংমিশ্ৰণ।



তেওঁৰ মূল লক্ষ্য আছিল পূৰ্ণ স্বাধীনতা লাভ কৰাৰ। নেতাজীয়ে কোনো আপোচ বা ডমিনিয়ন ষ্টেটাছৰ ৰূপত গ্ৰহণ কৰিব নিবিচাৰিছিল স্বাধীনতা। তেওঁ বিশ্বাস কৰিছিল যে অহিংসাৰ পথৰে ব্ৰিটিছ সাম্ৰাজ্যক সম্পূৰ্ণৰূপে পৰাস্ত কৰাটো অসম্ভৱ। গান্ধীজীৰ অহিংসাৰ নীতিক সন্মান কৰিলেও নেতাজীৰ মতে স্বাধীনতাৰ বাবে সশস্ত্ৰ সংগ্ৰাম, ত্যাগ আৰু সাহস অপৰিহাৰ্য। এই বিশ্বাসৰ পৰাই তেওঁ ভাৰতীয় জাতীয় সেনা (INA) গঠন কৰিছিল। INA-ৰ সেনাসকল বিভিন্ন ধৰ্ম, জাতি আৰু অঞ্চলৰ পৰা আহিছিল। "জয় হিন্দ", "দিল্লী চলো"ৰ দৰে শ্ল'গানে লাখ লাখ ভাৰতীয়ক অনুপ্ৰাণিত কৰিছিল। তেওঁৰ বিখ্যাত উক্তি "তোমালোকে মোক তেজ দিয়া, মই তোমালোকক স্বাধীনতা দিমে" তেওঁৰ অদম্য সংকল্পকে প্ৰতিফলিত কৰে। স্বাধীনতাক ভিক্ষাৰে নহয়, সাহস আৰু সংগঠিত শক্তিৰে দখল কৰিব লাগিব বুলি দৃঢ়ভাৱে বিশ্বাস কৰিছিল নেতাজীয়ে।

অৰ্থনৈতিক দৃষ্টিভংগীত নেতাজী আছিল এক দৃঢ় সমাজবাদী। তেওঁ বিশ্বাস কৰিছিল যে ৰাজনৈতিক স্বাধীনতা অৰ্থহীন যদিহে অৰ্থনৈতিক বৈষম্য, দাৰিদ্ৰ্য আৰু শোষণ অব্যাহত থাকে। তেওঁৰ মতে ভাৰতৰ প্ৰধান সমস্যাসমূহ যেনে দাৰিদ্ৰ্য, শিক্ষাৰ অভাৱ, ৰোগ আৰু সম বিতৰণৰ অভাৱ কেৱল সমাজবাদী পথেৰেহে সমাধান কৰিব পাৰি। তেওঁ ছোভিয়েট ইউনিয়নৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ পৰা প্ৰেৰণা লৈছিল। ভাৰততো ৰাষ্ট্ৰীয় পৰিকল্পিত অৰ্থনীতিৰ পোষকতা কৰিছিল তেওঁ। ১৯৩৮ চনত হৰিপুৰা কংগ্ৰেছ অধিৱেশনত তেওঁ ঔদ্যোগীকৰণৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দি কৈছিল যে আমাৰ দেশখন আগুৱাই যোৱাৰ একমাত্ৰ পথ হৈছে ঔদ্যোগীকৰণ। কিন্তু ইয়াৰ ক্ষতিকাৰক দিশসমূহ হ্ৰাস কৰি কুটীৰ শিল্পক ৰক্ষা কৰিব লাগিব। লোহা-ইস্পাত, খনি, যোগাযোগ, বেংকিং আদি মূল উদ্যোগসমূহ ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণত ৰখাৰ পক্ষপাতী আছিল তেওঁ। তেওঁৰ ফৰৱাৰ্ড ব্লকৰ মেনিফেষ্টোতো ৰাষ্ট্ৰীয়কৰণ, ভূমি সংস্কাৰ আৰু শ্ৰমিক-কৃষকৰ স্বাৰ্থ সুৰক্ষাৰ কথা স্পষ্টভাৱে উল্লেখ আছিল। স্বাধীন ভাৰতত ধন-সম্পত্তিৰ ন্যায্য বিতৰণ, সকলোৰে বাবে সমান সুযোগ আৰু সকলোৰে কল্যাণ হোৱাতে কামনা কৰিছিল নেতাজীয়ে।

জাতীয় ঐক্য আছিল তেওঁৰ দৃষ্টিভংগীৰ কেন্দ্ৰবিন্দু। তেওঁ ধৰ্ম, জাতি, ভাষা বা আঞ্চলিকতাৰ নামত হ'ব পৰা বিভাজনক ভাৰতৰ বাবে সৰ্ববৃহৎ ভাবুকি বুলি গণ্য কৰিছিল। তেওঁ এনে এখন ধৰ্মনিৰপেক্ষ ভাৰতৰ সপোন দেখিছিল য'ত সকলো ধৰ্মৰ প্ৰতি নিৰপেক্ষতা থাকিব। INA-ত হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টান সকলোৱে একেলগে যুঁজিছিল। "জয় হিন্দ" শ্ল'গানে সকলোকে একত্ৰিত কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে সংকীৰ্ণ পৰিচয়তকৈ জাতিৰ সামূহিক স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজন অধিক। তেওঁ ৰাষ্ট্ৰীয় গান বা পতাকা নিৰ্বাচনো সকলো ধৰ্মৰ মানুহৰ বাবে গ্ৰহণযোগ্য হ'ব লাগিব বুলি জোৰ দিছিল। আজিৰ ধৰ্মীয় বিভাজনৰ প্ৰচেষ্টা চলি থকাৰ সময়ত নেতাজীৰ ঐক্যৰ আদৰ্শ অধিক প্ৰাসংগিক হৈ পৰিছে।

নেতাজীয়ে ভাৰতবৰ্ষৰ সংগ্ৰামক বিশ্বৰ সাম্ৰাজ্যবাদ বিৰোধী যুদ্ধৰ অংশ বুলি চিনাক্ত কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাৰ্মানী আৰু জাপানৰ দৰে অক্ষশক্তিৰ সৈতে সহযোগিতা কৰি তেওঁ ব্ৰিটিছক পৰাস্ত কৰাৰ চেষ্টা কৰিছিল। এই সিদ্ধান্ত বিতৰ্কিত যদিও তেওঁৰ উদ্দেশ্য স্পষ্ট আছিল। সেইটো হ'ল সকলো সম্ভাব্য সুযোগ ব্যৱহাৰ কৰি ভাৰতক স্বাধীনতা প্ৰদান কৰা। তেওঁ বিশ্বাস কৰিছিল যে স্বাধীন ভাৰতে বিশ্ব মঞ্চত নিজৰ স্থান ল'ব পাৰিব আৰু মানৱ কল্যাণৰ সৈতে জড়িত হ'ব পাৰিব।

শাসন ব্যৱস্থাৰ ক্ষেত্ৰত তেওঁ শক্তিশালী, কেন্দ্ৰীভূত চৰকাৰৰ পক্ষপাতী আছিল। স্বাধীনতাৰ পিছৰ প্ৰাৰম্ভিক বছৰবোৰত স্থিতিশীলতা আৰু দ্ৰুত অগ্ৰগতিৰ বাবে অনুশাসিত নেতৃত্বৰ প্ৰয়োজন আছে বুলি তেওঁ ভাবিছিল। মুস্তাফা কামাল আটাতুৰ্ক আৰু গাৰিবাল্ডিৰ দৰে নেতাৰ পৰা প্ৰেৰণা লৈ তেওঁ বিশ্বাস কৰিছিল যে প্ৰথমতে শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তেহে দেশ গঢ়ি তুলিব লাগিব। পিছত ধীৰে ধীৰে গণতান্ত্ৰিক ব্যৱস্থালৈ পৰিৱৰ্তন কৰিব পৰা যাব। তেওঁ এনে এক ফেডাৰেল ৰিপাব্লিকৰ কথা কৈছিল য'ত ৰাজ্যসমূহে স্বেচ্ছায়ে অংশগ্ৰহণ কৰিব আৰু কেন্দ্ৰ শক্তিশালী হ'ব।

শিক্ষা আৰু যুৱ-নাৰী সবলীকৰণতো তেওঁৰ দৃষ্টিভংগী অগ্ৰগামী আছিল। তেওঁ বিশ্বাস কৰিছিল যে যুৱক-যুৱতীসকলেই জাতিটোৰ ভৱিষ্যত। তেওঁলোকৰ মাজত দেশপ্ৰেম, অনুশাসন আৰু সামাজিক দায়বদ্ধতা জগাই তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিছিল। INA-ত ৰাণী ঝাঁন্সী ৰেজিমেণ্ট গঠন কৰি তেওঁ নাৰীৰ সমান অধিকাৰ আৰু যুঁজৰ ক্ষমতাক প্ৰমাণ কৰিছিল। শিক্ষাৰ ক্ষেত্ৰত তেওঁ পৰম্পৰাগত মূল্যবোধৰ লগতে আধুনিক বৈজ্ঞানিক জ্ঞানৰ সংমিশ্ৰণৰ পোষকতা কৰিছিল। তেওঁ সৰ্বজনীন শিক্ষা, নাৰী শিক্ষা আৰু বৈজ্ঞানিক মনোভাৱ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল যাতে কুসংস্কাৰ আৰু ধৰ্মান্ধতাৰ অন্ত পৰে।

নেতাজীৰ দৃষ্টিভংগী আজিও অতি প্ৰাসংগিক। তেওঁ চিনাক্ত কৰা প্ৰত্যাহ্বানসমূহ যেনে অৰ্থনৈতিক বৈষম্য, ধৰ্মীয় বিভাজন, প্ৰযুক্তিগত পিছপৰা, যুৱকৰ অভাৱ এতিয়াও অব্যাহত আছে। কিন্তু তেওঁৰ আদৰ্শই সমাধানৰ পথ দেখুৱাই আছে। তেওঁৰ সপোন আছিল এনে এক ভাৰতৰ য'ত সকলোৱে গৌৰৱেৰে জীয়াই থাকিব পাৰিব, য'ত জাতিৰ শক্তি আৰু মানৱতাৰ কল্যাণ একেলগে থাকিব। অকাল মৃত্যুৰ পিছতো তেওঁৰ চিন্তাধাৰাই প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। নেতাজীৰ দৃষ্টিভংগী কেৱল স্বাধীনতাক লৈয়ে কেন্দ্ৰীভূত নাছিল। ই আছিল এক শক্তিশালী, ন্যায়পৰায়ণ, ঐক্যবদ্ধ আৰু প্ৰগতিশীল জাতিৰ সপোন যিটো সপোন আমি আজিও পূৰণ কৰিবলৈ চেষ্টা কৰি আছোঁ।

# সাংস্কৃতিক পৰ্যটনঃ অৰ্থনৈতিক উন্নয়নৰ মূল আধাৰ

বিশাল বাণিজ্যিক আৰু সাংস্কৃতিক বিনিময়ৰ মাধ্যম। বিশেষকৈ সাংস্কৃতিক পৰ্যটন ধাৰণাটোৱে বৰ্তমান সমাজত বিশেষ গুৰুত্ব লাভ কৰিছে। সাংস্কৃতিক পৰ্যটন হৈছে, পৰ্যটনৰ এনে এক ধাৰা- য'ত ভ্ৰমণকাৰী সকলে কোনো এটা নিৰ্দিষ্ট অঞ্চলৰ ইতিহাস, শিল্পকলা, স্থাপত্য, ধৰ্ম, পৰম্পৰা আৰু জীৱনশৈলীৰ অভিজ্ঞতা লাভ কৰাৰ উদ্দেশ্যে ভ্ৰমণ কৰে। সৰল অৰ্থত ক'বলৈ গ'লে- আনৰ সংস্কৃতিৰ সৈতে পৰিচিত হোৱা আৰু সেই সংস্কৃতিৰ পৰা জ্ঞান আহৰণ কৰাই হৈছে সাংস্কৃতিক পৰ্যটন। বিশ্ব পৰ্যটন সংস্থাৰ মতে-কোনো এক সমাজ বা দেশৰ ঐতিহ্য, পৰম্পৰা, লোকসংস্কৃতি আৰু ঐতিহাসিক সমল সমূহৰ প্ৰতি আকৰ্ষিত হৈ সেইবোৰ উপভোগ কৰিবলৈ কৰা ভ্ৰমণেই হ'ল- সাংস্কৃতিক পৰ্যটন। এই পৰ্যটনে কেৱল এজন ভ্ৰমণকাৰীক জ্ঞান প্ৰদান কৰাই নহয়, বৰঞ্চ ই বিভিন্ন দেশ আৰু জাতিৰ মাজত ভাতৃত্ববোধ গঢ়ি তোলাত আৰু বিলুপ্তপ্ৰায় থলুৱা কলা-সংস্কৃতি সমূহ সংৰক্ষণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমাৰ এই লেখাত সাংস্কৃতিক পৰ্যটনৰ বিভিন্ন দিশ সমূহৰ ওপৰত আলোকপাত কৰি এটি আলোচনা আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।

কোনো এখন দেশ বা ৰাজ্যৰ কলা, স্থাপত্য, ধৰ্ম, পৰম্পৰা, খাদ্য আৰু জীৱনশৈলীক কেন্দ্ৰ কৰি গঢ়ি উঠা পৰ্যটন ব্যৱস্থাই সেই অঞ্চলটোৰ অৰ্থনৈতিক ভেটি মজবুত কৰাত এক নিৰ্ণায়ক ভূমিকা পালন কৰে। ভাৰতবৰ্ষৰ দৰে বৈচিত্ৰ্যপূৰ্ণ দেশ এখনৰ বাবে সাংস্কৃতিক পৰ্যটন কেৱল আয়ৰ উৎসই নহয়, বৰঞ্চ ই আমাৰ হেৰাই যাব ধৰা ঐতিহ্য সমূহক পুনৰুজ্জীৱিত কৰাৰ এক সুযোগ হিচাপে পৰিগণিত হৈছে। পৰ্যটনৰ অপৰিসীম সম্ভাৱনীয়তাক স্বীকাৰ কৰি ভাৰত চৰকাৰে প্ৰতি বছৰে ২৫ জানুৱাৰী দিনটো ৰাষ্ট্ৰীয় পৰ্যটন দিৱস হিচাপে পালন কৰি আহিছে। এই দিৱস পালনৰ আঁৰত থকা মূল উদ্দেশ্য হ'ল- দেশৰ অৰ্থনীতিত পৰ্যটন খণ্ডৰ গুৰুত্বৰ বিষয়ে জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি কৰা। পৰ্যটন যে কেৱল ভ্ৰমণকাৰীৰ বাবে উপভোগৰ বস্তু নহয়, বৰঞ্চ ই যে লাখ লাখ মানুহৰ সংস্থাপনৰ উৎস আৰু দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ এক বৃহৎ অংশীদাৰ, সেই কথাটোক সৰ্বসাধাৰণৰ দৃষ্টিলৈ নিয়াৰ উদ্দেশ্যৰেই এই দিৱসটো উদযাপন কৰা হয়। এই দিৱসৰ জৰিয়তে আমাৰ দেশৰ প্ৰাচীন ঐতিহ্য, ঐতিহাসিক কীৰ্তিচিহ্ন আৰু বিভিন্ন জনগোষ্ঠীয় সংস্কৃতি সমূহ বিশ্ব দৰবাৰত তুলি ধৰাৰ সংকল্প লোৱা হয়। দৰাচলতে পৰ্যটন খণ্ডৰ বিকাশৰ লগে লগে দেশৰ বৈদেশিক মুদ্ৰাৰ ভঁৰাল চহকী হয় আৰু আন্তঃগাঁথনিৰ উন্নয়ন সাধন হয়।

সাংস্কৃতিক পৰ্যটনৰ প্ৰধান উপাদান সমূহৰ ভিতৰত ঐতিহাসিক স্থান সমূহে বিশেষ গুৰুত্ব লাভ কৰে। কাৰণ পুৰণি মঠ-মন্দিৰ, কীৰ্তিচিহ্ন, ৰাজপ্ৰসাদ আৰু স্মৃতিস্তম্ভ সমূহে এটা জাতিৰ অতীতৰ স্থাপত্য শৈলী আৰু গৌৰৱময় ইতিহাসক জীৱন্ত কৰি ৰাখে। একেদৰে সংগ্ৰহালয় আৰু কলাবীথিকা সমূহ হৈছে জ্ঞানৰ ভঁৰাল স্বৰূপ। য'ত প্ৰাচীন বস্তু আৰু কলা-সংস্কৃতিৰ নিদৰ্শন সমূহ সংৰক্ষণ কৰি পৰ্যটকৰ বাবে প্ৰদৰ্শন কৰা হয়। কোনো এখন দেশৰ প্ৰকৃত পৰিচয় পোৱা যায় সেই দেশৰ লোককলা আৰু পৰম্পৰাৰ মাজত। য'ত স্থানীয় গীত-মাত, নৃত্য আৰু লোককথাই জনসাধাৰণৰ আৱেগ আৰু বিশ্বাসক প্ৰতিফলিত কৰে।

উৎসৱ-পাৰ্বন সমূহৰ জৰিয়তে পৰ্যটক সকলে এটা জনগোষ্ঠীৰ ধৰ্মীয় আৰু সামাজিক ৰীতি-নীতিৰ সৈতে পোনে পোনে জড়িত হোৱাৰ সুযোগ লাভ কৰে। ইয়াৰ সমান্তৰালভাৱে, সাংস্কৃতিক পৰ্যটনৰ সোৱাদ সম্পূৰ্ণ কৰে থলুৱা খাদ্য সম্ভাৰে। কিয়নো প্ৰতিটো জনগোষ্ঠীৰ স্বকীয় ৰন্ধন শৈলীয়ে তেওঁলোকৰ পৰিচয় বহন কৰে। ইয়াৰ উপৰি হস্তশিল্প যেনে- বোৱা-কটা, মৃৎশিল্প বা বাঁহ-বেতৰ কামবোৰে স্থানীয় কাৰিকৰী দক্ষতাৰ পৰিচয় দিয়াৰ লগতে পৰ্যটকক আকৰ্ষিত কৰে।

অসমৰ পৰিপ্ৰেক্ষিতত সাংস্কৃতিক পৰ্যটনৰ সম্ভাৱনীয়তা অতি প্ৰবল। শিৱসাগৰৰ আহোম যুগৰ ঐতিহাসিক কীৰ্তিচিহ্ন সমূহৰ পৰা আৰম্ভ কৰি কামাখ্যা মন্দিৰ বা হাজোৰ দৰে ধৰ্মীয় স্থান সমূহে অসমৰ চহকী ঐতিহ্যৰ সাক্ষ্য দিয়ে। বিশেষকৈ বিশ্বৰ বৃহত্তম নদীদ্বীপ মাজুলীৰ সত্ৰীয়া সংস্কৃতি, মুখাশিল্প আৰু ৰাস মহোৎসৱে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকক আকৰ্ষিত কৰে। অসমৰ বিহুনৃত্য, জোনবিল মেলাৰ দৰে অনন্য বিনিময় প্ৰথা আৰু শুৱালকুছিৰ পাট-মুগাৰ বস্ত্ৰশিল্পই ৰাজ্যখনক বিশ্ব দৰবাৰত এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। কাজিৰঙা বা মানসৰ দৰে বন্যপ্ৰাণী উদ্যান সমূহৰ লগতে অসমৰ বিভিন্ন জনগোষ্ঠীৰ বৈচিত্ৰ্যময় সাজ-পোছাক আৰু খাদ্যাভ্যাসে অসমৰ সাংস্কৃতিক পৰ্যটনক এক অন্যতম আকৰ্ষণীয় কেন্দ্ৰ হিচাপে গঢ়ি তুলিছে।

দেখা গৈছে- আমাৰ দেশত সাংস্কৃতিক পৰ্যটনে এক বহুমুখী আৰু সুদূৰ প্ৰসাৰী অৰ্থনৈতিক প্ৰভাৱ পেলাইছে। যেতিয়া এজন পৰ্যটকে কোনো এখন ঠাইৰ সংস্কৃতি চাবলৈ আহে, তেতিয়া তেওঁ কেৱল দৃশ্য উপভোগ নকৰে, বৰঞ্চ সেই অঞ্চলটোৰ সামগ্ৰিক অৰ্থনৈতিক চক্ৰটোৰ এক অবিচ্ছেদ্য অংগ হৈ পৰে। ইয়াৰ আটাইতকৈ বলিষ্ঠ অৱদান হ'ল থলুৱা স্তৰত কৰ্মসংস্থাপনৰ ব্যাপক সুযোগ সৃষ্টি আৰু দৰিদ্ৰতা নিৰ্মূলকৰণ। পৰ্যটন কেন্দ্ৰিক অঞ্চলবোৰত হোটেল, জিৰণি চ'ৰা আৰু অতিথিশালা সমূহৰ জৰিয়তে এক বৃহৎ সংখ্যক লোকে পোনপটীয়া সংস্থাপন লাভ কৰে। পৰ্যটকৰ পথ প্ৰদৰ্শক বা গাইড হিচাপে স্থানীয় যুৱক-যুৱতী সকলে নিজৰ ইতিহাস আৰু সাংস্কৃতিক সমল সমূহৰ যথোপযুক্ত ঐতিহাসিক বৰ্ণনা ভ্ৰমণকাৰী সকলক ব্যাখ্যা কৰি নিজে স্বাৱলম্বী হ'ব পাৰে। তদুপৰি পৰিবহণ ব্যৱস্থাৰ সৈতে জড়িত চালক সকলৰ পৰা আৰম্ভ কৰি সৰু সৰু ব্যৱসায়ী পৰ্যন্ত সকলোৱে ইয়াৰ দ্বাৰা উপকৃত হয়। সাংস্কৃতিক পৰ্যটনে স্থানীয় লোকক নিজৰ ঘৰতে থাকি উপাৰ্জন কৰাৰ সুযোগ দিয়ে। যাৰ ফলত কৰ্মসংস্থাপনৰ সন্ধানত গাঁৱৰ পৰা চহৰলৈ হোৱা ব্যাপক প্ৰব্ৰজন বহু পৰিমাণে ৰোধ হয়। ইয়াৰ ফলস্বৰূপে গ্ৰাম্য দৰিদ্ৰতা হ্ৰাস পায় আৰু গ্ৰাম্য জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত হয়।

সাংস্কৃতিক পৰ্যটনে কোনো এটা অঞ্চলৰ পৰম্পৰাগত শিল্পকলাক গোলকীয় বজাৰ প্ৰদান কৰে। অসমৰ দৰে এখন ৰাজ্য য'ত- মুগা আৰু পাট কাপোৰৰ বয়ন শিল্প, বাঁহ-বেতৰ কাৰুকাৰ্য, কাঁহ-পিতলৰ শিল্প আৰু সত্ৰীয়া মুখাশিল্পৰ দৰে অনন্য সম্পদ আছে, তেনে ক্ষেত্ৰত অসমত সাংস্কৃতিক পৰ্যটনৰ গুৰুত্ব অপৰিসীম। যেতিয়া দেশী-বিদেশী পৰ্যটক সকলে এই শিল্প সমূহ প্ৰত্যক্ষ কৰি তেওঁলোকে এই সামগ্ৰীবোৰ ক্ৰয় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে, তেতিয়া ইয়াৰ ফলত মধ্যভোগীৰ শোষণ নোহোৱাকৈ শিল্পী সকলে নিজৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰে। এই চাহিদাৰ বাবে বিলুপ্তপ্ৰায় হৈ অহা কেইবাটাও প্ৰাচীন শিল্পই নতুন জীৱন লাভ কৰিছে। থলুৱা খাদ্য সম্ভাৰৰ প্ৰতি থকা পৰ্যটকৰ আকৰ্ষণে স্থানীয় কৃষি আৰু খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগকো উৎসাহিত কৰে। এনেদৰে সাংস্কৃতিক পৰ্যটনে থলুৱা উৎপাদনক এক বিশেষ ব্ৰেণ্ড হিচাপে গঢ়ি তোলে, যিয়ে দীৰ্ঘম্যাদী ভিত্তিত স্থানীয় অৰ্থনীতিৰ ভেটি মজবুত কৰে।

দেখা যায় সাধাৰণ উদ্যোগীকৰণ প্ৰায়ে চহৰ বা নগৰ কেন্দ্ৰিক হয়, যাৰ ফলত উন্নয়নৰ সুফল কেৱল এমুঠিমান মানুহৰ হাততে আৱদ্ধ হৈ থাকে। কিন্তু সাংস্কৃতিক পৰ্যটনে অৰ্থনৈতিক সুবিধাখিনি সমাজৰ তৃণমূল পৰ্যায়লৈ লৈ যায়। কোনো এক দুৰ্গম অঞ্চলত থকা ঐতিহাসিক মঠ-মন্দিৰ বা বিশেষ কোনো জনগোষ্ঠীয় উৎসৱ চাবলৈ যেতিয়া পৰ্যটকৰ আগমন ঘটে, তেতিয়া সেই অঞ্চলটোৰ আন্তঃগাঁথনি যেনে- বাট-পথ বিজুলী শক্তি আৰু যোগাযোগ ব্যৱস্থাৰ স্বতঃস্ফূৰ্ত উন্নয়ন ঘটে। চৰকাৰ আৰু ব্যক্তিগত খণ্ডই এনে অঞ্চলবোৰত বিনিয়োগ কৰিবলৈ আগবাঢ়ি আহে। ইয়াৰ ফলত অঞ্চলটোত নতুন বজাৰ গঢ়ি উঠে আৰু টকাৰ লেনদেন বৃদ্ধি পায়। এই বিকেন্দ্ৰীকৃত অৰ্থনীতিয়ে আঞ্চলিক বৈষম্য দূৰ কৰাত সহায় কৰে। সাংস্কৃতিক পৰ্যটনে একোটা নিৰ্দিষ্ট জনগোষ্ঠীক তেওঁলোকৰ পৰম্পৰা সংৰক্ষণ কৰাৰ বিনিময়ত অৰ্থনৈতিক সুৰক্ষা প্ৰদান কৰে, যিটো বহনক্ষম উন্নয়নৰ বাবে এক অপৰিহাৰ্য চৰ্ত হিচাপে বিবেচিত হয়।

আমাৰ দেশত সাংস্কৃতিক পৰ্যটনৰ সম্ভাৱনীয়তা প্ৰচুৰ হ'লেও, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত কিছুমান গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান এতিয়াও বিদ্যমান। বহুতো ঐতিহাসিক স্থান আৰু সাংস্কৃতিক কেন্দ্ৰ আজিও যাতায়তৰ সু-ব্যৱস্থাৰ পৰা বঞ্চিত। পথ সমূহৰ দুৰৱস্থা, ৰেল সংযোগৰ অভাৱ আৰু বিমান যাত্ৰাৰ উচ্চ মূল্যই পৰ্যটকক আকৰ্ষণ কৰাত বাধাৰ সৃষ্টি কৰে। পৰ্যটনস্থলী বোৰত হোৱা চুৰি-ডকাইতি বা পৰ্যটকক কৰা দুৰ্ব্যৱহাৰে দেশৰ ভাবমূৰ্তি নষ্ট কৰে। বিশেষকৈ মহিলা পৰ্যটকৰ নিৰাপত্তাৰ ক্ষেত্ৰত থকা ত্ৰুটি সমূহে পৰ্যটন উদ্যোগত নেতিবাচক প্ৰভাৱ পেলায়। উপযুক্ত শৌচাগাৰ, বিশুদ্ধ খোৱাপানী আৰু থকা-খোৱাৰ উন্নত মানদণ্ডৰ অভাৱত বহুতো সম্ভাৱনাপূৰ্ণ স্থান অৱহেলিত হৈ আছে। চৰকাৰে আঁচনি ল'লেই পৰ্যটনৰ উন্নতি নহয়, ইয়াৰ বাবে প্ৰতিগৰাকী নাগৰিক সচেতন হোৱাটো প্ৰয়োজন। এজন সচেতন নাগৰিক হিচাপে পৰ্যটকৰ সৈতে কৰা ভাল ব্যৱহাৰে তেওঁলোকক পুনৰ আমাৰ দেশলৈ অহাত উৎসাহিত কৰে। ঐতিহাসিক কীৰ্তিচিহ্ন আৰু পৰ্যটনস্থলী বোৰত জাবৰ-জোঁথৰ পেলোৱা বা দেৱালত নাম লিখাৰ দৰে কদৰ্য কামৰ পৰা বিৰত থকাতো উচিত। চাফ-চিকুণ পৰিৱেশে পৰ্যটকৰ মনত ইতিবাচক প্ৰভাৱ পেলায়। তদুপৰি নিজৰ অঞ্চলৰ লোক-সংস্কৃতি, উৎসৱ-পাৰ্বন আৰু ঐতিহাসিক ঠাইবোৰৰ বিষয়ে সামাজিক মাধ্যমৰ জৰিয়তে সঠিক প্ৰচাৰ চলোৱা উচিত। আধুনিকতাৰ নামত নিজৰ স্বকীয়তা হেৰুৱাই পেলালে পৰ্যটক আকৰ্ষিত নহয়। গতিকে নিজৰ ভাষা, সাজপাৰ আৰু খাদ্যভ্যাসৰ সংৰক্ষণ কৰি তাক সঠিক ৰূপত উপস্থাপন কৰাটো অতি জৰুৰী।

পৰিশেষত ক'ব পাৰি যে-সাংস্কৃতিক পৰ্যটন কেৱল অৰ্থনৈতিক লাভালাভৰ মাধ্যম নহয়, ই হ'ল জাতিৰ গৌৰৱৰ পৰিচায়ক। ভাৰত তথা অসমৰ দৰে ঠাইত য'ত প্ৰতিটো খোজতে বিবিধ সংস্কৃতিৰ চানেকি পোৱা যায়, তাত পৰ্যটন উদ্যোগক সঠিক দিশত পৰিচালিত কৰিব পাৰিলে অৰ্থনৈতিক বিপ্লৱ নিশ্চিতভাৱে হ'ব। যাতায়ত আৰু সুৰক্ষাৰ সমস্যা সমূহ দূৰ কৰি যদি আমি আমাৰ ঐতিহ্যক আন্তৰ্জাতিক মানদণ্ডত সজাই তুলিব পাৰোঁ, তেন্তে সাংস্কৃতিক পৰ্যটনে হ'ব আমাৰ দেশৰ অৰ্থনীতিৰ মূল চালিকা শক্তি। ইয়াৰ বাবে চৰকাৰী সদিচ্ছা আৰু জনসাধাৰণৰ সক্ৰিয় সহযোগিতাৰ একান্ত প্ৰয়োজন।

# কংগ্ৰেছক ৩১ জানুৱাৰীৰ ডেডলাইন অখিল গগৈৰ

বিৰোধী দল কংগ্ৰেছৰ সৈতে ৰাইজৰ দলৰ মাজত আসন ভাগ-বটোৱাৰাৰ বিষয়ে মতবিৰোধ তীব্ৰ হৈ পৰিছে। ৰাইজৰ দলে কংগ্ৰেছক অহা ৩১ জানুৱাৰীৰ ভিতৰত আসন ভাগ-বটোৱাৰা সম্পূৰ্ণ কৰি মিত্ৰতাত ছীল মোহৰ মাৰিবলৈ ডেডলাইন বান্ধি দিছে। দলৰ কেন্দ্ৰীয় কাৰ্যালয় মঠঘৰীয়াত অনুষ্ঠিত সংবাদমেলত ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি ভাস্ক' ডি শইকীয়া আৰু উপদেষ্টা দিলীপ বৰাই এই ঘোষণা কৰে। ভাস্ক' ডি শইকীয়াই কয় যে, নিৰ্বাচনৰ মাত্ৰ এটা মাহ বাকী থকাৰ পিছতো বিৰোধী ঐক্যৰ আলোচনা ওলমি আছে। অসমৰ পৰিৱৰ্তনকামী ৰাইজে সকলো বিৰোধী দল একত্ৰিত হৈ বিজেপিক শাসনৰ পৰা আঁতৰাব বিচাৰে। কিন্তু মূল বিৰোধী দল কংগ্ৰেছে আসন ভাগ-বটোৱাৰাৰ ক্ষেত্ৰত গুৰুত্ব নিদিয়াৰ বাবে প্ৰক্ৰিয়া বিলম্বিত হৈছে। তেওঁ অধিক উল্লেখ কৰে যে, ৰাইজৰ দলে ৪০ খনতকৈ অধিক সমষ্টিত নিৰ্বাচন খেলাৰ প্ৰস্তুতি চলাই আছে আৰু টিকেটৰ বাবে আবেদন গ্ৰহণ কৰা হৈছে। কংগ্ৰেছে যদি দলক কেৱল ২০খন আসনহে দিয়ে, তথাপি ৰাইজৰ দলে মিত্ৰতাত থাকিব আৰু বিজেপিৰ বিৰুদ্ধে যুঁজিব। এই লিষ্ট কংগ্ৰেছ নেতৃত্বক প্ৰদান কৰা হৈছে যদিও এতিয়ালৈকে সদুত্তৰ পোৱা নাই। বিহাৰৰ নিৰ্বাচনৰ উদাহৰণ দি তেওঁ কয় যে, মিত্ৰতা ওলমাই ৰখাৰ ফলত ক্ষতি হৈছিল। গতিকে সোনকালে আসন ভাগ-বটোৱাৰা কৰি মিত্ৰতা চূড়ান্ত কৰিব লাগে। উপদেষ্টা দিলীপ বৰাই কয় যে, বিগত ১০ বছৰত বিজেপিৰ শাসনত অসমক বিভাজিত কৰাৰ চক্ৰান্ত চলিছে, ৰাজ্য কোটি কোটি টকাৰ ধাৰত পোত গৈছে। পুনৰ বিজেপি ক্ষমতালৈ আহিলে ভয়ানক পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। সেয়ে সকলো বিৰোধী দলৰ একত্ৰিত হৈ অপশক্তিৰ বিৰুদ্ধে যুঁজ দিয়াটো জৰুৰী। ৰাইজৰ দলে পাঁচ বছৰ ধৰি এই চেষ্টা কৰি আহিছে। কিন্তু আলোচনাৰ পিছতো আসন ভাগ-বটোৱাৰা চূড়ান্ত হোৱা নাই, যাৰ বাবে প্ৰাৰ্থীসকলৰ মাজত অসন্তোষ বাঢ়িছে। তেওঁ কংগ্ৰেছক শেষ সময়সীমা দি কয় যে, ৩১ জানুৱাৰীৰ ভিতৰত আসন ভাগ-বটোৱাৰা সম্পূৰ্ণ কৰি কমন প্লেটফৰ্ম গঠন কৰিব লাগে। নহ'লে ৰাইজৰ দলে এককভাৱে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। সংবাদমেলত আন এক গুৰুত্বপূৰ্ণ ঘোষণা কৰি ভাস্ক' ডি শইকীয়াই জনায় যে, অহা ১৭ আৰু ১৮ ফেব্ৰুৱাৰীত দুগৰাকী বিধায়কে ৰাইজৰ দলত যোগদান কৰিব। বৰ্তমানৰ এই দুগৰাকী বিধায়কৰ উপৰি ৪-৫ গৰাকী বিধায়কে দলৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে দলটোৱে ১০০খন সমষ্টিত নিৰ্বাচন খেলিব বুলি ঘোষণা কৰিছে আৰু নিজা প্ৰাৰ্থী চূড়ান্ত হোৱাৰ পিছতহে অংশীদাৰ দলসমূহক বাকী সমষ্টি এৰিবলৈ আলোচনা কৰিব বুলি জনাইছে। এই দৃষ্টিভংগীয়ে ৰাইজৰ দলৰ সৈতে মতবিৰোধ সৃষ্টি কৰিছে। যদি এনে অৱস্থা অব্যাহত থাকে তেন্তে বিৰোধী ঐক্য অনৈক্যত পৰিণত হ'ব পাৰে বুলি ৰাজনৈতিক পৰ্যবেক্ষকসকলে মত প্ৰকাশ কৰিছে।

# শংকৰজ্যোতিয়ে বিয়াৰ প্ৰলোভনেৰে জীৱন

প্ৰত্যাৱৰ্তনৰ চৰ্চা চলি থকাৰ সময়তে তেওঁৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে এগৰাকী যুৱতীয়ে। উল্লেখ্য যে, কিছু সময় পূৰ্বে প্ৰতাৰণা, যৌন নিৰ্যাতন আৰু হাৰাশাস্তিৰ অভিযোগত গ্ৰেপ্তাৰ হৈ কাৰাবাস খাটিবলগীয়া হৈছিল শংকৰজ্যোতি বৰুৱাক। সম্প্ৰতি কাৰামুক্ত হৈ স্বাভাৱিক জীৱন যাপন কৰি থকা তেওঁৰ বিজেপি দলত যোগদানৰ সম্ভাৱনাৰ খবৰ ওলোৱাৰ পিছতে এই যুৱতীগৰাকীয়ে সামাজিক মাধ্যমত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। যুৱতীগৰাকীয়ে নিজৰ ফেচবুক পোষ্টত লিখিছে যে, শংকৰজ্যোতি বৰুৱাই বিয়াৰ প্ৰলোভন দেখুৱাই তেওঁৰ জীৱন ধ্বংস কৰিছে। তেওঁ লিখিছে, "মোৰ জীৱন ধ্বংস কৰা শংকৰজ্যোতি বৰুৱাই বিজেপি দলত যোগদান কৰিব বুলি বাতৰি ওলাইছে। মই বিজেপি দলৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক নেতৃত্বক অনুৰোধ জনাইছোঁ বিয়াৰ প্ৰলোভনেৰে এগৰাকী ছোৱালীৰ জীৱন ধ্বংস কৰা এনে লম্পট চৰিত্ৰৰ ব্যক্তিক দলত অন্তৰ্ভুক্ত নকৰিবলৈ।" যুৱতীগৰাকীয়ে অধিক উল্লেখ কৰিছে যে, বহুতে কয় যে শংকৰজ্যোতি বৰুৱা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে ঘনিষ্ঠ হোৱাৰ বাবেই বিজেপিত যোগদানৰ সুবিধা পাব পাৰে। কিন্তু তেওঁ এই কথা বিশ্বাস কৰিব নোৱাৰে বুলি জনাইছে। তেওঁৰ মতে, সৰ্বানন্দ সোণোৱালে নাৰীৰ জীৱনৰ সৈতে হেতালি খেলা ব্যক্তিক কোনো সুবিধা প্ৰদান নকৰে। এই পোষ্টত যুৱতীগৰাকীয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাৰ দৰে শীৰ্ষ নেতৃত্বক অনুৰোধ জনাইছে যাতে এনে ব্যক্তিক দলত যোগদানৰ অনুমতি নিদিয়ে। পোষ্টটোত এখন ছবিও সংলগ্ন কৰা হৈছে। উল্লেখ্য যে, ২০২৪ চনৰ শেষৰ ফালে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এগৰাকী আইন বিভাগৰ ছাত্ৰীয়ে শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে প্ৰতাৰণা, মানসিক আৰু যৌন হাৰাশাস্তিৰ অভিযোগ উত্থাপন কৰিছিল। এই অভিযোগৰ পিছতে আছুৱে তেওঁক সংগঠনৰ পৰা বহিষ্কাৰ কৰে আৰু তেওঁ নিজেও পদত্যাগ কৰে। পিছত গ্ৰেপ্তাৰ হৈ কিছু সময় কাৰাবাস খাটে আৰু ২০২৫ চনত জামিন লাভ কৰে। শংকৰজ্যোতি বৰুৱাই সম্প্ৰতি সক্ৰিয় ৰাজনীতিত প্ৰত্যাৱৰ্তনৰ ইংগিত দিছে যদিও বিজেপিত যোগদানৰ বিষয়ে স্পষ্ট কোনো ঘোষণা কৰা নাই। কিছুমান বাতৰিত কংগ্ৰেছত যোগদানৰ সম্ভাৱনাও উল্লেখ কৰা হৈছে। এই নতুন অভিযোগে ৰাজনৈতিক মহলত বিতৰ্কৰ সৃষ্টি কৰিছে আৰু বিজেপিৰ শীৰ্ষ নেতৃত্বৰ পৰা এতিয়ালৈকে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই। ৰাজনৈতিক পৰ্যবেক্ষকসকলে মত প্ৰকাশ কৰিছে যে এই বিষয়ে অধিক তথ্য ওলোৱাৰ লগে লগে অসমৰ ৰাজনীতিত নতুন মোৰ পৰিৱৰ্তন ঘটিব পাৰে।

# ভাৰত-নিউজীলেণ্ডৰ

অব্যাহত ৰাখিছে অপৰাজেয় ধাৰা। নিউজিলেণ্ডৰ বিৰুদ্ধে চলি থকা পাঁচখন খেলৰ টি-২০ আই শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতে ৭ উইকেটৰ বিশাল জয় লাভ কৰি শৃংখলাত ২-০ৰে আগবাঢ়িছে। ৰায়পুৰত অনুষ্ঠিত এই মেচত ভাৰতীয় দলৰ বেটিঙে অসাধাৰণ প্ৰদৰ্শন দেখুৱাইছে, বিশেষকৈ ঈশান কিষাণ আৰু অধিনায়ক সূৰ্যকুমাৰ যাদৱৰ দায়িত্বশীল ইনিংছে দলক জয়ৰ দিশে লৈ গৈছে। ভাৰতীয় অধিনায়ক সূৰ্যকুমাৰ যাদৱে টছ জিকি প্ৰথমে বলিং বাছনি কৰে। নিউজিলেণ্ডে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২০৮ ৰাণ সংগ্ৰহ কৰে। জয়ৰ বাবে ভাৰতৰ সন্মুখত আছিল ২০৯ ৰাণৰ লক্ষ্য। ভাৰতৰ আৰম্ভণি ভাল নাছিল। মাত্ৰ ৬ ৰাণত দুয়োজন অ'পেনাৰ আউট হয়। কিন্তু তাৰ পিছতে ঈশান কিষাণ আৰু সূৰ্যকুমাৰ যাদৱে দলক মুক্ত কৰি তোলে। ঈশানে মাত্ৰ ৩২টা বলত ৭৬ ৰাণ (১১টা চাৰি আৰু ৪টা ছয়) সংগ্ৰহ কৰে। সূৰ্যকুমাৰ যাদৱে অপৰাজিত ৩৭টা বলত ৮২ ৰাণ (৯টা চাৰি আৰু ৪টা ছয়) কৰি দলক জয়ৰ দুৱাৰমুখলৈ লৈ যায়। শিৱম ডুবে ১৮টা বলত ৩৬ ৰাণ অপৰাজিত হৈ থাকে। এই জয়ৰ ফলত ভাৰতে টি-২০ আইত দ্ৰুততম ২০০ ৰাণৰ চেজ আৰু যুটীয়া সৰ্বোচ্চ ৰাণ চেজৰ অভিলেখ গঢ়ে। নিউজিলেণ্ডৰ পক্ষৰ পৰা ৰাচিন ৰবিন্দ্ৰই ২৬টা বলত ৪৪ ৰাণ আৰু অধিনায়ক মিচেল ছাণ্টনাৰে ২৭টা বলত ৪৭ ৰাণ সংগ্ৰহ কৰে। ডেভন কনৱে আৰু টিম ছেইফাৰ্টে পাৱাৰ প্লে'ত ভাল আৰম্ভণি দিয়ে যদিও দলটোৱে ২০০ ৰাণ অতিক্ৰম কৰিবলৈ সক্ষম হয়। নিউজিলেণ্ডৰ বলাৰসকলৰ ভিতৰত জেক ফ'লকেছে সৰ্বাধিক ৬৭ ৰাণ দিয়ে। ভাৰতীয় বলাৰসকলৰ ভিতৰত কুলদীপ যাদৱে ৪ অভাৰত ৩৫ ৰাণত ২টা উইকেট লৈ সৰ্বোত্তম প্ৰদৰ্শন দেখুৱায়। আৰ্শদীপ সিঙে ৫৩ ৰাণ দি সৰ্বাধিক ব্যয়বহুল বলাৰ হয় যদিও হাৰ্দিক পাণ্ডিয়া, ৰাণা, বৰুণ চক্ৰৱৰ্তী আৰু শিৱম ডুবে এটাকৈ উইকেট লয়। ঈশান কিষাণৰ বিস্ফোৰক ইনিংছৰ বাবে তেওঁক প্লেয়াৰ অৱ দ্য মেচ নিৰ্বাচিত কৰা হয়। এই জয়ে ভাৰতীয় দলৰ অপৰাজেয় ধাৰাক অব্যাহত ৰাখিছে আৰু শৃংখলাত স্পষ্ট আধিপত্য প্ৰতিষ্ঠা কৰিছে। শেহতীয়া খবৰ অনুসৰি, এই শৃংখলাৰ পৰৱৰ্তী খেলসমূহত ভাৰতে জয়ৰ ধাৰা অব্যাহত ৰাখিব বুলি আশা কৰা হৈছে। ক্ৰিকেট অনুৰাগীসকলে এই উত্তেজনাপূৰ্ণ প্ৰদৰ্শনক উপভোগ কৰি আছে।

# গৌৰৱ গগৈয়ে স্বৰ্গদেউ

বিতৰ্কৰ সৃষ্টি হৈছে। শাসকীয় বিজেপি দলে গৌৰৱ গগৈৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে যে তেওঁ স্বৰ্গদেউ চাওলুং চ্যুকাফাই প্ৰতিষ্ঠা কৰা ঐতিহাসিক বৰ অসম আৰু শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই গঢ় দিয়া সাংস্কৃতিক বৰ অসমৰ আদৰ্শক নস্যাৎ কৰিবলৈ চেষ্টা কৰিছে। বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত দলৰ মুখপাত্ৰ জয়ন্ত গোস্বামীয়ে এই অভিযোগসমূহ সদৰি কৰে। তেওঁ কয় যে স্বৰ্গদেউ চাওলুং চ্যুকাফাই অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰি এক শক্তিশালী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল আৰু মোগল শক্তিক অসমৰ পৰা দূৰলৈ খেদি পঠিয়াইছিল। ঠিক একেদৰে শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই নৱবৈষ্ণৱ ধৰ্মৰ জৰিয়তে সকলো জাতি-জনগোষ্ঠীক একত্ৰিত কৰি এক সাংস্কৃতিক সমাজ গঢ়ি তুলিছিল। কিন্তু গৌৰৱ গগৈয়ে আৰম্ভ কৰা "নতুন বৰ অসম" যাত্ৰাত সেইসকল মিঞা যুৱনেতাৰ অংশগ্ৰহণ দেখা গৈছে, যিসকলে অসমত মুঠ ৪৮টা বিধানসভা সমষ্টি মিঞা সমাজৰ বাবে সংৰক্ষণৰ দাবী উত্থাপন কৰি আহিছে। বিজেপিৰ অভিযোগ অনুসৰি, কংগ্ৰেছত যোগদান কৰাৰ পাছতেই প্ৰাক্তন নেতা ৰেজাউল কৰিম সৰকাৰে শিৱসাগৰৰ দৰে খিলঞ্জীয়া অধ্যুষিত অঞ্চলক ধুবুৰীৰ দৰে মিঞা অধ্যুষিত অঞ্চললৈ পৰিৱৰ্তন কৰাৰ হুংকাৰ দিছিল। যদিও পৰৱৰ্তী সময়ত ৰেজাউল কৰিমে কংগ্ৰেছ ত্যাগ কৰিছে, তথাপি তেওঁৰ সেই বক্তব্য আৰু ৰাজনৈতিক দৃষ্টিভংগীক গৌৰৱ গগৈয়ে আগুৱাই লৈ গৈছে বুলি শাসকীয় দলটোৱে দাবী কৰিছে। বিজেপিৰ মতে এই ধাৰণাই অসমীয়া জাতিৰ ঐতিহ্য আৰু একতাক অপমান কৰাৰ সমান। ইফালে, গৌৰৱ গগৈ আৰু কংগ্ৰেছ শিবিৰৰ পৰা এই অভিযোগসমূহৰ সন্দৰ্ভত এতিয়ালৈকে কোনো স্পষ্ট বা আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই। কংগ্ৰেছে "নতুন বৰ অসম"ক সকলো জাতি-জনগোষ্ঠীৰ সৈতে হাতে হাত ধৰি গঢ়ি তোলাৰ এক অন্তৰ্ভুক্তিমূলক ধাৰণা হিচাপে উপস্থাপন কৰিছে, কিন্তু বিজেপিয়ে ইয়াক বিভাজনমূলক আৰু ভোট ৰাজনীতিৰ অংশ বুলি অভিহিত কৰিছে। ৰাজনৈতিক পৰ্যবেক্ষকসকলে মত প্ৰকাশ কৰিছে যে এই বিতৰ্ক আগন্তুক দিনত অসমৰ ৰাজনীতিত অধিক তীব্ৰতা লাভ কৰিব পাৰে, বিশেষকৈ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পটভূমিত। দুয়োটা পক্ষৰ মাজত এই বিষয়ক লৈ তৰ্ক-বিতৰ্ক আৰু প্ৰচাৰ অব্যাহত থাকিব বুলি ধাৰণা কৰা হৈছে।

# গুৱাহাটীৰ কাহিলিপাৰাৰ

মুখামুখি সংঘৰ্ষ হৈছিল। দুৰ্ঘটনাত নিহত যুৱতীগৰাকীৰ নাম লুনা ভৰদ্বাজ। ২৬ বছৰীয়া লুনা JB Law Collegeৰ আইন বিভাগৰ ছাত্ৰী আছিল। তেওঁৰ ঘৰ বঙাইগাঁৱৰ উত্তৰ শালমাৰাত। স্কুটিত লুনা আৰু আন এজন যুৱক অচ্যুত বৰুৱাৰ সৈতে যাত্ৰা কৰি থকা অৱস্থাত বিপৰীত দিশৰ পৰা অহা ১০৮ এম্বুলেঞ্চে খুন্দা মাৰে। এই খুন্দাত লুনা ভৰদ্বাজ থিতাতে প্ৰাণ হেৰুৱায়। গুৰুতৰভাৱে আহত যুৱক অচ্যুত বৰুৱাক সংকটজনক অৱস্থাত গৌহাটী চিকিৎসা মহাবিদ্যালয় (GMCH) হাস্পতালত ভৰ্তি কৰোৱা হৈছে। অচ্যুতৰ ঘৰ গোলাঘাট জিলাৰ দেৰগাঁৱত বুলি জানিব পৰা গৈছে। আজি সমগ্ৰ ৰাজ্যজুৰি সৰস্বতী পূজা উদযাপিত হৈছে। গুৱাহাটীৰ প্ৰতিখন শিক্ষানুষ্ঠানত মা সৰস্বতীৰ বন্দনা আৰু পূজাৰে পৰিৱেশ মুখৰিত হৈ পৰিছিল। ঠিক এনে আনন্দময় পৰিৱেশৰ মাজতে এই দুৰ্ঘটনাই পৰিয়াল আৰু শুভাকাংক্ষীসকলক গভীৰ শোকত ভৰাই তুলিছে। দুৰ্ঘটনাৰ পিছতে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ মূল্যায়ন কৰিছে। দুৰ্ঘটনাৰ সঠিক কাৰণ জানিবলৈ তদন্ত আৰম্ভ কৰা হৈছে। আৰক্ষীয়ে দুৰ্ঘটনাগ্ৰস্ত বাহন দুখনৰ দ্বাৰা যান-বাহন আইন উলংঘা হৈছিল নেকি সেই বিষয়েও পৰীক্ষা কৰি আছে। স্থানীয় কিছুমান লোকে এম্বুলেঞ্চখন অত্যধিক দ্ৰুতগতিত আহি থকা বুলি অভিযোগ উত্থাপন কৰিছে। এই শোকাৱহ দুৰ্ঘটনাই সৰস্বতী পূজাৰ দিনটোত গুৱাহাটীৰ ৰাইজৰ মাজত গভীৰ শোক আৰু উদ্বেগৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে দুৰ্ঘটনাৰ পূৰ্ণ তদন্ত কৰি দোষী পক্ষৰ বিৰুদ্ধে যথাযথ আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস দিছে।

# নিদ্ৰাচ্ছন্ন ৰাহুল-খাৰ্গে;

লগতে গুৱাহাটীত স্থাপিত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান (আই আই এম গুৱাহাটী)ক ৰাষ্ট্ৰৰ বাবে উৎসৰ্গা কৰিব। ইয়াৰ উপৰিও কোকৰাঝাৰত ৰেলৱেৰ ডবা নিৰ্মাণ কাৰখানাৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ সম্ভাৱনা আছে। অন্যহাতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৩০ জানুৱাৰীত ডিব্ৰুগড় ভ্ৰমণ কৰিব। তেওঁ অসমৰ দ্বিতীয় বিধানসভা কমপ্লেক্সৰ আধাৰশিলা স্থাপন কৰিব আৰু খানিকৰ খেলপথাৰত ৰাজহুৱা সভাত ভাষণ দিব। এই পদক্ষেপে উচ্চ অসমৰ প্ৰশাসনিক আন্তঃগাঁথনিক শক্তিশালী কৰাৰ ক্ষেত্ৰত কেন্দ্ৰৰ দৃঢ় অংগীকাৰক প্ৰতিফলিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই লগতে জনাইছে যে প্ৰধানমন্ত্ৰী মোদীৰ এই আগন্তুক ভ্ৰমণে তিনি মাহৰ ভিতৰত ৰাজ্যখনলৈ তেওঁৰ তৃতীয় ভ্ৰমণ হ'ব। ইয়াৰ দ্বাৰা অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ স্থায়ী আৰু অব্যাহত মনোযোগ স্পষ্ট হৈ পৰিছে। ইতিমধ্যে তেওঁ দুবাৰ অসম ভ্ৰমণ কৰিছে। ডিব্ৰুগড় জিলাৰ মৰাণত শান্তি এলেকা আৰু উন্নত অৱতৰণ সুবিধা গঢ়ি তোলা হৈছে। এই সুবিধাসমূহৰ ফলত প্ৰত্যক্ষ বিমান সেৱা আৰু ঘাইপথ সংযোগ সম্ভৱ হৈ পৰিব। ইয়াৰ দ্বাৰা প্ৰধানমন্ত্ৰীৰ ডিব্ৰুগড় আৰু ইটানগৰৰ মাজৰ যাত্ৰাৰ সময় বহু পৰিমাণে হ্ৰাস পাব। এই ভ্ৰমণসমূহে অসমৰ আন্তঃগাঁথনি উন্নয়ন, শিক্ষা, যাতায়াত আৰু প্ৰশাসনিক ক্ষেত্ৰত নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে এই সকলোবোৰ প্ৰকল্পই ৰাজ্যৰ সামগ্ৰিক উন্নয়নত যোগদান আগবঢ়াব বুলি মন্তব্য কৰিছে।

# বড়ো-আদিবাসী সংঘৰ্ষত নিহতৰ পৰিয়ালক ৫ লাখ

মল্ল বৰুৱাই আজি নিহতসকলৰ পৰিয়ালক এককালীন আৰ্থিক সাহায্য প্ৰদান কৰি শান্তি প্ৰক্ৰিয়াক গতি দিছে। প্ৰথমে মন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰ সদৰ চহৰৰ পিতৃগৃহত উপস্থিত হৈ নিহত চিকনা জৌহৌলাও বিস্মিতৰ পত্নী দৈমুতী বসুমতাৰীৰ হাতত আনুষ্ঠানিকভাৱে পাঁচ লাখ টকাৰ চেক হস্তান্তৰ কৰে। ইয়াৰ পিছতে তেওঁ কাৰিগাঁও অঞ্চলৰ সুনীল মুৰ্মুৰ বাসগৃহত উপস্থিত হৈ মৃতকৰ পিতৃ ফাটে মুৰ্মুৰ হাততো একেদৰে পাঁচ লাখ টকাৰ এককালীন সাহায্যৰ চেক আগবঢ়ায়। এই কাৰ্যসূচীৰ অংশ হিচাপে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কাৰিগাঁৱৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। তেওঁ তাত বড়ো আৰু আদিবাসী উভয় সম্প্ৰদায়ৰ লোকৰ সৈতে মত বিনিময় কৰি শান্তি আৰু সহাৱস্থানৰ বাৰ্তা দিয়ে। অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰী, বিধায়ক লৰেন্স ইছলাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল। অনুষ্ঠানৰ অন্তত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সংবাদমেলত কয় যে, এতিয়া শান্তিৰ পৰিৱেশ ঘূৰি আহিছে আৰু সকলোৱে নিজ নিজ ঘৰলৈ উভতি যাব বিচাৰিছে। তেওঁ জানিবলৈ দিয়ে যে, নিহতসকলৰ নিকটাত্মীয়সকলক পাঁচ লাখ টকাকৈ আৰু আহতসকলক এক লাখ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। লগতে ৪৬টা ক্ষতিগ্ৰস্ত গৃহ নিৰ্মাণৰ বাবে প্ৰত্যেককে ৫০ হাজাৰ টকাকৈ সাহায্য দিয়া হৈছে। পশুধন আৰু অন্যান্য ক্ষয়-ক্ষতিৰ বিষয়ে জিলা আয়ুক্তই পৰৱৰ্তী পৰ্যায়ত পৰ্যালোচনা কৰি সিদ্ধান্ত ল'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কোকৰাঝাৰবাসীক সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি কয় যে, খুব সোনকালে স্বাভাৱিক পৰিৱেশ ঘূৰাই অনা হ'ব। আনহাতে, পৰিস্থিতি স্বাভাৱিক হোৱাৰ দিশলৈ লক্ষ্য ৰাখি আজিয়েই ইণ্টাৰনেট সেৱা মুকলি কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিয়ে। প্ৰণিধানযোগ্য যে, ইতিমধ্যে চাৰিটা আশ্ৰয় শিবিৰৰ লোকসকলে নিজ নিজ ঘৰলৈ উভতি গৈছে আৰু আজি কাৰিগাঁও আশ্ৰয় শিবিৰৰ লোকসকলো ঘৰমুৱা হোৱাৰ সম্ভাৱনা আছে। ৰাজ্য চৰকাৰৰ এই পদক্ষেপে সংঘৰ্ষপীড়িত অঞ্চলত শান্তি আৰু বিশ্বাস পুনঃস্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

# জল্পনাৰ অন্ত! আজি

এতিয়া সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰি গেৰুৱা বসন পিন্ধিবলৈ সাজু হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, শংকৰজ্যোতি বৰুৱাৰ লগতে মুঠ ১০গৰাকী নেতা-কৰ্মী আজি বিজেপিত যোগদান কৰিব। এওঁলোকৰ ভিতৰত আছে আছুৰ প্ৰাক্তন কেইগৰাকীমান নেতাৰ লগতে অন্য ৰাজনৈতিক দলৰ নেতাও। যোগদান অনুষ্ঠানটো গুৱাহাটী মহানগৰীৰ বশিষ্ঠস্থিত ৰাজ্যিক বিজেপি কাৰ্যালয়ত আয়োজন কৰা হৈছে। ইয়াত আনুষ্ঠানিকভাৱে নতুন সদস্যসকলক দলত স্বাগতম জনোৱা হ'ব। যোগদান কৰিবলগীয়া নেতাসকল শংকৰজ্যোতি বৰুৱা, প্ৰাক্তন সাধাৰণ সম্পাদক, আছু; কনক গগৈ, প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যবাহী সদস্য, আছু (ডিব্ৰুগড়-দুলীয়াজান); অৰ্জুন চেট্ৰী, প্ৰাক্তন আছু নেতা, টেঙাখাট, ডিব্ৰুগড়; ৰাজীৱ গগৈ, প্ৰাক্তন আছু নেতা, জোনাই, ধেমাজি জিলা; ৰক্তিম বৰা, প্ৰাক্তন আছু নেতা, যোৰহাট; সত্য বৰগোহাঁই, প্ৰাক্তন সভাপতি, তিনিচুকীয়া ছাত্ৰ সন্থা; প্ৰাণজিত হাজৰিকা, প্ৰাক্তন সভাপতি, মাজুলী ছাত্ৰ সন্থা; শিৱ কৰ্মকাৰ, প্ৰাক্তন নেতা, আটাছু, ডিব্ৰুগড়; বাবলু ভূমিজ, আপৰ নেতা, দুলীয়াজান পঞ্চায়ত; সমীৰঞ্জন বৰশইকীয়া, প্ৰদেশ কংগ্ৰেছৰ নেতা। এই যোগদানৰ জৰিয়তে অসমৰ ছাত্ৰ ৰাজনীতিৰ পৰা সক্ৰিয় ৰাজনীতিলৈ উত্তৰণ ঘটোৱা বহু নেতাৰ দৰে শংকৰজ্যোতি বৰুৱাৰ ৰাজনৈতিক যাত্ৰাৰ নতুন অধ্যায় আৰম্ভ হ'ব। পূৰ্বতে বিভিন্ন বিতৰ্কত জড়িত হোৱাৰ বাবে তেওঁৰ ৰাজনৈতিক ভৱিষ্যত লৈ জল্পনা চলি আহিছিল যদিও এতিয়া বিজেপিৰ দলীয় শিবিৰত যোগদানৰ সিদ্ধান্ত স্পষ্ট হৈ পৰিছে। অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক নেতৃত্ব উপস্থিত থাকি নতুন যোগদানকাৰীসকলক দলৰ পতাকাৰ তলত আদৰণি জনোৱাৰ কথা জনা গৈছে। এই ঘটনাই অসমৰ ৰাজনৈতিক পৰিস্থিতিত নতুন মাত্ৰা যোগ কৰিব বুলি ধাৰণা কৰা হৈছে।

# জোনবিলৰ পাৰত প্ৰাণ

দিনৰ পৰম্পৰাগত এই মেলা বছৰ বছৰ ধৰি অনুষ্ঠিত হৈ আহিছে। এই মেলাতেই দেখা যায় সময়ৰ সোঁতত হেৰাই যোৱা এসময়ৰ বিনিময় প্ৰথা। প্ৰতিবছৰে মাঘ বিহুৰ পাছৰ সপ্তাহত গোভা দেওৰজাৰ পৰম্পৰাগত ৰীতি-নীতিৰে তিনিদিনীয়াকৈ অনুষ্ঠিত হয় এই মেলা। এই জোনবিল মেলা হৈছে সম্প্ৰতীৰ মেলা। ইয়াতেই জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোৱে দ্ৰব্য বিনিময় কৰে। জোনবিল মেলাৰ আৰম্ভণি কোনে, কেতিয়া কৰিছিল তাৰ সঠিক প্ৰমাণ নাই যদিও গোভাৰাজ্য প্ৰতিষ্ঠাৰ দিনৰে পৰা এই মেলাৰ আৰম্ভণি হোৱা বুলি একাংশই কয়। এই মেলাত নিয়ম অনুসৰি, দ্বিতীয় দিনা পাহাৰৰ পৰা নামি অহা মামা-মামীসকলে তেওঁলোকৰ উৎপাদিত কৃষিজাত সামগ্ৰী যেনে আদা, কচু, হালধী, জালুক, ৰন্ধনজাত মচলা, ধূনা, লা, ঔষধি গছ ইত্যাদি বিক্ৰী কৰাৰ বিপৰীতে ভৈয়ামৰ লোকসকলে অনা সান্দহ, মুড়ি, লাডু, পিঠা, শুকান মাছৰ সৈতে বিনিময় কৰে। সমগ্ৰ বিশ্বত বিৰল এই বিনিময় প্ৰথা এবাৰ ওচৰৰ পৰা উপভোগ কৰিবলৈ বহু দেশী বিদেশী পৰ্যটকে জোনবিল মেলাত ভিৰ কৰা দেখিবলৈ পোৱা যায়। জোনবিল মেলাৰ দ্বিতীয় দিনাৰ ঐতিহাসিক বিনিময় প্ৰথাৰ শুভাৰম্ভ অনুষ্ঠানত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্ত পৰিষদ অসমৰ CEM জীৱন চন্দ্ৰ কোঁৱৰ, তিৱা ৰাজ-দৰবাৰৰ সভাপতি জোৰচিং বৰদলৈ প্ৰমুখ্যে জোনবিল মেলা পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলে উপস্থিত থাকে। তেওঁলোকে পাহাৰৰ মামা মামীসকলে অনা সামগ্ৰীৰ লগত সান্দহ আৰু পিঠাৰ বিনিময় কৰা পৰিলক্ষিত হয়। গোভা দেওৰজাৰ পৰম্পৰাগত ৰীতি-নীতিৰে অনুষ্ঠিত হোৱা এই বিনিময় প্ৰথাই আজিও পাহাৰ-ভৈয়ামৰ মাজত সম্প্ৰীতি, একতা আৰু ভাতৃত্ববোধৰ নিদৰ্শন দাঙি ধৰি আহিছে।

# ১৬ ফেব্ৰুৱাৰীৰ পৰা

বাজেট অধিৱেশন ২০২৬ চনৰ ১৬ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব। ভাৰতীয় সংবিধানৰ ১৭৪(১) অনুচ্ছেদৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দিছপুৰস্থিত বিধানসভা চেম্বাৰত পুৱা ৯: ৩০ বজাত এই অধিৱেশন আহ্বান কৰিছে। অধিৱেশনৰ প্ৰথম দিনাই ৰাজ্যপালে অংশগ্ৰহণ কৰি ভাষণ দিয়াৰ সম্ভাৱনা আছে। ১৭ ফেব্ৰুৱাৰীত ৰাজ্যৰ বিত্ত মন্ত্ৰীয়ে ২০২৬-২৭ বিত্তীয় বছৰৰ বাজেট দাখিল কৰিব পাৰে বুলি ধাৰণা কৰা হৈছে যদিও এই তাৰিখ আৰু কাৰ্যসূচীৰ চূড়ান্ত নিশ্চয়তা বিধানসভাৰ ব্যৱসায়িক পৰামৰ্শদাতা সমিতিৰ বৈঠকত নিৰ্ধাৰণ কৰা হ'ব। ইফালে ৰাষ্ট্ৰীয় পৰ্যায়ত কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে ২৭ জানুৱাৰীত সংসদৰ দুয়োটা সদনৰ মজিয়া নেতাসকলৰ সৰ্বদলীয় বৈঠক আহ্বান কৰিছে। সংসদৰ মূল সমিতি কক্ষত অনুষ্ঠিত হ'বলগীয়া এই বৈঠকত আগন্তুক বাজেট অধিৱেশনৰ কাৰ্যসূচী, গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয় আৰু সংসদীয় ব্যৱসায়ৰ ওপৰত বিস্তৃত আলোচনা কৰা হ'ব। এই বৈঠকে অধিৱেশনৰ মসৃণ কাৰ্যবিধি নিশ্চিত কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় সংসদৰ বাজেট অধিৱেশন ২৮ জানুৱাৰীৰ পৰা ২ এপ্ৰিললৈকে চলিব। অধিৱেশনখন দুটা পৰ্যায়ত বিভক্ত হ'ব- প্ৰথম পৰ্যায় ২৮ জানুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈকে আৰু দ্বিতীয় পৰ্যায় ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈকে। মুঠতে প্ৰায় ৩০খন বৈঠক অনুষ্ঠিত হ'ব বুলি আশংকা কৰা হৈছে। ১ ফেব্ৰুৱাৰী (দেওবাৰ)ত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে ২০২৬-২৭ বিত্তীয় বছৰৰ কেন্দ্ৰীয় বাজেট লোকসভাত দাখিল কৰিব। অধিৱেশনৰ আৰম্ভণিতে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে লোকসভা আৰু ৰাজ্যসভাৰ যৌথ অধিৱেশনত ভাষণ দি দেশৰ পৰিস্থিতিৰ ওপৰত আলোকপাত কৰিব। অসমৰ বাজেট অধিৱেশনৰ আৰম্ভণিৰ লগে লগে ৰাজ্যত বিত্তীয় বছৰৰ প্ৰস্তাৱিত আয়-ব্যয়ৰ খচৰা, উন্নয়ন পৰিকল্পনা আৰু নীতিগত ঘোষণাৰ ওপৰত ৰাজনৈতিক আৰু ৰাইজৰ মাজত আলোচনা তীব্ৰতৰ হ'ব বুলি ধাৰণা কৰা হৈছে।

ৰাভা জাতিৰ শিক্ষা, ভাষা-সাহিত্য, কলা সংস্কৃতি নৱ-প্ৰজন্মই আগবঢ়াই নিব লাগিব ঃ টংকেশ্বৰ ৰাভা

# লোকে লোকাৰণ্য নিখিল ৰাভা জাতীয় পৰিষদৰ গৌৰৱোজ্জ্বল শতবৰ্ষ উৎসৱ

## বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰে মুখৰিত হ'ল টংলাৰ সমীপৰ পুৰণি টংলা হাবিগাঁৱৰ শ্ৰীৰাম চন্দ্ৰ ৰাভা সমন্বয় ক্ষেত্ৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৩ জানুৱাৰী ঃ** ৰাভা জাতিৰ শিক্ষা, ভাষা-সাহিত্য-কলা-সংস্কৃতি আৰু আৰ্থ-সামাজিক দিশ জাতিটোৰ নৱপ্ৰজন্মই আগবঢ়াই নিব লাগিব। ৰাভা জাতিৰ থুলৰা সংস্কৃতিৰ চহকী হস্ততাঁত শিল্পক বিশ্বৰ দৰবাৰত আগবঢ়াই নিবই লাগিব। নিখিল ৰাভা জাতীয় পৰিষদৰ গৌৰৱোজ্জ্বল শতবৰ্ষ উৎসৱত অংশগ্ৰহণ কৰি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভাই এইদৰে কয়। তেখেতে আৰু কয় যে বিজ্ঞান আৰু প্ৰযুক্তিৰ জৰিয়তে ৰাভা জাতিক মানৱ সম্পদৰূপে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত কৰাৰ বাবে সকলোৱে সচেতন ভূমিকা ল'ব লাগিব। সংগ্ৰাম অবিহনে এটা জাতি বিশ্বৰ দৰবাৰত কেতিয়াও জীয়াই থাকিব নোৱাৰে। নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে সংগ্ৰাম আৰু বিকাশৰ ধাৰা আগবঢ়াই নিব পাৰিলেহে সেই জাতিটো বিশ্বৰ দৰবাৰত শিৰ উচ্চ কৰি জীয়াই থাকিব পাৰিব। ওদালগুৰি জিলাৰ পুৰণি টংলা হাবিগাঁৱত শ্ৰীৰাম চন্দ্ৰ ৰাভা সমন্বয় ক্ষেত্ৰত ১৯ৰ পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত নিখিল ৰাভা জাতীয় পৰিষদৰ গৌৰৱোজ্জ্বল শতবৰ্ষ উৎসৱৰ আজি চতুৰ্থ দিনা মুকলি সভা উদ্বোধন কৰি নিখিল ৰাভা সাহিত্য সভাৰ মুখ্য সম্পাদক ৰাজকুমাৰ ৰাভাই ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ বাহিৰত বসবাস কৰা ৰাভাসকলৰ ভাষা সাহিত্য, কলা সংস্কৃতিৰ বিকাশৰ হকে লগতে আৰ্থ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰিবলৈ ৰাভা উন্নয়ন পৰিষদ গঠন কৰিবলৈ চৰকাৰলৈ দাবী জনায়। আনহাতে তেখেতে অতি শীঘ্ৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদক ভাৰতীয় সংবিধানৰ অধীনত ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰিবলৈ ভাৰত তথা চৰকাৰক আহ্বান জনায়। মুকলি সভাত আদৰণি ভাষণ দিয়ে অভ্যৰ্থনা সমিতিৰ সভাপতি তথা অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। আদৰণী ভাষণত তেখেতে কয় ৰাভা জাতীয় পৰিষদ পুনৰ এশ বছৰলৈ ৰাভা জনজাতিৰ উত্তৰণ, ভাষা সাহিত্য, কলা সংস্কৃতিৰ বিকাশৰ হকে পথ প্ৰদৰ্শক হৈ থাকিব বুলি আশা প্ৰকাশ কৰে। নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি বাবুল চন্দ্ৰ ৰাভাই সভাপতিত্ব কৰা সভাখনত সাধাৰণ সম্পাদক গোবিন্দ ৰাভাই আঁত ধৰে। সভাৰ আৰম্ভণীতে ওদালগুৰি জিলা ৰাভা শিল্পীসকলে সমবেত সংগীত পৰিৱেশন কৰা লগতে শতবৰ্ষ উৎসৱৰ জাগৰণি গীতত মূৰাখাট গাঁৱৰ শিশু, যুৱতীয়ে নৃত্য পৰিৱেশন কৰে। নিখিল ৰাভা জাতীয় পৰিষদৰ প্ৰাক্তন সভাপতি নৰেন্দ্ৰ কুমাৰ ৰাভাই নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়া সভাত মুখ্যমন্ত্ৰীৰ প্ৰতিনিধি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চৰণ বড়ো, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন বড়ো, নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মাতিলাল ৰাভা বাকচক, সাধাৰণ সম্পাদক ড° সুভাষ ৰাভা, বায়খো হুৰি অসমৰ সম্পাদক তথা বিটিচিৰ মনোনীত সদস্য ৰতন চন্দ্ৰ ৰাভাই চমু ভাষণ দিয়ে। সভাত ৰাভা গণ মঞ্চৰ সভাপতি হৰকান্ত ৰাভা, প্ৰাক্তন পাৰিষদ হেমন্ত ৰাভা, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি সুনীল কুমাৰ ছেত্ৰী, সদৌ ৰাভা কৃষ্টি সন্মিলনৰ সভাপতি দীপক পাম, ৰাভা কৰ্মচাৰী পৰিষদৰ সভাপতি বসন্ত ৰাভা, বিটিচিৰ পাৰিষদ দিগন্ত বৰুৱা, সদৌ ৰাভা কৃষ্টি সন্মিলনৰ মুখ্য সম্পাদক কামেশ্বৰ ৰাভা, প্ৰাক্তন ছাত্ৰ নেতা মদন চন্দ্ৰ ৰাভা, টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ কুমাৰ বৰুৱা, আৰছু'ৰ উপ সভাপতি প্ৰদীপ ৰাভা, ৰাভা গণ মঞ্চৰ সাধাৰণ সম্পাদক পূৰ্ণ চন্দ্ৰ ৰাভা, আৰছুৰ প্ৰাক্তন সভাপতি তুলসী মানস ৰাভা, ওদালগুৰি জিলা বড়ো ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে উপস্থিত থাকে। ৰাভা শিল্পী আৰু লেখক মঞ্চ অসমৰ দ্বাৰা ওদালগুৰি জিলাৰ পাঁচশ ৰাভা মহিলাই মাছমৰীয়া নৃত্য, ওদালগুৰি জিলা ৰাভা কৃষ্টি সন্মিলনৰ ৰাং তাংকায় নৃত্য, কলাইগাঁও আঞ্চলিক বড়ো কৃষ্টি দলৰ নৃত্য, টংলা আঞ্চলিক বৰ্মন কছাৰী নৃত্য, গোৰ্খা নৃত্য পৰিৱেশন কৰি হাজাৰ হাজাৰ লোকক আপ্লুত কৰে। পুৱা ১১ বজাত অনুষ্ঠিত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত ৰাভা, বড়ো, গোৰ্খা, বৰ্মন কছাৰী আদি জনগোষ্ঠীয় লোক কৃষ্টিৰ লগতে বেণু কৃষ্টি, বহুৰঙী নৃত্য, ৰাভা জাতীয় পৰম্পৰা, স্বাজাতীয় দল-সংগঠনৰ নেতৃবৃন্দই অংশগ্ৰহণ কৰে। নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি বাবুল চন্দ্ৰ ৰাভা আৰু সাধাৰণ সম্পাদক গোবিন্দ ৰাভাই সাংবাদিকক সম্বোধন কৰি ১৯ আৰু ২০ তাৰিখে গৃহীত প্ৰতিনিধি সভাৰ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সমূহ সাংবাদিকক অৱগত কৰি কয় অসম চৰকাৰে ৰাজনৈতিক মুনাফা আদায়ৰ বাবে সাংবিধানিক গেৰাণ্টিযুক্ত ষষ্ঠ অনুসূচীৰ ষ্টেটাছ লেখীয়া স্বায়ত্ব শাসন প্ৰদানৰ লেখীয়া ভুৱা প্ৰতিশ্ৰুতি নিখিল ৰাভা জাতীয় পৰিষদৰ প্ৰতিনিধি বৰ্গই একেলগে অস্বীকাৰ কৰে। নিখিল ৰাভা জাতীয় পৰিষদৰ প্ৰতিনিধি সভাই ষষ্ঠ অনুসূচী প্ৰাপ্যৰ আন্দোলন ত্বৰান্বিত কৰিবলৈ বদ্ধপৰিকৰ বুলি জানিবলৈ দিয়ে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ বাহিৰত বসবাস কৰা ৰাভাসকলৰ বাবে ভাষা, কলা সংস্কৃতিৰ বিকাশ, ৰাজনৈতিক অধিকাৰৰ বাবে ৰাভা উন্নয়ন পৰিষদ গঠন কৰিবলৈ চৰকাৰলৈ দাবী জনোৱাৰ বিপৰীতে সুদীৰ্ঘকাল সকলো প্ৰকাৰ ৰাজনৈতিক অধিকাৰ, প্ৰাপ্ত আৰু স্ব নিয়ন্ত্ৰণ তথা স্ব-সংগ্ৰামৰ উত্তৰণৰ ৰাজনৈতিক ক্ষেত্ৰত বাৰে বাৰে বৰ দুখ লগাকৈ প্ৰতাৰিত নিপিড়িত হোৱা বাবে ৰাজনৈতিক অধিকাৰৰ প্ৰস্তাৱ গ্ৰহণ কৰে। জনজাতীয় তথা খিলঞ্জীয়া লোকৰ বিৰুদ্ধে অব্যাহত ৰখা সকলো প্ৰকাৰ চৰকাৰী অমানৱীয় উচ্ছেদ বন্ধ কৰাৰ লগতে জনজাতিসকলৰ ৪৭ টাকৈ বেল্ট ব্লক শীঘ্ৰে সুৰক্ষিত কৰিবলৈ চৰকাৰলৈ আহ্বান জনোৱাৰ লগতে ৰাভা আৰু অন্যান্য জনজাতি তথা অন্যান্য পৰম্পৰাগত বনবাসী লোকসকলক ব্যক্তিগত বনাধিকাৰ আৰু সামূহিক বনাধিকাৰ স্বত্ব প্ৰদান কৰক আৰু বনস্বত্ব পোৱা জনজাতি পোৱা লোকসকলৰ গাঁও সমূহ ৰাজহ গাঁৱলৈ উন্নীত কৰিবলৈ আহ্বান জনায়। আনহাতে ২০২৬ চনটো ৰাভা জাতীয় পৰিষদৰ গৌৰৱোজ্জ্বল শতবৰ্ষ উৎসৱ হিচাপে পালন কৰিবলৈ অসমৰ প্ৰতিখন জিলা আৰু চুবুৰীয়া ৰাজ্যসমূহতো পালন কৰিবলৈ আহ্বান জনায়। নিখিল ৰাভা জাতীয় পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি দ্বাৰিকা নাথ ৰাভা আৰু সম্পাদক গোবৰ্ধন সৰকাৰৰ আৱক্ষ মূৰ্তি গুৱাহাটীস্থিত কেন্দ্ৰীয় কাৰ্যালয়ত স্থাপিত কৰা হ'ব বুলিও জানিব দিয়ে। লোকে লোকাৰণ্য হৈ পৰা নিখিল ৰাভা জাতীয় পৰিষদৰ গৌৰৱোজ্জ্বল শতবৰ্ষ উৎসৱৰ নিশা মূল মঞ্চত নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ড° সুভাষ ৰাভাই সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে। আনহাতে প্ৰদৰ্শনী আৰু বাণিজ্য মেলাটো আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয়। কাইলৈ শতবৰ্ষ উৎসৱৰ সামৰণি পৰিব।

## তিনিচুকীয়াত কেলিগ্ৰাফী, হাতৰ আখৰ লিখন আৰু উন্নীতকৰণ প্ৰশিক্ষণ সম্পন্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৩ জানুৱাৰী ঃ** 'সুন্দৰ হাতৰ আখৰ শিক্ষাৰ এক অংশ' (Good handwriting is a part of education) - মহামানৱ মহাত্মা গান্ধীৰ এই অমৃতময় বাক্যশাৰী সাৰোগত কৰি বিদ্যালয়ৰ কণকণ শিক্ষাৰ্থীসকলক সুন্দৰ হাতৰ আখৰেৰে কলা-সুলভ শিক্ষাৰ পাতনি মেলাৰ উদ্দেশ্যৰে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক হাতৰ আখৰ শিকোৱাৰ প্ৰশিক্ষণ তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ত গত ইংৰাজী ১৬ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীলৈ দুটা পৰ্যায়ত অনুষ্ঠিত হয়। জিলাখনৰ মুঠ পাঁচটা শিক্ষাখণ্ডৰ পৰা প্ৰথম পৰ্যায়ত ২০০ শিক্ষকক ইংৰাজী হাতৰ আখৰ আৰু দ্বিতীয় পৰ্যায়ত ২০০ শিক্ষকক অসমীয়া হাতৰ আখৰৰ প্ৰশিক্ষণত অংশগ্ৰহণ কৰিবলৈ সুযোগ প্ৰদান কৰা হয়। 'মাইণ্ড কেচেল মাৰ্কেনটাইল'ৰ সঞ্চালক প্ৰধান তুলসীপ্ৰিয়া বৰদলৈৰ নেতৃত্বত আফটাব হুচেইন, পংকজ বৰদলৈ, আৰু নিপু শৰ্মা সমন্বিতে চাৰিজনীয়া প্ৰশিক্ষকৰ দলে দুটা পৰ্যায়ত প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণকালত প্ৰশিক্ষকসকলৰ সপ্ৰতিভ শিকন কৌশল আৰু বন্ধুত্বসুলভ ব্যৱহাৰে প্ৰশিক্ষাৰ্থীসকলক যথেষ্ট উৎসাহিত কৰি তোলা দেখা যায়। ইংৰাজী আৰু অসমীয়া আখৰ শিকাৰ তিনিদিনীয়া প্ৰশিক্ষণৰ অন্তত সকলো প্ৰশিক্ষাৰ্থী শিক্ষকৰ হাতৰ আখৰ পূৰ্বৰ তুলনাত চমকপ্ৰদ পৰিৱৰ্তন লক্ষ্য কৰি ইয়াৰ বাবে প্ৰশিক্ষক আৰু জিলা কৰ্তৃপক্ষক প্ৰশিক্ষাৰ্থীসকলে কৃতজ্ঞচিত্তে ধন্যবাদ জ্ঞাপন কৰে। প্ৰতিদিনাৰ প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থীসকলৰ হাতৰ আখৰ পূৰ্বৰ তুলনামূলক হোৱা চমকপ্ৰদ পৰিবৰ্তনৰ বাবে জিলা শিক্ষাবিভাগেও এইলানি কাৰ্যসূচীৰ সফলতাত সন্তুষ্টি প্ৰকাশ কৰে। সমগ্ৰ শিক্ষা, তিনিচুকীয়াৰ জিলাৰ আঁচনি বিষয়া (শি. প্ৰ.) মণিমা ভট্টাচাৰ্য, বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ জিলা পৰামৰ্শদাতা সূৰুজ ভূএগ্ৰাৰ তত্ত্বাৱধানত আৰু জিলা মিছন সমন্বয়ক বিন্তী শৰ্মাৰ ব্যৱস্থাপনাত অনুষ্ঠিত হোৱা প্ৰশিক্ষণলানিৰ পৰিচালনাত সক্ৰিয় সহযোগিতা আগবঢ়ায় বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ তথ্য বিশ্লেষক অনুজ প্ৰতীম গোহাঁয়ে। প্ৰশিক্ষণৰ-যাৱতীয় ব্যৱস্থাপনা কৰি দিয়াৰ লগতে প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষক প্ৰশিক্ষাৰ্থীসকলক অনুপ্ৰেৰণা যোগায় তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চৈতন্য বৰা আৰু উপাধ্যক্ষ ড° ৰঞ্জন কলিতাই। প্ৰশিক্ষণৰ শেষত, শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰশিক্ষকসকলক ফুলাম গামোছা আৰু একোখনকৈ সমৰ্দ্ধনা পত্ৰৰে শ্ৰদ্ধা জ্ঞাপন কৰা হয়। শেষত ৰাষ্ট্ৰীয় সঙ্গীত পৰিবেশনেৰে প্ৰশিক্ষণৰ সফল সামৰণি মৰা হয়।

কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি সদ্যপ্ৰয়াত ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ সভা

## ৰণ্‌দিয়া (শতদল) সাহিত্য সভাৰ তৃতীয় বিশেষ বাৰ্ষিক অধিৱেশনৰ সফল সমাপন

**অসম বাৰ্তা, ৰঙিয়া, ২৩ জানুৱাৰী ঃ** ৰঙিয়াৰ ৰণ্‌দিয়া (শতদল) সাহিত্য সভাৰ তৃতীয় বিশেষ বাৰ্ষিক অধিৱেশনৰ লগতে কামৰূপ জিলা সাহিত্য সভাৰ সদ্যপ্ৰয়াত সভাপতি ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ সভা আজি দিনযোৰা কাৰ্য্যসূচীৰে ৰঙিয়া সমজিলাৰ তুলসীবাৰীস্থিত পি এম শ্ৰী তুলসীবাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। বিস্তৃত কাৰ্যসূচী অনুসৰি পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে শাখা সভাখনৰ সভাপতি পংকজ পল্লৱ শৰ্মাই। গছপুলি ৰোপণ কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ কামিনী ভূএগ্ৰা, বিদ্যালয় পৰিচালনা আক উন্নয়ন সমিতিৰ উপ সভাপতি দুলু দাস, সমাজসেৱক দুলু ভূএগ্ৰা আৰু জেষ্ঠ অধিবক্তা হিৰণ্য চৌধুৰীয়ে। সম্পাদক চৈয়দ মোস্তাফা আহমেদ আৰু পত্ৰিকা সম্পাদক ফাৰুক হুছেইনে আঁতধৰা অনুষ্ঠানত বন্তি প্ৰজ্জ্বলন কৰি স্মৃতি তৰ্পণ কৰে কামৰূপ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক জয়ন্ত জিত কলিতাই। সদ্যপ্ৰয়াত কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ কৰে বিশিষ্ট সাহিত্য সংগঠক, লেখক তথা কামৰূপ জিলা সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতাই। অনুষ্ঠানটিত প্ৰয়াত ড° গণেশ্বৰ চহৰীয়া, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে সহঃ শিক্ষক, পি. এম. শ্ৰী তুলসীবাৰী বহুমুখী উ. মা. বিদ্যালয়ৰ সহ শিক্ষক দিলীপ লহকৰ, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ যতিন চন্দ্ৰ ডেকা, ক্ৰীড়া সংগঠক বীৰেণ কলিতা প্ৰমুখ্যে সভাত অংশগ্ৰহণ কৰা বিশিষ্ট ব্যক্তিসকলে। সকলোৱে সমস্বৰে চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক আৰম্ভণি গীত পৰিৱেশন কৰাৰ লগে লগে পঙ্কজ পল্লৱ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক চৈয়দ মোস্তাফা আহমেদে। সভাত মুখ্য অতিথি হিচাবে অংশগ্ৰহণ কৰে কামৰূপ জিলা সাহিত্য সভাৰ উপ সভাপতি ৰমেশ চন্দ্ৰ মেধিয়ে। আমন্ত্ৰিত অতিথি হিচাবে অংশগ্ৰহণ কৰে জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দশৰথ ডেকা আৰু জয়ন্ত জিত কলিতা, যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতা, জ্যেষ্ঠ অধিবক্তা হিৰণ্য চৌধুৰী, অধ্যক্ষ গীতাৰাণী ডেকা আৰু বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি লিটন কলিতাই। বিদ্যালয়খনৰ ছাত্ৰী কৰিস্মিতা কলিতাই জুবিন সংগীত পৰিবেশন কৰে। শিক্ষয়িত্ৰী ৰীতা পাচনী আৰু ছাত্ৰী ৰেচমা চুলতানাই কবিতা আবৃত্তি কৰি সভাসদক আপ্লুত কৰে। সভাত শাখাটিৰ সক্ৰিয় সদস্য তথা অসম সাহিত্য সভাৰ আজীৱন সভ্য খৰ্গেশ্বৰ কলিতাৰ উপন্যাস বোবাদ্বীপ উন্মোচন কৰা হয়। কামৰূপ জিলা পৰিষদৰ অধ্যক্ষ নিপন ভূএগ্ৰা, কামৰূপ জিলা সাহিত্য সভাৰ প্ৰকাশন উপ সমিতিৰ সহযোগী আহ্বায়ক তথা শিক্ষক জয়ন্ত কুমাৰ শৰ্মা, শাখা সভাখনৰ প্ৰাক্তন সম্পাদক উজ্জ্বল ডেকা, উপ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সবিতা বৰ্মন মজুমদাৰ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অনুপমা দেৱী, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰীণা কলিতা মহন্ত, অমিয়া তালুকদাৰ, মনালিছা গোস্বামী, মামনি লহকৰ, ৰীতা পাচনী, চম্পাৱতী দাস, আই টি আই ৰঙিয়াৰ সঞ্চালক ধ্ৰুৱজ্যোতি কলিতা, অধ্যক্ষ ডিজৱান আহমেদ, অৰ্ণৱ বিশ্বাস, জিতু নমঃশূদ্ৰ সমন্বিতে বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ তথা বহুসংখ্যক ছাত্ৰছাত্ৰীয়ে অংশগ্ৰহণ কৰা সভাখনত সমজুৱাক আদৰণি আৰু কৃতজ্ঞতা জ্ঞাপন কৰে পিএমশ্ৰী তুলসীবাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গীতাৰাণী ডেকাই। অধিৱেশন আৰু স্মৃতিচাৰণ সভাৰ সকলো কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰাত সহযোগিতা আগবঢ়োৱা আৰু উপস্থিত সভাসদক শলাগৰ শৰাই আগবঢ়াই শাখাটিৰ প্ৰতিষ্ঠাপক সম্পাদক হেমন্ত কলিতাই।

## স্থানীয় লোকৰ সন্দেহ এয়া এক পৰিকল্পিত ঘটনা

### দুষ্কৃতিকাৰীৰ কঠোৰ শাস্তি দাবী কৰিছে স্থানীয় লোকে

## মঙলদৈত একে ৰাতিৰ ভিতৰতে কুৰিটাতকৈও অধিক মন্দিৰৰ মূৰ্তি ভাঙিলে দুষ্কৃতিকাৰীয়ে

**অসম বাৰ্তা, মঙলদৈ, ২৩ জানুৱাৰী ঃ** মঙলদৈত দুষ্কৃতিকাৰীয়ে ভাঙি পেলায় কেইবাটাও কালী মন্দিৰৰ মূৰ্তি। মঙলদৈৰ গেৰিমাৰী, মোৱামাৰীত সংঘটিত হ'ল এই অভাৱনীয় ঘটনা। মঙলদৈৰ দাঁতিকাষৰীয়া মোৱামাৰী, গেৰিমাৰীৰ বিভিন্ন অঞ্চলৰ প্ৰায় ২০টাত কৈয়ো অধিক মন্দিৰত বুধবাৰে ৰাতি কোনো দুষ্কৃতিকাৰীয়ে প্ৰৱেশ কৰি মন্দিৰত থকা মূৰ্তিসমূহ ভাঙি পেলায়। গেৰিমাৰী ওখভেটি মালৌ চুবা শিৱ মন্দিৰ, বিহিৰীবস্তি কালী মন্দিৰ, দক্ষিণ বিহিৰীবস্তি কালী মন্দিৰ, ন-নদী মনসা মন্দিৰ, ২৩৫ নং এল পি স্কুল কালী মন্দিৰ, ন-নদী পশ্চিম কালী মন্দিৰ, মোৱামাৰী ওখভেটি শিৱ মন্দিৰ, মোৱামাৰী শিৱ মন্দিৰ, গেৰিমাৰী ভূতনাথ কালী মন্দিৰ, চেৰেং ৰাজহুৱা কালী মন্দিৰৰ লগতে ব্যক্তিগত ঘৰৰ চৌহদত থকা কেইটামান মন্দিৰকে ধৰি প্ৰায় একুৰিৰ ওপৰত মন্দিৰত দুষ্কৃতিকাৰী সোমাই মূৰ্তিসমূহ ভাঙি পেলায়। বিশেষকৈ কালী মন্দিৰত সংঘটিত হয় উক্ত ঘটনা। প্ৰায় প্ৰতিটো মন্দিৰতে একে নিশাই কালী মাৰ মূৰ্তিসমূহৰ মুণ্ড ছিঙি পেলায়। স্থানীয় লোকৰ সন্দেহ এয়া এক পৰিকল্পিত আৰু এটা বৃহৎ দলৰ কাম। কাৰণ একে নিশাই ইমানকেইটা মন্দিৰত একেলগে মূৰ্তি ভঙা কাৰ্য এজন বা দুজনে কৰাটো সহজ নহয়। কোনো দুষ্ট চক্ৰই ভাতৃঘাতী সংঘৰ্ষ লগোৱাৰ উদ্দেশ্যে এনে কাম কৰিবও পাৰে বুলি সন্দেহ স্থানীয় লোকসকলৰ। পুৱা এই ঘটনাৰ খবৰ ৰাজহুৱা হোৱাৰ লগে লগে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। ইতিমধ্যে দৰঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস ঘটনাস্থলীত উপস্থিত হৈ উচিত তদন্ত কৰা হ'ব বুলি আশ্বাস দিয়ে। এনে এটি অমানুষিক কাৰ্য সংঘটিত হোৱাত গোটেই জিলাখনতে চেপা উত্তেজনাই বিৰাজ কৰিছে। ঘটনাস্থলীত বিধায়ক বসন্ত দাস, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰণৱ নাৰায়ণ দেব, বিজেপি কৰ্মী অশোক কুমাৰ ভাৰ্গব, প্ৰণৱ বৰুৱা, চন্দন শইকীয়া, হেমন্ত কুমাৰ বৰুৱা, গৌৰৱ ডেকাৰজা আদি উপস্থিত হৈ জনসাধাৰণৰ লগত দুখৰ সমভাগী হোৱাৰ লগতে প্ৰশাসনে যাতে উচিত তদন্ত কৰি দুষ্কৃতিকাৰীয়ে কঠোৰ শাস্তি লাভ কৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনক দাবী কৰিছে। মোৱামাৰী গাঁও পঞ্চায়তৰ সভাপতি বিজয় ৰাজভৰ আৰু কাউন্সিলাৰ প্ৰমিলা মণ্ডলে এই ঘটনাৰ উচিত তদন্ত দাবী কৰিছে।

### মাজুলীৰ ১০০০ গৰাকী মহিলাক স্বাৱলম্বী কৰাৰ লক্ষ্য সৃষ্টি এক সমন্বয়ৰ যাত্ৰা, মাজুলীৰ

## সৃষ্টি' ৰ উদ্যোগত কাঠফুলা খেতিৰ শুভাৰম্ভ; ৩৩ গৰাকী মহিলাক কাঠফুলাৰ বীজ আৰু চিলিণ্ডাৰৰ বেগ বিতৰণ

**অসম বাৰ্তা, উজনী মাজুলী, ২৩ জানুৱাৰী ঃ** 'সৃষ্টি' এক সমন্বয়ৰ যাত্ৰা, মাজুলী অসমৰ উদ্যোগত আজিৰ পৰা মাজুলীৰ কঠমীয়া গাঁৱত 'আত্মনিৰ্ভৰ মহিলা আত্মনিৰ্ভৰ মাজুলী' শীৰ্ষক কাৰ্যসূচীৰ অধিনত কাঠফুলা খেতিৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে আজি কঠমীয়া গাঁৱৰ ৩৩ গৰাকী মহিলাৰ মাজত কাঠফুলাৰ বীজ আৰু চিলিণ্ডাৰৰ বেগ বিতৰণ কৰা হয়। সৃষ্টিৰ উদ্যোগত প্ৰথম বাৰলৈ পৰীক্ষামূলকভাৱে ১০০টা চিলিণ্ডাৰত কাঠফুলা প্ৰস্তুতৰ ব্যৱস্থা কৰা হৈছে। সৃষ্টিৰ তৰফৰ পৰা বিনামূলীয়াকৈ কাঠফুলাৰ বীজ আৰু চিলিণ্ডাৰৰ বেগ প্ৰদান কাৰ্যসূচীত 'সৃষ্টি'ৰ উপসভাপতি অপূৰ্ব শইকীয়া আৰু সাধাৰণ সম্পাদক ৰঞ্জন মহন্ত আৰু প্ৰাঞ্জল খাউণ্ড উপস্থিত থাকে। যোৱা ৫ জানুৱাৰীত কঠমীয়া গাঁৱত সৃষ্টিৰ উদ্যোগত প্ৰায় ১০০ গৰাকী মহিলাক কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী সকলে কাঠফুলা খেতিৰ প্ৰশিক্ষণ প্ৰদান কৰিছিল। মাজুলীৰ কমেও ১০০০ গৰাকী মহিলাক কাঠফুলাৰ খেতিৰ জৰিয়তে স্বাৱলম্বী কৰাৰ মানসিকতাৰে সৃষ্টি-এক সমন্বয়ৰ যাত্ৰা, মাজুলী, অসমে 'আত্মনিৰ্ভৰ মহিলা আত্মনিৰ্ভৰ মাজুলী' শীৰ্ষক কাৰ্যসূচীৰ নামাকৰণেৰে এই পদক্ষেপ গ্ৰহণ কৰিছে বুলি সৃষ্টিৰ সাধাৰণ সম্পাদক ৰঞ্জন মহন্তই জানিবলৈ দিয়ে।

## সদৌ অসম গ্ৰাম্য পুথিভঁৰালৰ উদ্যোগত নগাঁৱত নেতাজী দিৱস উদ্‌যাপন



**অসম বাৰ্তা, নগাঁও, ২৩ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে নগাঁৱতো ৰাষ্ট্ৰীয় যুব বঁটা বিজয়ী সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ উদ্যোগত সন্থাৰ দ্বাৰা পৰিচালিত নেতাজী বিদ্যাপীঠ, হয়বৰগাঁৱৰ সহযোগত নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৯ সংখ্যক জন্মদিন নেতাজী দিৱসটি দিনযোৰা কাৰ্যসূচীৰে বিদ্যালয়খনৰ শ্ৰীশ্ৰীসৰস্বতী পূজাৰ লগত সংগতি ৰাখি উদ্‌যাপন কৰা হয়। তদুপলক্ষে পুৱা চাফাই অভিযান মুকলি কৰে সন্থাৰ কৰ্মচাৰী জিতু শৰ্মাই আৰু গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে সেউজকোৱৰ স্বপন কুমাৰ চৌধুৰীয়ে। দিনৰ ১১-০০ বজাত অনুষ্ঠিত নেতাজীৰ প্ৰতিচ্ছবিত মাল্য প্ৰদান আৰু শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী মুকলি কৰে শঙ্কৰজ্যোতি শাখা সাহিত্য সভাৰ সভাপতি কাতিবৰ চেঙাই। ১১-৩০ বজাৰ পৰা অনুষ্ঠিত বক্তৃতানুষ্ঠানত সভাপতিত্ব কৰে সন্থাৰ উপ সভাপতি শশীন্দ্ৰ দেৱ মহন্তই। বিশিষ্ট অতিথি হিচাবে অংশ গ্ৰহণ কৰি ক্ৰমে সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথ, অৱসৰপ্ৰাপ্ত শিক্ষক হীৰেণ ডেকা, শঙ্কৰজ্যোতি শাখা সাহিত্য সভাৰ সহঃ সম্পাদক ধীৰেন শইকীয়াই '৪২ৰ স্বাধীনতা আন্দোলন আৰু নেতাজী সুভাষ চন্দ্ৰ বসু শীৰ্ষক বক্তৃতানুষ্ঠানত গাম্ভীৰ্য্যপূৰ্ণ বক্তৃতা আগবঢ়াই স্বাধীনতা সংগ্ৰামী বীৰ নেতাজনৰ জীৱনাদৰ্শৰ ওপৰত আলোকপাত কৰি বক্তৃতা প্ৰদান কৰে। নেতাজী বিদ্যাপীঠৰ প্ৰধান শিক্ষয়িত্ৰী ৰূপা মুক্তিয়াৰ ভূএগ্ৰাই আঁতধৰা সভাখনত শলাগৰ শৰাই আগবঢ়াই সন্থাৰ প্ৰকল্প বিষয়া কনজুন বৰাই। দিৱস উপলক্ষে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ফল-মূল বিতৰণ কৰা হয় আৰু সৰস্বতী পূজা উপলক্ষে ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত ৰাইজৰ মাজত প্ৰসাদ, ফল-মূল, খিচিৰি আদি বিতৰণ কৰা হয়। সভাত স্থানীয় সমাজসেৱক ক্ৰমে মুকুট বৰা, বেৰকান্ত শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক ভৰেন বৰা আদি বিশিষ্ট ব্যক্তি আৰু বিদ্যালয়খনৰ শিক্ষক দিব্যজ্যোতি দাস, নৰেশ বামকে প্ৰমুখ্য কৰি স্থানীয় ভালেসংখ্যক গণ্যমান্য ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী আৰু মহিলা অভিভাৱক উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰা সভাখনি ৰাষ্ট্ৰীয় সংগীত পৰিবেশনেৰে সামৰণি কৰা হয়।

## আঠত্ৰিশখন পতাকা উত্তোলনেৰে গোলাঘাটত কলিতা জনগোষ্ঠী সন্মিলন অসম সপ্তদশ দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৩ জানুৱাৰী ঃ** অসমৰ অন্যতম এক জনগোষ্ঠী হৈছে কলিতা জনগোষ্ঠীৰ লোকসকলৰ অৰ্থসামাজিক, শিক্ষাৰ লগতে বিভিন্ন দিশত আগুৱাই নিয়াৰ বাবে ১৭ বছৰ পূৰ্বে গঠন কৰা হৈছিল কলিতা জনগোষ্ঠী সন্মিলন অসম। ১৬ বছৰ অতিক্ৰম কৰা কলিতা জনগোষ্ঠী সন্মিলন অসম ১৭ বছৰত ভৰি দিয়াৰ উপলক্ষে গোলাঘাটৰ হামদৈ পথাৰ ভগদত্ত ক্ষেত্ৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হৈছে সপ্তদশ দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন। এই উপলক্ষে আজি পুৱা কেন্দ্ৰীয় সমিতিৰ সভাপতি ড° সোণেশ্বৰ কলিতাই মুল পতাকা উত্তোলন কৰাৰ সমান্তৰালকৈ বিভিন্ন জিলাৰ সভাপতি আৰু সম্পাদক সকলে আঠত্ৰিশখন পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক চিত্তৰঞ্জন ডেকাই, মূল তোৰণ উন্মোচন কৰে কেন্দ্ৰীয় সমিতিৰ সভাপতি ড° সোণেশ্বৰে কলিতাই, কাৰ্যালয় মুকলি পৌৰসভাৰ উপ পৌৰপতি সীমান্ত বৰাই, প্ৰেক্ষাগৃহ উন্মোচন কৰে নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ সঞ্জীৱ দাসে, আদিৰ লগতে সন্ধিয়া এক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ঠিক তেনেদৰে কাইলৈ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, আলোচনা চক্ৰ, প্ৰতিনিধি সভাৰ আয়োজন কৰিছে। শনিবাৰে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা পাছত অনুষ্ঠিত কৰা হ'ব মুকলি সভা। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, সন্মানীয় অতিথি হিচাপে বিত্তমন্ত্ৰী অজন্তা নেওঁগ, মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, পিয়ুষ হাজৰিকা, জয়ন্ত মল্ল বৰুৱা, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, বিধায়ক বিশ্বজিৎ ফুকন, মৃনাল শইকীয়া, অখিল গগৈ, ৰমেন্দ্ৰ নাৰায়ন কলিতাই। ইয়াৰ উপৰিও আমন্ত্ৰিত অতিথি হিচাপে ৰাজ্যৰ কেইবাটাও জাতীয় দল-সংগঠনৰ কেন্দ্ৰীয় বিষয়ববীয়াই অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাই জানিবলৈ দিছে। এই তিনিদিনীয়া কাৰ্যসূচীত সকলো ৰাইজৰ উপস্থিত থাকি অনুষ্ঠানভাগি সাফল্যমণ্ডিত কৰাৰ কামনা কৰিছে উদযাপন সমিতিয়ে।

## বকোৰ ২ নং দিলিঙ্গা প্ৰগতিপুৰ বালিকা প্ৰাথমিক বিদ্যালয়ত সৰস্বতী পূজা পালন

**অসম বাৰ্তা, বকো, ২৩ জানুৱাৰী ঃ** আজি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা। বাগ দেৱীৰ বন্দনাৰে মুখৰ শিক্ষানুষ্ঠানসমূহ। কামৰূপ জিলাৰ বকোৰ বিদ্যালয় সমূহতো দেখা গৈছে ভক্তিভৰা পৰিৱেশ। জ্ঞান আৰু শিক্ষাৰ দেৱী সৰস্বতীৰ বন্দনা কৰিবৰ কাৰণে অনুষ্ঠিত কৰা এটা ধৰ্মীয় উৎসৱ। প্ৰতি বছৰে মাঘ মাহৰ শুক্লা পঞ্চমী তিথিত এই পূজা পতা হয়। সেইবাবে ইয়াক শ্ৰীপঞ্চমী পূজা বা বসন্ত পঞ্চমী পূজা বুলিও কয়। সেয়ে সমগ্ৰ ৰাজ্যৰ লগতে বকোৰ নং দিলিঙ্গা প্ৰগতিপুৰ বালিকা প্ৰাথমিক বিদ্যালয় আৰু ২ নং দিলিঙ্গা অঙ্গবাড়ী কেন্দ্ৰইও একেলগে পালন কৰিছে সৰস্বতী পূজা। ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰকৈ সাজপাৰ পিন্ধি তাত অংশগ্ৰহণ কৰি ছাত্ৰ ছাত্ৰী সকলে ধূপ-ধূনা, পুষ্পাঞ্জলি নৈবেদ্য আগবঢ়াই বিদ্যাত শুভ হোৱাৰ কামনাৰে বাগদেৱীক আৰাধনা কৰিছে। পূজা অথবা নাম প্ৰসঙ্গ শেষ হোৱাৰ পাছত মাহ-প্ৰসাদ বিলোৱা হয়। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰী, আৰু শিক্ষকসকলৰ একেলগে প্ৰীতিভোজন কৰে। পাছদিনা দেৱী বিসৰ্জনৰ দিন। দেৱীক ধূপধূনাৰে পূজা কৰি তেওঁৰ মূৰ্তি লৈ শোভাযাত্ৰা কৰে আৰু দেৱীৰ নামত বিভিন্ন ধ্বনি, গীত-মাতেৰে পূজাৰ সামৰণি মাৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ ◆ Website : www.asombarta.in ◆ ◆ Facebook : \asombarta ◆ ◆ Instagram : \asom_barta ◆

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন